GEC S6-04(M)
Exam Code:ECM6D

অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস

ষষ্ঠ ষাণ্মাসিক

অর্থ বিজ্ঞান

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক মাধুর্য প্রসাদ বেজবৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নিচাৰ আহমেদ বৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° গৌতম মজুমদাৰ, অর্থনীতি বিভাগ,কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায় অৱিহণা যোগাইছে	**ভাষান্তৰকাৰী**
৯ সূদর্শন নার্জাৰী, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী চয়নিকা নায়ক, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী	কন্যা কুমাৰী দাস, ৰিজেণ্টচ্ একাডেমী অৱ নর্থ ইষ্ট, গুৱাহাটী
১০সূদর্শন নার্জাৰী, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী চয়নিকা নায়ক, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী	মৌচুমী গগৈ, পূৱ কার্বি আংলং মহাবিদ্যালয়
১১উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	মৌচুমী গগৈ, পূৱ কার্বি আংলং মহাবিদ্যালয়
১২ৰাজীৱ কুমাৰ দাস, সন্দিকৈ ছোৱালী মহাবিদ্যালয় উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় মৌচুমী গগৈ, পূৱ কার্বি আংলং মহাবিদ্যালয়	ড° অজিত দেৱনাথ, মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় মৌচুমী গগৈ, পূৱ কার্বি আংলং মহাবিদ্যালয়
১৩মৌচুমী গগৈ, পূৱ কার্বি আংলং মহাবিদ্যালয়	মৌচুমী গগৈ, পূৱ কার্বি আংলং মহাবিদ্যালয়
১৪ড° কস্তুৰী গোস্বামী, অসম ডনবস্ক' বিশ্ববিদ্যালয়, তেপেচীয়া	গীতাঞ্জলি মেধী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১৫ড° ৰুবী শর্মা, ৰঙিয়া মহাবিদ্যালয়, ৰঙিয়া	ড° ৰুবী শর্মা, ৰঙিয়া মহাবিদ্যালয়, ৰঙিয়া

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা	ঃ	ড° গৌতম মজুমদাৰ, অর্থনীতি বিভাগ, কটন বিশ্ববিদ্যালয় ড° চন্দ্রমা গোস্বামী, অর্থনীতি বিভাগ,মঙলদৈ মহাবিদ্যালয়, মঙলদৈ
ভাষা সম্পাদনাঃ (মূল ইংৰাজী)	ঃ	ড° মানৱ মেধি, ইংৰাজী বিভাগ,বড়োলেণ্ড বিশ্ববিদ্যালয় ড° চন্দ্রমা গোস্বামী, অর্থনীতি বিভাগ,মঙলদৈ মহাবিদ্যালয়, মঙলদৈ
(অসমীয়া)	ঃ	ড° মৃণ্ময়ী ভট্টাচার্য্য, অর্থনীতি বিভাগ,পশ্চিম গুৱাহাটী মহাবিদ্যালয় ড° গায়ত্রী মেধি (অৱসৰ প্রাপ্ত), অর্থনীতি বিভাগ, বি. এইছ. বি. মহাবিদ্যালয়
গাঁথনিক সম্পাদনা	ঃ	উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ডিচেম্বৰ, ২০১৯

ISBN: 978-93-89955-47-7

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১০১৭,
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিছপুৰ, গুৱাহাটী - ৭৮১০০৬
Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো,বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নম্বৰ

অধ্যায় ৯ ঃ সংস্থাপিত ভাৱধাৰা - ৰিকাড’ ৯৭-১০৭

ৰিকাড’ৰ ক্রমহ্রাসমান উৎপাদন বিধি; ৰিকাড’ৰ বিনিময় মূল্য আৰু তুলনামূলক দৰ তত্ত্ব; ৰিকাড’ৰ আয় বিতৰণ তত্ত্ব; ৰিকার্ডোৰ বাণিজ্য তত্ত্ব

অধ্যায় ১০ ঃ সংস্থাপিত ভাৱধাৰা - মিল ১০৮-১১৮

মিলৰ সংস্থাপিত তত্ত্বৰ পুনঃ বিৱৰণ; জে.এছ. মিলৰ প্রধান অর্থনৈতিক ভাৱধাৰাসমূহ

অধ্যায় ১১ ঃ সমাজবাদী ভাৱধাৰাৰ উত্থান ১১৯-১৩২

সমাজবাদৰ অৱলোকন; বিজ্ঞানসম্মত সমাজবাদ; মূল্য তত্ত্ব; অতিৰিক্ত বা ৰাহি মূল্য তত্ত্ব; অর্থনৈতিক বিকাশ তত্ত্ব

অধ্যায় ১২ ঃ প্রান্তীয় ভাৱধাৰা - জেভনচ্, মেনজাৰ আৰু ৰালৰাচ্ ১৩৩-১৪৪

প্রান্তীয় ভাৱধাৰা; জেভনচৰ অর্থনৈতিক চিন্তাধাৰা; মেন্জাৰৰ অর্থনৈতিক চিন্তাধাৰা; ৰালৰাচৰ অর্থনৈতিক চিন্তাধাৰা

অধ্যায় ১৩ ঃ অষ্ট্রীয়ান ভাৱধাৰা - ব’ম বাৱাৰেক আৰু উইজাৰ ১৪৫-১৫৬

অষ্ট্রীয়ান ভাৱধাৰাৰ আৰু ইয়াৰ মূল নীতিসমূহ; অষ্ট্রীয়ান অর্থনীতিবিদ সকলৰ অর্থনৈতিক ভাৱধাৰাঃ ব’ম বাৱাৰেক আৰু উইজাৰ; অষ্ট্রীয়ান ভাৱধাৰাৰ সমালোচনা

অধ্যায় ১৪ ঃ নব্য-সংস্থাপিত ভাৱধাৰা - মার্শ্বাল ১৫৭-১৭৪

সংস্থাপিত আৰু নব্য-সংস্থাপিত ভাৱধাৰাৰ মাজত থকা প্রভেদ; নব্য-সংস্থাপিত চিন্তাধাৰাৰ বৈশিষ্ট্য; নব্য-সংস্থাপিত ভাৱধাৰাৰ সমর্থক অগ্রণী অর্থনীতিবিদসকলৰ অৱদান; এগৰাকী সংশ্লেষক ৰূপে মার্শ্বাল; মার্শ্বালৰ অর্থনৈতিক চিন্তা

অধ্যায় ১৫ ঃ কেইন্চিয়ান ভাৱধাৰা-কেইন্চ ১৭৫-১৮৭

সংস্থাপিত স্কুলৰ পৰা প্রস্থান; অর্থবিজ্ঞানলৈ কেইন্চৰ মূখ্য অৱদানসমূহ, আঁচনি বিষয়ক পৰামর্শবলী

পাঠ্যবিষয়ৰ এইটো হ'ল দ্বিতীয় খণ্ড। এই খণ্ডটোত মুঠ সাতটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। নৱম অধ্যয়ত ডেভিদ ৰিকাড', এ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়টিয়ে আপোনাক ৰিকাড'ৰ ক্রমহ্রাসমান উপযোগিতা বিধি, বিনিময় মূল্য আৰু তুলনামূলক দৰ তত্ত্ব, আয় বিতৰণৰ তত্ত্ব আৰু বাণিজ্যৰ তত্ত্বৰ বিষয়ে জনাত সহায় কৰিব। দশম অধ্যায়ত জন ষ্টুৱার্ট মিলৰ সংস্থাপিত তত্ত্বৰ পুনঃ বিৱৰণত আলোকপাত কৰা হৈছে। মিলৰ উপাদান আৰু বিতৰণ বিধি, আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ তত্ত্ব আৰু মূল্য বিশ্লেষণৰ বিষয়ে অধ্যায়টিত বহলাই আলোচনা কৰা হৈছে।

একাদশ অধ্যয়ত আলোচিত মূল বিষয়টো হ'ল সমাজবাদী ভাৱধাৰাৰ উত্থান। অধ্যায়টি পঢ়ি আপুনি সমাজবাদৰ অর্থ; সমাজবাদ আৰু মার্ক্সীয় সমাজবাদৰ মাজৰ পার্থক্য আৰু মার্ক্সীয় তত্ত্ব, যেনে— মূল্যতত্ত্ব, অতিৰিক্ত বা ৰাহি মূল্যতত্ত্ব, অর্থনৈতিক বিকাশ ততত্ত্বৰ বিষয়ে জানিব পাৰিব। দ্বাদশ অধ্যায়ত প্রান্তীয় ভাৱধাৰাৰ প্রধান প্রতিষ্ঠাপকসকল, যেনে— জেভনচ্, মেনেজাৰ আৰু ৰালৰাচ্ৰ বিষয়ে আলোচনা কৰা হৈছে। ত্রয়োদশ অধ্যয়ত ব'ম বাৱাৰেক, উইজাৰ আদি অষ্ট্রীয়ান অর্থনীতিবিদ সকলে আগবঢ়োৱা অর্থনৈতিক ভাৱধাৰাৰ বিষয়ে বর্ণনা কৰা হৈছে। ইয়াত অষ্ট্রীয়ান অর্থনীতিবিদসকলে উদ্ভাৱন কৰা অর্থনৈতিক তত্ত্বসমূহৰ তুলনামূলক আলোচনাও আগবঢ়োৱা হৈছে। চতুর্দশ অধ্যায়টিয়ে নব্য-সংস্থাপিত অর্থনীতিবিদ মার্শ্বালৰ অর্থনীতি বিষয়ক চিন্তা বোৰৰ বিষয়ে অৱলোকণ কৰাত সহায় কৰিব। এই অধ্যায়টি পঢ়ি আপোনালোকে নব্য- সংস্থাপিত চিন্তাধাৰা আৰু সংস্থাপিত চিন্তাধাৰাৰ মাজৰ পার্থক্য, নব্য-সংস্থাপিত চিন্তাধাৰাৰ বৈশিষ্ট্য, মার্শ্বালৰ অর্থনীতি বিষয়ক চিন্তা আৰু এগৰাকী সংশ্লেষক ৰূপে মার্শ্বালৰ ভূমিকা সম্পর্কে অৱগত হ'ব। খণ্ডটোৰ সর্বশেষ অর্থাৎ পঞ্চদশ অধ্যায়ত অর্থবিজ্ঞানলৈ কেইনচ্ৰ মুখ্য অৱদানসমূহ আৰু কেইনচ্ৰ আঁচনিবিষয়ক পৰামর্শসমূহৰ বিষয়ে বর্ণনা আগবঢ়োৱা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰে। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জনা উচিত' বাকচবোৰৰ যোগে আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। 'অনুশীলনী' সমূহে আপোনাৰ অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে আপোনাক স্ব-পৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি অধ্যায়টিৰ শেষত দিয়া 'অগ্রগতিৰ খতিয়ান' ৰ উত্তৰসমূহৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব।

অধ্যায় ৯ঃ সংস্থাপিত ভাৱধাৰা- ৰিকাড'

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ৰিকাড'ৰ ক্রমহ্রাসমান উৎপাদন বিধি

৯.৪ ৰিকাড'ৰ বিনিময় মূল্য আৰু তুলনামূলক দৰ তত্ত্ব

৯.৫ ৰিকাড'ৰ আয় বিতৰণ তত্ত্ব

৯.৬ ৰিকাড'ৰ বাণিজ্য তত্ত্ব

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান

৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব —

- ডেভিদ ৰিকাড'ৰ ক্রমহ্রাসমান উৎপাদন বিধি বুজি পাব
- বিনিময় মূল্য আৰু তুলনামূলক দৰ তত্ত্বৰ বিষয়ে জানিব পাৰিব
- আয় বিতৰণ তত্ত্ব ব্যাখ্যা কৰিব পাৰিব
- বাণিজ্য তত্ত্ব বা তুলনামূলক সুবিধাৰ তত্ত্ব ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

আডাম স্মিথৰ পিছতে ৰিকাড'ক সংস্থাপনবাদী অর্থনীতিবিদসকলৰ ভিতৰত আটাইতকৈ প্রভাৱশালী অর্থনীতিবিদ হিচাপে জনা যায়। তেওঁৰ অর্থনৈতিক ধাৰণাসমূহ তেওঁৰ প্রখ্যাত গ্রন্থ 'The Principles of Political Economy and Taxation'ত ১৮১৭ চনত প্রকাশ পাইছিল। ৰিকাড'এ ৰাষ্ট্রৰ সম্পদ আৰু বিকাশতকৈ ৰাজনৈতিক অর্থনীতিৰ সমস্যাসমূহৰ অধিক বিশ্লেষণ আগবঢ়াইছিল বাবে তেওঁক ৰাজনৈতিক-অর্থনীতিবিদ হিচাপে জনা যায়। যদিও ৰিকাড'ৰ তত্ত্বসমূহ আডাম স্মিথৰ লেখাৰ দ্বাৰা প্রভাৰিত হৈছিল, তথাপি সংস্থাপনবাদী আর্থিক মতবাদক এটা স্থিতিশীল ধাৰা হিচাপে উপস্থাপন কৰাৰ ক্ষেত্রত ৰিকাড'এ আছিল প্রথম অর্থনীতিবিদ। তেওঁ অর্থনীতিৰ উন্নয়নমূলক প্রক্রিয়াৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰি এই বিষয়ত আলোকপাত কৰিছিল। তেওঁৰ তত্ত্বসমূহ আছিল— খাজনা তত্ত্ব, তুলনামূলক দৰ তত্ত্ব, বিতৰণ তত্ত্ব, আন্তর্জাতিক বাণিজ্য তত্ত্ব, মালথাছৰ পুঁজিবাদৰ স্থিতিশীল ধাৰণাৰ সৈতে বিতর্ক ইত্যাদি। এই অধ্যায়ত তেওঁৰ কেইটামান তত্ত্বৰ বিষয়ে আলোচনা কৰা হ'ব।

৯.৩ ৰিকাড'ৰ ক্ৰমহ্ৰাসমান উৎপাদন বিধি


ৰিকাড'ৰ 'ক্ৰমহ্ৰাসমান উৎপাদন বিধি' তত্ত্বটো তেওঁৰ খাজনা তত্ত্বৰ সৈতে জড়িত। ৰিকাড'ৰ মতে, 'খাজনা হ'ল ভূমিৰ উৎপাদনৰ সেইটো অংশ, যিটো অংশ মাটিৰ প্ৰকৃত গুণাগুণ আৰু মাটিৰ অক্ষমণীয় শক্তিৰ বাবে মাটিৰ মালিকক দিয়া হয়।'

ৰিকাড'ৰ খাজনা তত্ত্বটো তলত উল্লেখ কৰা অভিধাৰণাসমূহৰ আধাৰত প্ৰতিষ্ঠিত—

- ভূমি প্ৰকৃতিৰ মুক্ত দান।
- ক্ৰমহ্ৰাসমান উৎপাদন বিধি ভূমিৰ ওপৰত প্ৰযোজ্য।
- ভূমিৰ যোগান সম্পূৰ্ণ স্থিতিস্থাপক।
- প্ৰযুক্তিৰ কোনো পৰিৱৰ্তন নহয়।
- উৎপাদনৰ উপাদানসমূহ সাদৃশ্য গুণসম্পন্ন।

ৰিকাড'ৰ মতে, খাজনা হ'ল— 'ভূমিৰ মৌলিক আৰু অবিনশ্বৰ ক্ষমতা ব্যৱহাৰ কৰাৰ বাবে ভূমিপতিক উৎপাদনৰ যিটো অংশ দিয়া হয় সেইটোৱেই হ'ল খাজনা।' সেয়ে, আমি ক'ব পাৰোঁ যে খাজনা হ'ল উৎপাদন ব্যয়ৰ উদ্বৃত্ত অংশ। খাজনাই দৰ নিৰ্ধাৰণ নকৰে, কিন্তু দৰৰ স্তৰ নিৰ্ণয় কৰে। যেতিয়া উৎপাদিত বস্তুৰ দৰ উৎপাদনৰ গড় উৎপাদন ব্যয়কৈ অধিক হয়, তেতিয়া এটুকুৰা ভূমিৰ পৰা খাজনা উদ্ভৱ হয়। ৰিকাড'ৰ তত্ত্ব অনুসৰি মূল ভূমি আৰু প্ৰান্তিক ভূমিৰ উৎপাদন ব্যয়ৰ মাজৰ পাৰ্থক্যই হ'ল খাজনা।

ৰিকাড'ৰ এই ধাৰণাক তলৰ চিত্ৰঃ ৯.১ ৰ সহায়ত দেখুৱাব পাৰি—



চিত্ৰঃ ৯.১

ধৰা হওক, এদল মানুহে এটা দ্বীপত কৃষি কাৰ্য্য আৰম্ভ কৰিলে। সেই দ্বীপটোত তিনি প্ৰকাৰ বা শ্ৰেণীৰ মাটি আছে— ক, খ আৰু গ। ক শ্ৰেণীৰ মাটি সবাতোকৈ উৰ্বৰ, খ শ্ৰেণীৰ মাটি কম উৰ্বৰ আৰু গ শ্ৰেণীৰ মাটি সবাতোকৈ নিকৃষ্ট। ধৰা হওক, প্ৰথমতে ক শ্ৰেণীৰ মাটিত কৃষি কাৰ্য্য

আৰম্ভ কৰা হ'ল। সেই মাটিত মুঠ ১,০০,০০০ (এক লাখ) কুইণ্টল ধান উৎপাদন কৰা হ'ল। এতিয়া ধৰা হওক সেই মাটিত জনসংখ্যা বৃদ্ধি হ'ল। জনসংখ্যা বৃদ্ধি হোৱাত ধানৰ চাহিদা অধিক বৃদ্ধি হ'ল। এই বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ খ শ্ৰেণীৰ মাটিত কৃষিকাৰ্য্য আৰম্ভ হ'ল। ধৰি লোৱা হ'ল এই খ শ্ৰেণীৰ মাটিত উৎপাদিত ধানৰ মুঠ পৰিমাণ ৮০,০০০ (আশী হাজাৰ) কুইণ্টল। ইয়াৰ পিছত বৰ্ধিত চাহিদাৰ বাবে গ শ্ৰেণীৰ মাটিতো কৃষিকাৰ্য্য আৰম্ভ কৰা হ'ল। গ শ্ৰেণীৰ মাটি যিহেতু সবাতোকৈ নিকৃষ্ট, সেয়ে এই শ্ৰেণীৰ মাটিত উৎপাদনৰ পৰিমাণ হ'ল ৫০,০০০ (পঞ্চাশ হাজাৰ) কুইণ্টল। যদি জনসংখ্যা বৃদ্ধি হৈ থাকে, ধানৰ চাহিদাও বাঢ়ি গৈ থাকিব। কিন্তু এই বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ অতিৰিক্ত মাটি নোহোৱা হ'ব। এনে পৰিস্থিতিত উৎপাদনৰ উপাদানৰ পৰিমাণ বৃদ্ধি কৰি উৎপাদন বৃদ্ধি কৰিব পাৰি। ইয়াৰ ফলস্বৰূপে ক্ৰমহ্ৰাসমান উৎপাদন বিধি (Law of diminishing returns) কাৰ্য্য কৰি হৈ উঠে ।

আমি দেখিবলৈ পাওঁ যে ক শ্ৰেণীৰ মাটিয়ে খ শ্ৰেণীৰ মাটিৰ পৰা ২০,০০০ (বিশ হাজাৰ) কুইণ্টল ধানৰ উদ্বৃত্ত ভোগ কৰে আৰু খ শ্ৰেণীৰ মাটিৰ পৰা ৫০,০০০ (পঞ্চাশ হাজাৰ) কুইণ্টল ধানৰ উদ্বৃত্ত ভোগ কৰে। একেদৰে খ শ্ৰেণীৰ মাটিয়ে গ শ্ৰেণীৰ মাটিৰ ওপৰত ৩০,০০০ (ত্ৰিশ হাজাৰ) কুইণ্টলৰ উদ্বৃত্ত ভোগ কৰে। সেয়ে ক আৰু খ শ্ৰেণীৰ মাটিক অতি প্ৰান্তিক মাটি (Super marginal land) আৰু গ শ্ৰেণীৰ মাটিক প্ৰান্তিক মাটি হিচাপে বিবেচনা কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ খাজনা আৰু দৰৰ মাজৰ সম্পৰ্ক চমুকৈ ব্যাখ্যা কৰক। (প্ৰায় ৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

২ নং প্ৰশ্ন ঃ খাজনা হ'ল 'একপাৰ্থক্য জনিত উদ্বৃত্ত। কথাষাৰ বৰ্ণনা কৰক। (প্ৰায় ৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৯.৪ ৰিকাড'ৰ বিনিময় মূল্য আৰু তুলনামূলক দৰ তত্ত্ব

এই ধাৰণাসমূহ যদিও আডাম স্মিথ আৰু ৰিকাড'ৰ দৰে সংস্থাপনবাদী অৰ্থনীতিবিদৰ তত্ত্বত ব্যৱহাৰ হৈছিল, বৰ্তমান মাৰ্ক্সীয় অৰ্থনীতিৰ লগতহে জড়িত। পিছলৈ মুক্ত অৰ্থনীতিৰ

তত্ত্বসমূহতো ইয়াৰ ব্যৱহাৰ হৈছিল। ৰিকাড'এ তেওঁৰ গ্ৰন্থ 'Principle of Political Economy and Taxation'ত মূল্যৰ বিষয়বস্তু সম্পৰ্কে গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়াইছে। আডাম স্মিথৰ নিচিনাকৈ ৰিকার্ড'ও সামগ্ৰীৰ বিনিময় মূল্য আৰু দৰৰ লগতহে জড়িত আছিল। তেওঁ ইয়াৰ ব্যৱহাৰিক মূল্য বা উপযোগিতাৰ লগত জড়িত নাছিল। মূল্য তত্ত্ব অনুসৰি শ্ৰম হ'ল কোনো পৰিমাণ অবিহনে বজাৰযোগ্য সামগ্ৰী উৎপাদনৰ বাবে প্ৰয়োজন হোৱা শ্ৰমক বুজায়। ইয়াত উৎপাদনত প্ৰয়োজন হোৱা প্ৰকৃত মূলধনকো অন্তৰ্ভুক্ত কৰা হয়। ৰিকাড' আৰু মাৰ্ক্স দুয়োজনে এটা সামগ্ৰীৰ 'প্ৰকৃত দৰ' বা 'সাধাৰণ দৰ' তত্ত্বৰ বিকাশ ঘটাবলৈ শ্ৰমৰ সকলো উপাদানক পৰিমাপ কৰিব আৰু সংমিশ্ৰণ ঘটাব বিচাৰিছিল। যি কি নহওক আডাম স্মিথে আগবঢ়োৱা মূল্য তত্ত্বই অতীতৰ শ্ৰমৰ পৰিমাণ নিৰ্ণয়ৰ ওপৰত গুৰুত্ব দিয়ে। এই তত্ত্বই উৎপাদনৰ উপাদান সৃষ্টিৰ বাবে প্ৰয়োজনীয় শ্ৰমৰ পৰিমাণৰ ওপৰত গুৰুত্ব নিদিয়ে। সকলো বস্তুৰে প্ৰকৃত মূল্য হ'ল তাক আয়ত্ত কৰিব বিচাৰোঁতে হোৱা ব্যয় আৰু কষ্টৰ পৰিমাণ। এইক্ষেত্ৰত সংস্থাপনবাদী অৰ্থনীতিৰ 'সাঁথৰ'ৰ প্ৰসংগ আহি পৰে। আডাম স্মিথৰ মতে মূল্য শব্দটোক নিৰীক্ষণ কৰিলে দুটা অৰ্থ পোৱা যায়। কেতিয়াবা ই কোনো দ্ৰব্যৰ উপযোগিতাক বুজায়, কেতিয়াবা ই অন্য সামগ্ৰী কিনিব পৰা সামৰ্থ্যক সূচায়। এটাক কোৱা হয় 'ব্যৱহাৰিক মূল্য' আৰু আনটোক কোৱা হয় 'বিনিময় মূল্য'। যিবিলাক সামগ্ৰীৰ ব্যৱহাৰিক মূল্য অধিক সেইসমূহৰ বিনিময় মূল্য অতি কম। যেনে, পানীতকৈ অধিক ব্যৱহাৰিক মূল্য আন একো বস্তুৰে নাই। কিন্তু ইয়াৰ দ্বাৰা একো বস্তু কিনিব নোৱাৰি। কোনো সামগ্ৰী বিনিময়ো কৰিব নোৱাৰি। আনহাতে এটুকুৰা হীৰাৰ ব্যৱহাৰিক মূল্য তেনেই নগণ্য। কিন্তু ইয়াৰ বিনিময় মূল্য অতি বেছি। গতিকে বিনিময় মূল্য হ'ল এটা সামগ্ৰীক আন এটা সামগ্ৰীৰ সৈতে বিনিময় কৰাৰ অনুপাত। এইদৰে অধিক ব্যৱহাৰিক মূল্য থকা সামগ্ৰীসমূহৰ খুব কম বিনিময় মূল্য থাকে। আনহাতে যিবিলাক সামগ্ৰীৰ বিনিময় মূল্য অধিক সেইবিলাকৰ ব্যৱহাৰিক মূল্য অতি কম বুলিয়েই ক'ব পাৰি। সংস্থাপনবাদী অৰ্থনীতিত এই কথাবিলাককে 'সাঁথৰ' আখ্যা দিয়া হৈছে। অৰ্থনীতিবিদ ৰিকার্ড'ৰ মতে, শ্ৰম হৈছে সকলো সামগ্ৰীৰে প্ৰকৃত বিনিময় মূল্য। এটা নিৰ্দিষ্ট স্তৰৰ উৎপাদন গাঁথনিত সামগ্ৰী একোটাত শ্ৰম নিহিত হৈ থাকে। ৰিকার্ড' আৰু মাৰ্ক্সকে ধৰি অন্যান্য সংস্থাপনবাদী অৰ্থনীতিবিদসকলে ধাৰণা আগবঢ়াইছিল যে বিনিময় মূল্য শ্ৰমৰ মূল্যৰ সমানুপাতিক। তেওঁলোকে মত পোষণ কৰিছিল যে পুঁজিবাদী সমাজ ব্যৱস্থাত উন্নয়নৰ প্ৰক্ৰিয়াক বিশ্লেষণ কৰাত এই তত্ত্বই সহায় কৰে। এই তত্ত্ব অনুসৰি সামগ্ৰী এটাৰ গড় উৎপাদনত শ্ৰমৰ সময় আৰু তীব্ৰতা বিনিময় মূল্যৰ সমানুপাতিক হয়। সেয়ে যেতিয়া শ্ৰমিকে অধিক কৌশল আৰু অধিক উৎপাদনশীলতাৰে কাম কৰে তেতিয়া এই কৌশলী শ্ৰমিকসকলে চূড়ান্ত সামগ্ৰীৰ উৎপাদনত অধিক বৰঙণি আগবঢ়ায়। তথাপি শ্ৰমৰ প্ৰতিটো এককে একে ধৰণৰ সামগ্ৰীৰ ক্ষেত্ৰত একে মূল্য বহন কৰে। কিন্তু অনা-কৌশলী শ্ৰমিকে গড় শ্ৰমিকৰ মূল্য হ্ৰাস কৰে। অনা-কৌশলী শ্ৰমিকে উৎপাদিত সামগ্ৰী অধিক দামত বিক্ৰী কৰিব নোৱাৰে। কিয়নো তেওঁলোকে উৎপাদন প্ৰক্ৰিয়াত কৌশলী বনুৱাসকলতকৈ অধিক সময় অতিবাহিত কৰিছে। যি কি নহওক, উৎপাদন প্ৰক্ৰিয়াত কেৱল শ্ৰমিকেই জড়িত নহয়। ইয়াত উৎপাদনৰ আন উপাদানসমূহ, যেনে উৎপাদন

সঁজুলি, বিভিন্ন সা-সামগ্ৰী, শক্তি প্ৰকল্প ইত্যাদিও নিহিত হৈ থাকে। ইয়াৰ অৰ্থ হ'ল— উৎপাদনৰ উপাদান হিচাপে জনাজাত শ্ৰমিক অন্য উৎপাদন প্ৰক্ৰিয়াৰে ফল। কাৰণ শ্ৰমিককো উৎপাদনৰ অন্য উপাদানসমূহৰ প্ৰয়োজন হয়, যিবিলাক অকল শ্ৰমিকৰ দ্বাৰা উৎপাদন নহয়। সেয়ে ইয়াৰ কোনো মূল্য নাই। যেনে— সূৰ্য্যৰ পোহৰ, খেতি নকৰা মাটি, অব্যৱহৃত খনিজ পদাৰ্থ আদি উপাদান উৎপাদন প্ৰক্ৰিয়াৰ বাবে অতি প্ৰয়োজনীয় যদিও উৎপাদন প্ৰক্ৰিয়াত এইসমূহে কোনো মূল্য সংযোজন নকৰে। এই উপাদানসমূহৰ স্থিৰতাৰ বাবে এইসমূহক 'স্থিৰ মূলধন' বুলি কোৱা হয়। ইয়াক গাণিতিকভাৱে এনেদৰে প্ৰকাশ কৰা হয়— শ্ৰমৰ প্ৰক্ৰিয়াৰ দ্বাৰা উদ্ভূত উৎপাদিত সামগ্ৰী যদি সমজাতীয় হয়, তেন্তে উৎপাদনৰ মূল্যক প্ৰত্যেক একক উৎপাদন নিৰ্ণয়ৰ বাবে ব্যৱহৃত সংখ্যাৰে হৰণ কৰা হয়।

কিছুমান প্ৰামাণিক তথ্যই এই কথা সূচাইছে যে শ্ৰমৰ মূল্যই দৰৰ উচিত নিৰ্ধাৰক। দৰে সাধাৰণতে 'মূলধন' আৰু 'ভূমি'ৰ বাবে আয়ৰ স্তৰ নিৰ্ধাৰণ কৰে। এই আয়ক লাভ আৰু খাজনা হিচপে জনা যায়।

ডেভিদ ৰিকার্ড'ৰে এই সাঁথৰৰ সপক্ষে যুক্তি আগবঢ়াই কৈ গৈছে যে স্মিথে শ্ৰম আৰু মজুৰিৰ ধাৰণাক বিভ্ৰান্ত কৰিছে। শ্ৰমৰ মূল্য কেৱল মজুৰিৰ মূল্য নহয়। ই হ'ল শ্ৰমৰ দ্বাৰা উৎপাদিত আটাইবোৰ সামগ্ৰীৰ মূল্য। ৰিকার্ড'ৰ তত্ত্ব অনুসৰি এবিধ সামগ্ৰীৰ মূল্য সেই সামগ্ৰীৰ উৎপাদনৰ বাবে প্ৰয়োজন হোৱা কেঁচা সামগ্ৰী আৰু যন্ত্ৰ-পাতিৰ পৰিমাণৰ সমানুপাতিক। ৰিকার্ড' এ উল্লেখ কৰিছে যে এটা সামগ্ৰী বা ইয়াৰ দ্বাৰা বিনিময় কৰিব খোজা আন যিকোনো সামগ্ৰীৰ মূল্য ইয়াৰ বাবে প্ৰয়োজন হোৱা তুলনাত্মক শ্ৰমৰ ওপৰত নিৰ্ভৰশীল। কিন্তু সেই শ্ৰম কম বা বেছি ক্ষতিপূৰণ আদায়ৰ ওপৰত নিৰ্ভৰ নকৰে। ৰিকার্ড' এ শ্ৰমিকসকলৰ উৎপাদনশীলতাৰ বাবে প্ৰদান কৰা মজুৰিক সামগ্ৰী এটা উৎপাদনৰ বাবে প্ৰয়োজন হোৱা শ্ৰমিকৰ সংখ্যাৰ পৰা পৃথক কৰে।

'মূল্যৰ সাঁথৰ' আৰু বিভিন্ন দিশকে ধৰি কেইবাটাও প্ৰসংগত ৰিকার্ড'ৰ তত্ত্বক সমালোচনা কৰা হৈছে। পিছলৈ ৰিকার্ড'ৰে নিজেই অৱশ্যে কৈছিল যে নিজৰে বিশ্লেষণসমূহক লৈ তেওঁ সন্তুষ্ট নহয়।

৯.৫ ৰিকাড'ৰ আয় বিতৰণ তত্ত্ব


অৰ্থনৈতিক তত্ত্বত ৰিকাড'ৰ আয় বিতৰণৰ তত্ত্বটো এক উল্লেখযোগ্য তত্ত্ব। আডাম স্মিথৰ মতে অৰ্থনীতি হ'ল ৰাষ্ট্ৰৰ সম্পদৰ অধ্যয়ন। আনহাতে ৰিকাড'ৰ মতে, অৰ্থনীতি হ'ল সম্পদৰ বিতৰণৰ অধ্যয়ন। ৰিকার্ড' এ তেওঁৰ এখন গ্ৰন্থত উল্লেখ কৰিছে— 'পৃথিৱীৰ মুঠ উৎপাদনৰ পৰিমানক খাজনা, লাভ আৰু মজুৰি হিচাপে ভাগ কৰা হৈছে আৰু সেইসমূহেই বিতৰণৰ বিধিসমূহ নিয়ন্ত্ৰণ কৰে। এইদৰে বিতৰণৰ বিধিসমূহ নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰাই হৈছে ৰাজনৈতিক অৰ্থনীতিৰ মূল সমস্যা।

অভিধাৰণাসমূহ ঃ এই তত্ত্বটো তলত উল্লেখিত অভিধাৰণাসমূহৰ ওপৰত প্ৰতিষ্ঠিত-

- সকলো ভূমি শস্যৰ উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হয়।
- ভূমিত ক্ৰমহ্ৰাসমান উৎপাদন বিধিৰ প্ৰয়োগ হয়।
- ভূমিৰ যোগান সীমিত।
- ঘেঁহুৰ চাহিদা স্থিতিস্থাপক।
- প্ৰযুক্তিৰ বিকাশ স্থিৰ।
- শ্ৰমিকক ন্যূনতম মজুৰি প্ৰদান কৰা হয়।

ৰিকাড' এ সমাজখনক তিনিটা শ্ৰেণীত ভাগ কৰিছে। সেই অনুসৰি বিতৰণৰ বিধিসমূহসমূহ হ'ল ঃ ভূমিৰ গৰাকী— যিয়ে ভূমি দিয়ে, পুঁজিবাদীসকল— যিয়ে উৎপাদন কাৰ্য্য চলাই নিয়ে আৰু শ্ৰমিকসকল— যিয়ে সেই ভূমিত শ্ৰম কৰে আৰু ঘেঁহু বা যিকোনো ফচল উৎপাদন কৰে। ৰিকাড'ৰ মতে, অৰ্থনীতিত সমাজ এখনৰ আয়ক তিনিটা প্ৰধান অংশত ভাগ কৰা হৈছে— খাজনা, মজুৰি আৰু লাভ। ভূমিৰ গৰাকীক ভূমিৰ ব্যৱহাৰৰ বাবে খাজনা আৰু মজুৰি প্ৰদানৰ পিছত যি অংশ বাকী থাকে, সেয়া পুঁজিবাদীক লাভ ৰূপত দিয়া হয়। এই লাভ হ'ল শ্ৰমিকৰ উৎপাদনশীলতা আৰু মজুৰিৰ হাৰৰ পাৰ্থক্য। ৰিকাড' এ কৈছে যে সমাজত অৰ্থনীতিৰ বিকাশৰ লগে লগে খাজনাও বৃদ্ধি হয়, যি লাভৰ হাৰকো বৃদ্ধি কৰে। লাভ বৃদ্ধি হোৱাৰ লগে লগে অৰ্থনৈতিক বিকাশৰ হাৰ হ্ৰাস হৈ আহে।

চিত্ৰঃ ৯.২ৰ সহায়ত ওপৰৰ কথাখিনি দেখুৱাব পাৰি—



চিত্ৰঃ ৯.২

ওপৰৰ চিত্ৰঃ ৯.২ ত X অক্ষত শ্ৰমিকৰ সংখ্যা দেখুওৱা হৈছে আৰু Y অক্ষত ঘেঁহুৰ উৎপাদন দেখুওৱা হৈছে। AP আৰু MP-এ ক্ৰমান্বয়ে শ্ৰমিকৰ গড় উৎপাদনশীলতা আৰু প্ৰান্তিক উৎপাদনশীলতাক দেখুৱাইছে। এই চিত্ৰই দেখুৱায় যে OE পৰিমাণৰ শ্ৰমিক ইয়াত নিয়োজিত

হৈছে আৰু এই পৰিমাণৰ শ্ৰমিকে মুঠ OEQP পৰিমাণৰ ঘেঁহু উৎপাদন কৰে। ইয়াৰ পৰা ভূমিৰ মালিকক দিয়া খাজনাৰ পৰিমাণ হ'ল LMQP। এতিয়া, OW মজুৰিৰ হাৰত শ্ৰমিকৰ যোগান হ'ল WN বা OE। গতিকে শ্ৰমিকক দিয়া মুঠ মজুৰিৰ পৰিমাণ হ'ল OENW। খাজনা আৰু মজুৰি প্ৰদানৰ পিছত যি অংশ বাকী থাকে, সেই অংশ পুঁজিবাদীক লাভ হিচাপে আগবঢ়োৱা হয়। সেই লাভৰ অংশ হ'ল WNML।

এতিয়া ধৰা হওক আমি OFলৈকে শ্ৰমিকৰ সংখ্যা বৃদ্ধি কৰিলোঁ। ইয়ে উৎপাদনৰ পৰিমাণ OFDCলৈ বৃদ্ধি কৰিব। এতিয়া খাজনাৰ পৰিমাণ হল WOFR। চিত্ৰত আমি পৰিষ্কাৰকৈ দেখোঁ যে পুঁজিবাদীৰ বাবে কোনো লাভ বাকী থকা নাই। ৰিকাড' এ কৈছে যে এনে পৰিস্থিতিত মুঠ আয় ভূমিপতি আৰু শ্ৰমিকৰ মাজত ভাগ হয়। এই পৰ্য্যায়তে অৰ্থনৈতিক বিকাশ হ্ৰাস হৈ আহে আৰু মূলধনৰ সংগ্ৰহ স্থবিৰ হৈ পৰে।

৯.৬ ৰিকাড'ৰ বাণিজ্য তত্ত্ব

ৰিকাড'ৰ সংস্থাপনবাদী আৰ্থিক মতবাদক আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক তুলনামূলক সুবিধাৰ তত্ত্ব নামেৰেও জনা যায়। ৰিকার্ডোৱে এই তত্ত্ব ১৮১৭ চনত আগবঢ়াইছিল। আডাম স্মিথৰ মতে, আন্তৰ্জাতিক বাণিজ্য তেতিয়াহে লাভজনক হ'ব— যেতিয়া দুখন দেশে বিশেষীকৰণ কৰা কোনো এটা সামগ্ৰীৰ উৎপাদন ব্যয়ৰ মাজত সৰ্বোচ্চ পাৰ্থক্য থাকিব। কিন্তু ৰিকার্ডোৰ মতে আন্তৰ্জাতিক বাণিজ্য তেতিয়াহে সম্ভৱ, যেতিয়া কোনো সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰত এখন দেশে আন এখন দেশৰ ওপৰত শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰে। যাৰ বাবে দেশ এখনে তুলনামূলক ব্যয়ৰ সুবিধা লাভ কৰে। ৰিকাড' এ তেওঁৰ বাণিজ্য তত্ত্বত উল্লেখ কৰিছে যে অন্য বিষয়সমূহ অপৰিৱৰ্তিত থকা অৱস্থাত এখন দেশে সেই সামগ্ৰীসমূহ উৎপাদনত বিশেষীকৰণ কৰিব আৰু ৰপ্তানি কৰিব যিবিলাক সামগ্ৰীৰ ক্ষেত্ৰত তেওঁলোকৰ তুলনামূলক ব্যয়ৰ সুবিধা আছে।

অভিধাৰণাসমূহ ঃ এই তত্ত্বটো তলত উল্লেখিত অভিধাৰণাসমূহৰ ওপৰত প্ৰতিষ্ঠিত-

- ২×২×১ আৰ্হিৰ মডেল অৰ্থাৎ দুখন দেশ, দুবিধ সামগ্ৰী আৰু উৎপাদনৰ মাথোঁ এবিধ উৎপাদনৰ উপাদান (শ্ৰমিক)।
- দক্ষতাৰ ফালৰ পৰা শ্ৰমিক সমজাতীয় বা সমগুণসম্পন্ন।
- উপাদান আৰু শ্ৰমিকৰ বজাৰত পূৰ্ণ প্ৰতিযোগিতাই বিৰাজ কৰে।
- উৎপাদন কাৰ্য্যত সমানুপাতিক উৎপাদন ব্যয় বিধি প্ৰযোজ্য হয়।
- শ্ৰমিকৰ আভ্যন্তৰীণ চলমানতা আছে, কিন্তু আন্তৰ্জাতিক চলমানতা নাই।
- সম্পদসমূহক পূৰ্ণ নিয়োজিত বুলি ধৰা হয়।
- আন্তৰ্জাতিক বাণিজ্যত কোনো বাধা-নিষেধ আৰোপ কৰা নহয়।
- প্ৰযুক্তিৰ কোনো সালসলনি নহয়।

তলৰ তালিকাৰ সহায়ত ৰিকাড'ৰ আন্তৰ্জাতিক বাণিজ্যৰ তত্ত্বটো বিশ্লেষণ কৰিব পাৰিঃ

তালিকা - ৯.১

(এক একক সুৰা আৰু কাপোৰৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় শ্ৰম,ঘণ্টা হিচাপত)

দেশ	সামগ্ৰী ক (গেলেন সুৰা)	সামগ্ৰী খ (মিটাৰ কাপোৰ)	বিনিময় হাৰ
পৰ্তুগাল	৮০	৯০	১ = .৮৯ ($^{৮০}/_{৯০}$)
ইংলেণ্ড	১২০	১০০	১=১.২ ($^{১২০}/_{১০০}$)

ওপৰৰ উদাহৰণটোত আমি দেখা পাওঁ যে সুৰা আৰু কাপোৰ দুয়োবিধ সামগ্ৰীৰ ক্ষেত্ৰত ইংলেণ্ডতকৈ পৰ্তুগালৰ চৰম উৎপাদন ব্যয়ৰ সুবিধা আছে। তালিকাখনে দেখুৱায় যে পৰ্তুগালত দুয়োবিধ সামগ্ৰীৰ উৎপাদন ব্যয় কম। কিন্তু এই দুয়োবিধ সামগ্ৰীৰ বাণিজ্যত পৰ্তুগাল আৰু ইংলেণ্ড দুয়োখন দেশ লাভৱান হ'ব। ইয়াৰ বাবে তেওঁলোকে সুযোগ ব্যয়ৰ ধাৰণা অৱলম্বন কৰা উচিত। ক সামগ্ৰীৰ সুযোগ ব্যয় আন এক অতিৰিক্ত ক সামগ্ৰীৰ উৎপাদন ব্যয়ৰ সৈতে সমান।

তালিকা-৯.২ ই পৰ্তুগাল আৰু ইংলেণ্ডত উৎপাদনৰ সুযোগ ব্যয় দেখুৱাইছে—

তালিকা - ৯.২

(সুযোগ ব্যয়)

দেশ	সুযোগ ব্যয় (সুৰা)	সুযোগ ব্যয় (কাপোৰ)
পৰ্তুগাল	$^{৮০}/_{৯০}$ = ০.৮৯	$^{৯০}/_{৮০}$ = ১.১২৫
ইংলেণ্ড	$^{১২০}/_{১০০}$ = ১.২	$^{১০০}/_{১২০}$ = ০.৮৩

এখন দেশৰ তুলনামূলক ব্যয় সুযোগ ব্যয়ৰ ৰূপত দেখুৱাব পাৰি। ধৰা হওক, এখন দেশে ক সামগ্ৰীবিধ উৎপাদনৰ ক্ষেত্ৰত তুলনামূলক ব্যয় সুবিধা লাভ কৰে— যদিহে দেশত সেই সামগ্ৰী উৎপাদন ব্যয় অন্য দেশতকৈ কম হয়। আমি দেখোঁ যে সুৰাৰ উৎপাদনৰ ক্ষেত্ৰত পৰ্তুগালৰ (০.৮৯ < ১.২) সুযোগ ব্যয় কম, য'ত নেকি কাপোৰ উৎপাদনৰ ক্ষেত্ৰত ইংলেণ্ডৰ অসুবিধা মদ উৎপাদনৰ (০.৮৩ < ১.১২৫) অসুবিধাৰ তুলনাত বহুত কম। এইদৰে, পৰ্তুগালৰ সুৰা উৎপাদনৰ ক্ষেত্ৰত তুলনামূলক সুবিধা আছে আৰু ইংলেণ্ডৰ কাপোৰ উৎপাদনত তুলনামূলক সুবিধা আছে। এনে পৰিস্থিতিত পৰ্তুগালে ইয়াৰ সমগ্ৰ সম্পদ মদ উৎপাদন কৰাৰ বাবে আৰু ইংলেণ্ডে সমগ্ৰ সম্পদ কাপোৰ উৎপাদনৰ বাবে ব্যৱহাৰ কৰিব। ইয়াৰ ফলত পৰ্তুগালত কাপোৰ উৎপাদন নহ'ব আৰু ইংলেণ্ডত মদ উৎপাদন নহ'ব। অৰ্থাৎ পৰ্তুগালে ইংলেণ্ড লৈ সুৰা ৰপ্তানি কৰিব আৰু তাৰ পৰা কাপোৰ আমদানি কৰিব। সেইদৰে ইংলেণ্ডে পুৰ্তগাললৈ কাপোৰ ৰপ্তানি কৰিব আৰু তাৰ পৰা সুৰা আমদানি কৰিব।

এতিয়া, উৎপাদনৰ ক্ষেত্ৰত বিশেষীকৰণ নাথাকিলে পৰ্তুগালত সুৰা আৰু কাপোৰৰ বিনিময় হাৰ হ'ব ১ ঃ ০.৮৯, য'ত ই ১ একক সুৰা উৎপাদনৰ বিপৰীতে ০.৮৯ কাপোৰ উৎপাদন কৰিলেহে লাভান্বিত হ'ব। একেদৰে ইংলেণ্ডত সুৰা আৰু কাপোৰ উৎপাদনৰ বিনিময় হাৰ হ'ল ১ ঃ ১.২ এইক্ষেত্ৰত ইংলেণ্ডে লাভৱান হ'ব, যদিহে ই ১.২ একক কাপোৰ ৰপ্তানি কৰি ১ একক সুৰা লাভ কৰে। এইসমূহ হ'ল উচ্চতম আৰু নিম্নতম সীমা— যি পৰ্য্যায়ত দুয়োখন দেশে

পাৱস্পৰিকভাৱে লাভান্বিত হ'ব। যি কি নহওক, ৰিকাড' এ অভিধাৰণা কৰিছে যে দুয়োখন দেশৰ বাণিজ্যৰ হাৰ ১ঃ১ ত নির্ধাৰিত হ'ব।



অগ্রগতি নিৰীক্ষণ

৩ নং প্রশ্ন ঃ ৰিকাড'ৰ তুলনামূলক ব্যয় তত্ত্ব উৎপাদনৰ কোনটো বিধিৰ ওপৰত প্রতিষ্ঠিত?

.....

.....

৪ নং প্রশ্ন ঃ আন্তর্জাতিক বাণিজ্যৰ ফলত হ'ব পৰা লাভসমূহ বর্ণনা কৰক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৫ নং প্রশ্ন ঃ ৰিকার্ডোৰ তুলনামূলক সুবিধা তত্ত্বৰ সীমাবদ্ধতাসমূহ উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰিকাড'ৰ খাজনা তত্ত্ব বর্ধিত জনসংখ্যাৰ বাবে উদ্ভৱ হোৱা খাদ্যৰ বিতৰণৰ সমস্যাৰ লগত জড়িত।
- ৰিকাড'এ দেখুৱাইছে যে প্রান্তিক ভূমিৰ লগত অতি প্রান্তিক ভূমিৰ পার্থক্যই হ'ল খাজনা। খাজনাই দৰ স্তৰ নির্ণয় নকৰে, দৰে খাজনা নির্ণয় কৰে। কিন্তু আধুনিক তত্ত্বসমূহে ইয়াৰ সমালোচনা কৰি কৈছে যে উৎপাদনৰ সকলো উপাদানৰ পৰাই খাজনা উদ্ভৱ হয়।
- ৰিকাড'ৰ তত্ত্ব অনুসৰি এখন অর্থনীতিত উৎপাদন কার্য্যৰ ফলত সৃষ্টি হোৱা আয় খাজনা, মজুৰি, লাভ —এই তিনিটা প্রধান অংশৰ মাজত ভগাই দিয়া হয়।
- ৰিকাড'ৰ আন্তর্জাতিক বাণিজ্যৰ তত্ত্ব অনুসৰি ব্যয়ৰ পার্থক্যই আন্তর্জাতিক বাণিজ্যৰ সৃষ্টি কৰে।
- ৰিকাড'ৰ বাণিজ্য তত্ত্ব কিছুমান মিছা অভিধাৰণাৰ ওপৰত প্রতিষ্ঠিত বুলি সমালোচনা কৰা হৈছে। যেনে— শ্রমিক সমগুণ সম্পন্ন। কিন্তু বাস্তৱত শ্রমিক কেতিয়াও সমগুণ সম্পন্ন

নহয়। তদুপৰি উৎপাদনৰ উপাদান কেৱল শ্ৰমিক নহয়। উৎপাদনৰ উপাদান চাৰি প্ৰকাৰৰ— ভূমি, শ্ৰম, মূলধন আৰু সংগঠন।

৯.৮ অধিক জানিবলৈ

1) Bhatia, H.L. (2007). *History of Economic Thought.* New Delhi : Vikash Publishing House.
2) Kumarappa, J.C. (2010). *Gandhian Economic Thought.* New Delhi : SSS Prakashan.
3) Loknathan, V. (2010). *A History of Economic Thought.* New Delhi : S Chand & Company Ltd.
4) Paul R.R. (2008). *History of Economic Thought.* Ludhiana : Kalyani Publishers.

৯.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ ৰিকাড'ৰ মতে খাজনা হ'ল ভূমিৰ অবিনশ্বৰ আৰু মৌলিক শক্তিৰ ব্যৱহাৰৰ বাবে দিবলগীয়া মূল্য। আমি ক'ব পাৰোঁ যে খাজনা উৎপাদন ব্যয়ৰ ওপৰত হোৱা উদ্বৃত্ত আয়, খাজনাই দৰৰ নিৰ্ধাৰণ নকৰে। কিন্তু দৰ স্তৰ নিৰ্ণয় কৰে। যেতিয়া এবিধ সামগ্ৰীৰ বজাৰ মূল্য গড় উৎপাদন ব্যয়তকৈ অধিক হয়, তেতিয়া খাজনা উদ্ভৱ হয়।

২ নং প্ৰশ্ন উত্তৰ ঃ ৰিকাড'ৰ বিতৰণ তত্ত্বই দেখুৱাইছে যে আটাইতকৈ উৰ্বৰ ভূমিয়ে সৰ্বোচ্চ উৎপাদন কৰিব আৰু কম উৰ্বৰ ভূমিয়ে কম উৎপাদন কৰিব। তেওঁৰ মতে, 'খাজনা হ'ল একে ধৰণৰ বা ভিন্ন গুণসম্পন্ন ভূমিত সমান পৰিমাণৰ শ্ৰমিক আৰু মূলধন নিয়োগ কৰি উদ্ভৱ হোৱা উৎপাদনৰ পাৰ্থক্য।' তেওঁৰ মতে খাজনা হ'ল ভূমিৰ মৌলিক আৰু অবিনশ্বৰ শক্তিৰ বাবদ দিয়া মূল্য। সেয়ে আমি ক'ব পাৰোঁ যে খাজনা উৎপাদন ব্যয়ৰ উদ্বৃত্ত আয়। খাজনাই দৰ নিৰ্ধাৰণ নকৰে, বৰঞ্চ দৰৰ স্তৰে খাজনা নিৰ্ধাৰণ কৰে। যেতিয়া এবিধ সামগ্ৰীৰ বজাৰ মূল্য উৎপাদন ব্যয়তকৈ অধিক হয় তেতিয়া খাজনা উদ্ভৱ হয়।

৩ নং প্ৰশ্ন উত্তৰ ঃ ৰিকাড'ৰ তুলনামূলক ব্যয় তত্ত্ব সমানুপাতিক উৎপাদন ব্যয়ৰ ওপৰত প্ৰতিষ্ঠিত।

৪ নং প্ৰশ্ন উত্তৰ ঃ আন্তৰ্জাতিক বাণিজ্যৰ কেইটামান লাভ হ'ল—

- আন্তৰ্জাতিক বাণিজ্যত জড়িত থকা দেশসমূহৰ অৰ্থনৈতিক বিকাশ দ্ৰুত হয়।
- আন্তৰ্জাতিক বাণিজ্যৰ বাবে উপভোক্তাই সামগ্ৰীসমূহ নিম্ন দৰত লাভ কৰে।
- আন্তৰ্জাতিক বাণিজ্যই দেশত সামগ্ৰিক নিয়োগ বৃদ্ধি কৰাত সহায় কৰে।

৫ নং প্ৰশ্ন উত্তৰ ঃ ৰিকাড'ৰ তুলনামূলক ব্যয় তত্ত্বক বিভিন্ন দিশত সমালোচনা কৰা হৈছে। তলত কেইটামান উল্লেখ কৰা হ'ল।

- এই তত্ত্ব অভিধাৰণা অনুসৰি শ্ৰম সমজাতীয়, যিটো অবাস্তৱ ধাৰণা। বাস্তৱিকতে শ্ৰম কেতিয়াও সমজাতীয় নহয়।
- এই তত্ত্ব সমানুপাতিক উৎপাদন বিধিৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু উৎপাদন কাৰ্য্যত উপাদানৰ নিয়োগ বৃদ্ধি পোৱাৰ লগে লগে ক্ৰমহ্ৰাসমান উৎপাদন বিধিহে কাৰ্য্যকৰী হয়।
- ৰিকাড' এ মুক্ত বাণিজ্যৰ পোষকতা কৰে। কিন্তু বাস্তৱত বাণিজ্যৰ ক্ষেত্ৰত শুল্ক, সংৰক্ষণ নীতি আদিৰ ব্যৱস্থাহে দেখা যায়।
- ৰিকাড' এ পৰিবহণ ব্যয় শূন্য বুলি ধৰি লোৱাটো এটা অবাস্তৱ ধাৰণা। পৰিবহণ ব্যয় কেতিয়াও শূন্য হ'ব নোৱাৰে।

৯.১০ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ অৰ্থনৈতিক খাজনা উৎপাদন ব্যয় নে উদ্ধৃত অংশ?

২ নং প্ৰশ্ন ঃ কেনে মজুৰিয়ে শ্ৰমিকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰে?

৩ নং প্ৰশ্ন ঃ আন্তৰ্জাতিক বাণিজ্যৰ মূল কাৰণ কি?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ অৰ্থনৈতিক তত্ত্বসমূহলৈ ৰিকাড'ৰ ৰৱঙণিৰ বিষয়ে বৰ্ণনা আগবঢ়াওক।

২ নং প্ৰশ্ন ঃ 'খাজনা পৰিশোধৰ বাবে দৰ উচ্চ নহয়, ৰৱঞ্চ দৰ উচ্চ হোৱাৰ বাবেহে খাজনা পৰিশোধ কৰা হয়।' — অলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ ৰিকাড'ৰ আন্তৰ্জাতিক বাণিজ্যৰ তত্ত্বটোৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়াওক। অনুন্নত দেশসমূহত ই কেনেদৰে প্ৰযোজ্য হয়?

*** ***** ***

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ মিলৰ সংস্থাপিত তত্ত্বৰ পুনঃ বিৱৰণ

১০.৪ জে.এছ. মিলৰ প্ৰধান অৰ্থনৈতিক ভাৱধাৰাসমূহ

১০.৪.১ মিলৰ উৎপাদন আৰু বিতৰণ বিধি

১০.৪.২ আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্য তত্ত্ব

১০.৪.৩ মূল্য বিশ্লেষণ

১০.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্ৰগতিৰ খতিয়ান

১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- জে.এছ.মিলৰ সংস্থাপিত তত্ত্বৰ পুনঃ বিৱৰণৰ মান নিৰূপন কৰিব পাৰিব
- মিলৰ উৎপাদন আৰু বিতৰণৰ বিধি বুজিব পাৰিব
- মিলৰ আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যৰ বিধি ব্যাখ্যা কৰিব পাৰিব
- মিলৰ মূল্য বিশ্লেষণ বুজিব পাৰিব।

১০.২ পৰিচয়

১৮ শতিকাৰ শেষৰ ফালে আৰু ১৯ শতিকাৰ আৰম্ভণিত সংস্থাপিত অৰ্থনীতিৰ বিকাশ ঘটিছিল আৰু কোৱা হৈছিল যে শাসনতন্ত্ৰৰ নামমাত্ৰ প্ৰভাৱত বজাৰৰ স্বাভাৱিক ক্ৰিয়া প্ৰক্ৰিয়াই সকলোৰে কাম্য আৰু উত্তম কাৰ্য্য সম্পন্ন কৰে। সংস্থাপিত ভাৱধাৰাৰ অন্যতম প্ৰখ্যাত অৰ্থনীতিবিদ জন ষ্টুৱাৰ্ট মিলৰ জন্ম ১৮০৬ চনৰ ৫ মে'ত লণ্ডনত হৈছিল। পিতৃ জেমছ মিলৰ তত্ত্বাৱধানত গৃহ শিক্ষা লৈছিল জন ষ্টুৱাৰ্ট মিলে। তিনি বছৰ বয়সতে তেওঁ গ্ৰীক ভাষা আৰু সাত বছৰ বয়সত লেটিন ভাষা আয়ত্ত কৰিছিল। তেখেতে ইষ্ট ইণ্ডিয়া কোম্পানীত সেৱা আগবঢ়াইছিল আৰু শ্ৰমজীৱী শ্ৰেণীৰ অৰ্থনৈতিক উন্নতিৰ বাবে কাম কৰিছিল। তেখেতে বিভিন্ন ক্ষেত্ৰৰ কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। সামাজিক তত্ত্ব, ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক অৰ্থনীতিত তেখেতৰ প্ৰভাৱশীল বৰঙণি আছে। তেখেত বৃটিছ সংসদৰো সদস্য আছিল। তেখেতৰ সকলো গ্ৰন্থৰ ভিতৰত 'Principles of Political Economy' শীৰ্ষক গ্ৰন্থখন অতি বিখ্যাত। মিলৰ জীৱনকালত

সংস্থাপিত ভাৱধাৰাই খ্যাতিৰ চৰম বিন্দুত উপনীত হৈছিল আৰু এই ভাৱধাৰাৰ পতনো সেই সময়তে হৈছিল। এই অধ্যায়টিত আমি অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসত মিলৰ অৱদানসমূহ আলোচনা কৰিম।

১০.৩ মিলৰ সংস্থাপিত তত্ত্বৰ পুনঃ বিৱৰণ

মিলে কেইবাটাও সংস্থাপিত ধাৰণাৰ পুনৰ বর্ণনা কৰিছে। সামান্য সালসলনি কৰি তেখেতে কিছুমান বিধি পুনৰ লিখিছিল; এই বিধিবিলাক হৈছে ব্যক্তিবাদৰ বিধি, যোগান আৰু চাহিদা বিধি, মজুৰি বিধি, খাজনা বিধি আৰু আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যৰ বিধি। এই সকলোৰে ভিতৰত মিলে সকলোতকৈ দৰকাৰী সালসলনি কৰিছিল বেনথাম্‌ৰ উপযোগিতাবাদ (Utilitarianism)তত্ত্ব। উপযোগিতাবাদৰ ধাৰণাটো জেমেৰী বেন্‌থামে প্ৰৱর্ত্তন কৰিছিল। জে.এছ.মিলে উপযোগিতাবাদী দর্শনৰ মূল ধাৰণাটো গ্ৰহণ কৰিছিল। তেখেতসকলৰ মতে কোনো কার্য্যৰ পৰা লাভ কৰা সুখ বা আনন্দৰ মাধ্যমত সেই কার্য্যক পৰিমাপ কৰিব লাগে। উপযোগিতাবাদী দর্শনে কৈছে যে আমাৰ কার্য্যবিলাক যদি শুদ্ধ হয় তেন্তে সেই কার্য্যবিলাকে "আটাইতকৈ বেছি সংখ্যক সুখ প্ৰদান কৰিব পাৰে"।

উপযোগিতাবাদৰ তিনিটা অংশ হৈছে -

- কেৱল ফলাফলটোহে আৱশ্যক
- আনন্দ বা সুখ সর্বাধিক হ'ব লাগে
- উপযোগিতাবাদ স্বার্থপৰতা নহয়। প্ৰত্যেক ব্যক্তিয়ে নিৰপেক্ষভাৱে গণনা কৰে।

মিলে এই নীতিটো পাছত সালসলনি কৰিছিল। সকলো সন্তুষ্টি বা আনন্দক সংখ্যাগত পার্থক্যৰে জোখমাখ কৰি গুণাত্মক পার্থক্যক অৱজ্ঞা কৰাৰ বাবে তেখেতে বেনথামক সমালোচনা কৰিছিল। বেনথামে এটা উদাহৰণ দিছিল যে যদি এখন খেলে এখন উপন্যাসতকৈ বেছি সন্তুষ্টি বা আনন্দ দিয়ে, তেন্তে খেলখন উপন্যাসখনতকৈ ভাল। অন্যহাতে, মিলে যুক্তি দর্শাইছিল যে একেধৰণৰ সুখ বা আনন্দ গুনাত্মকভাৱে আন এটাতকৈ ভাল হ'ব পাৰে। তেখেতে কৈছিল যে মানুহে সেইবিলাক অভাৱ পূৰণ কৰিব লাগে যিবিলাকে সকলোতকৈ বেছি সন্তুষ্টি দিয়ে। ৰাজনৈতিক অর্থনীতিৰ মৌলিক বিধিৰ ক্ষেত্ৰত মিলে সংস্থাপিত ৰাজনৈতিক অর্থনীতিক সমর্থন কৰিছিল।

১০.৪ জে.এছ. মিলৰ প্ৰধান অর্থনৈতিক ভাৱধাৰাসমূহ

এই শাখাটোত আমি জে.এছ. মিলৰ প্ৰধান অর্থনৈতিক ভাৱধাৰাসমূহ আলোচনা কৰিম তলত দিয়া ধৰণে-

১০.৪.১ মিলৰ উৎপাদন আৰু বিতৰণ বিধি-

মিলে উৎপাদন বিধি আৰু বিতৰণ বিধিৰ মাজৰ পার্থক্যক চিনাক্ত কৰিছিল। তেখেতৰ মতে উৎপাদন বিধিবিলাক নিশ্চিত আৰু নির্দিষ্ট, মানুহৰ কার্য্যৰদ্বাৰা এইবিলাক পৰিবর্ত্তন

কৰিব নোৱাৰি। আনহাতে বিতৰণ বিধিত মানুহৰ কার্য্যই পৰিবর্ত্তন কৰিব পাৰে।

- **উৎপাদন ঃ** মিলৰমতে শ্রম আৰু প্রাকৃতিক দ্রব্যবিলাক উৎপাদনৰ দুটা দৰকাৰী এজেন্ট। শ্রম শাৰীৰিক বা মানসিক হ'ব পাৰে। যিবিলাক বস্তু অনায়াসে পাব পাৰি বা স্বতঃস্ফূতভাৱে উৎপন্ন হয়, সেইবিলাক প্রাকৃতিক বস্তু। বস্তুক গতি দিবৰ বাবে শ্রমক সদায় নিয়োগ ক'ৰা হ'ব। শ্রম আৰু প্রকৃতিয়ে একেলগে বস্তু উৎপাদন কৰে। মিলে দৃঢ়ভাৱে কৈছিল যে শ্রমৰ নিয়োগে "মানৱ সম্পদ" সৃষ্টি কৰিব পাৰে। তেখেতে কৈছিল যে সেৱাৰ ৰূপত সৃষ্ট উপযোগিতাক 'এক স্বীকৃত দৃষ্টান্তৰ বাহিৰে সম্পদ বুলি ক'ব নোৱাৰি'।

  শ্রম আৰু প্রাকৃতিক এজেন্টৰ বাহিৰেও মিলে উৎপাদনৰ উপাদান হিচাপে মূলধনৰ গুৰুত্বক গণ্য কৰিছিল। তেখেতে কৈছিল যে মূলধনৰ সংগ্রহে উৎপাদনৰ হাৰ বৃদ্ধি কৰিব যিটো পুনৰ অৱক্ষয়ৰ পৰিমাণ বৃদ্ধিৰ লগে লগে হ্রাস পাব, কেৱল চলিত আয়ৰ পৰা সঞ্চয় কৰিহে ইয়াৰ মোকাবিলা কৰিব পৰা যায়।

- **বিতৰণঃ** বিতৰণৰ তত্ত্বত মিল কম বেছি পৰিমাণে ৰিকার্ডোৰ সৈতে একমত আছিল। মিলৰমতে মাটিৰ মালিক, পুঁজিপতি আৰু শ্রমিক - এই তিনি শ্রেণীৰ মানুহেৰে সমাজ গঠিত। এই তিনি শ্রেণীয়ে মুঠ উৎপাদন তেওঁলোকৰ মাজত ভগাই লয়। মাটিৰ মালিকে খাজনা হিচাপে নিজৰ অংশ পায়, মূলধনৰ গৰাকী বা পুঁজিপতিয়ে লাভ হিচাপে আৰু শ্রমিকে মজুৰি হিচাপে নিজৰ অংশ পায়। এতিয়া আমি এই তিনি শ্রেণীৰ মানুহৰ কি নীতিত প্রত্যেকৰে অংশসমূহ নির্ধাৰণ কৰা হয় সেই বিষয়ে আলোচনা কৰিম।

  - **মজুৰিঃ** মিলে নিৰীক্ষণ কৰিছিল যে মজুৰি, ঘাইকৈ শ্রমৰ চাহিদা আৰু যোগানৰ ওপৰত নির্ভৰ কৰে, যাক মজুৰি পুঁজিৰ দ্বাৰা নিয়ন্ত্রিত কৰা হয়। চাহিদা মূলধনৰ দ্বাৰা প্রভাৱিত হয় আৰু যোগান জনসংখ্যাৰ ওপৰত নির্ভৰ কৰে। সেয়েহে মজুৰিৰ পৰিমাণ বাঢ়িবনে কমিব সেইটো নির্ভৰ কৰে মূলধনৰ পৰিমাণ জনসংখ্যাতকৈ বেছি দ্রুতগতিৰে বৃদ্ধি পাইছেনে, জনসংখ্যা মূলধনৰ পৰিমানতকৈ বেছি দ্রুতগতিৰে বৃদ্ধি পাইছে তাৰ ওপৰত। নিয়োগ কৰা শ্রমিকৰ সংখ্যা হ্রাস কৰি অথবা মূলধন গঠনৰ পৰিমাণ বৃদ্ধি কৰি শ্রমিকৰ মজুৰিৰ হাৰ বৃদ্ধি কৰিব পাৰি। এটা প্রৱন্ধত মিলে আঙুলিয়াই দিছিল যে শ্রমিক সংঘৰ (Trade union) কার্য্যৰ জৰিয়তে মজুৰিৰ পৰিমাণ অতি সুন্দৰকৈ বৃদ্ধি কৰিব পৰা যায়।

    মিলৰ মজুৰিৰ ধাৰণা ৰিকাড'ৰ মজুৰি তত্ত্বতকৈ পৃথক নাছিল। কিন্তু ৰিকাড' এ তেওঁৰ তত্ত্বত আঙুলিয়াই দিছে যে দীর্ঘসময়ত জনসংখ্যা ক্রমবর্দ্ধমান হাৰত বৃদ্ধি পাব। ই মজুৰিৰ হাৰ জীৱন নির্বাহৰ স্তৰতকৈ কমাই দিব আৰু শ্রমিকৰ জীৱন ধাৰণৰ অৱস্থা উন্নত হোৱাৰ আশা নাইকীয়া কৰিব। কিন্তু

মিলে বিশ্বাস কৰে যে শিক্ষাৰ সুবিধাই জনসংখ্যাৰ পৰিমাণ হ্ৰাস কৰিব আৰু মজুৰিৰ হাৰ বৃদ্ধি পাব আৰু ইয়াৰ ফলস্বৰূপে, শ্ৰমিকৰ জীৱন ধাৰণৰ মানদণ্ডৰ উন্নতি হ'ব। মিলে মজুৰিৰ নিম্ন হাৰ হ্ৰাস কৰিবলৈ কেইবাটাও প্ৰতিকাৰী ব্যৱস্থা গ্ৰহণৰ উপায়, যেনে, নূন্যতম মজুৰি স্থিৰ কৰা, শ্ৰমিক সংঘৰ গঠন আদি আগবঢ়াইছিল, কিন্তু এই উপায়সমূহে কাম নকৰিলে। মিলৰমতে বৰ্দ্ধিত জনসংখ্যা কমোৱাৰ একমাত্ৰ উপায় হৈছে সঠিক শিক্ষা প্ৰদান কৰা।

- **লাভঃ** পুঁজিপতি বা মূলধনৰ গৰাকীয়ে লাভ অৰ্জন কৰে। মিলৰ মতে লাভ হৈছে মূলধনৰ গৰাকী বা পুঁজিপতিয়ে নিজা মূলধনৰ ওপৰত পোৱা এবিধ সুদ, ই পৰিচালনাৰ বাবে পোৱা এবিধ মজুৰি, ইয়াক ক্ষতিশংকা বহন কৰাৰ বাবদ পুঁজিপতিয়ে লাভ কৰা এক প্ৰিমিয়াম বুলিও ক'ব পাৰি। মিলে কৈছিল যে লাভ সুদতকৈ বেছি। শ্ৰমিকে যিমান উৎপাদন কৰে, তাতকৈ তেওঁলোকক কমকৈ দিয়াৰ ফলত লাভৰ উৎপত্তি হয়। মিলৰ মতে লাভৰ হাৰ মজুৰিৰ হাৰৰ ওপৰত নিৰ্ভৰ কৰে। যদি মজুৰিৰ হাৰ অতি কম হয়, লাভৰ হাৰ বহুত বেছি হয়। লাভৰ তত্ত্ব ব্যাখ্যা কৰোঁতে মিলে ছিনিয়ৰৰ ধাৰণা অনুসৰণ কৰিছিল। মিলে কৈছে যে লাভ সংযম বা ভোগবিৰতিৰ ফল। সংযম বা ভোগবিৰতি (abstinence) এ মূলধন সৃষ্টি কৰোঁতে কৰা ত্যাগক বুজায়। মূলধন সঞ্চয়ৰ পৰা সৃষ্টি হয় আৰু সঞ্চয় কাৰ্য্যৰ লগত ত্যাগ জড়িত থাকে। যিহেতু ই এটা কষ্টদায়ক কাৰ্য্য, সেয়েহে মূলধনৰ গৰাকীয়ে পুৰষ্কাৰ হিচাপে লাভ পায়।
- **খাজনাঃ** মিলে ৰিকাড'ৰ খাজনা তত্ত্বটো সমৰ্থন কৰিছিল। কম উৰ্বৰ মাটিতকৈ বেছি উৰ্বৰ মাটিত কৰা কৃষিকাৰ্য্যৰ পৰা পোৱা প্ৰতিদানৰ অধিক অংশই হৈছে খাজনা। খাজনা হৈছে পাৰ্থক্যজনিত ৰাহি। ৰিকাড'ৰ মতে ভূমিক তিনি ভাগত ভাগ কৰা হয়, যেনে, আটাইতকৈ বেছি উৎপাদনশীল, কম উৎপাদনশীল আৰু একেবাৰে কম উৎপাদনশীল। একেবাৰে কম উৎপাদনশীল ভূমিখিনি প্ৰান্তিক ভূমি আৰু ইয়াত খাজনাৰ উদ্ভৱ নহয় কাৰণ খাদ্যশস্যৰ দামে কেৱল ভূমিৰ উৎপাদন ব্যয়হে সাঙুৰি ল'বলৈ সক্ষম হয়। বাকী ভূমিত খাজনাৰ পৰিমাণ খাদ্য শস্যৰ উৎপাদন ব্যয়ক বাদ দি যি অৱশেষ থাকে, সেই আয়ৰ সমান হ'ব। মিলে ৰিকার্ডোৰ খাজনা তত্ত্বটোৰ সামান্য সাল-সলনি কৰিছিল। তেখেতে সংযোগ কৰিছিল যে শাসকশ্ৰেণীয়ে ভূমিত কৰ আৰোপ কৰিব নোৱাৰে আৰু দেশৰ উন্নতিৰ লগে লগে খাজনাৰ মূল্য বৃদ্ধি পাব। তেখেতে শ্ৰমিকৰ ব্যক্তিগত যোগ্যতাৰ ওপৰত গুৰুত্ব দিছিল।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ মিলৰ মতে উৎপাদনৰ প্রধান উপাদান কি ? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

২ নং প্রশ্ন ঃ মিলে কেনেদৰে দেখুৱাইছে যে উৎপাদনৰ বিধিটো বিতৰণ বিধিৰ অন্য ৰূপ ? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....


১০.৪.২ আন্তঃৰাষ্ট্রীয় বাণিজ্য তত্ত্ব

আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ ক্ষেত্রত মিলৰ এক উল্লেখনীয় সফলতা আছিল। মিলৰ আন্তঃ ৰাষ্ট্রীয় মূল্যৰ বিধিটো "আন্তঃ ৰাষ্ট্রীয় চাহিদাৰ সমীকৰণ" হিচাপে বেছি জনাজাত। মিলে মুকলিকৈ ৰিকাড'ৰ তত্ত্বটো সমালোচনা কৰিছিল আৰু তুলনামূলক ব্যয় সুবিধাৰ তত্ত্বটোৰ উন্নতি সাধন কৰিছিল আৰু অভিযোগ কৰিছিল যে ৰিকাড' এ এটা দ্রব্যৰ আন এটা দ্রব্যৰ সৈতে বিনিময় কি হাৰত হ'ব সেইবিষয়ে মনোযোগ দিয়া নাছিল। ৰিকাড'ৰ তুলনামূলক ব্যয় তত্ত্বই দেখুৱাইছে যে দেশসমূহে বহিঃসীমা নির্দ্ধাৰণ কৰে যি সীমাৰ ভিতৰত আন্তঃৰাষ্ট্রীয় বাণিজ্য সংঘটিত হয়। কিন্তু মিলৰ আন্তঃৰাষ্ট্রীয় বাণিজ্য তত্ত্বই প্রকৃততে এই সীমাৰ ক'ত আন্তঃৰাষ্ট্রীয় বাণিজ্য সম্পন্ন হয় তাক দেখুৱাইছে। মিলৰমতে চাহিদাৰ স্তৰ আৰু তীব্রতা - এই দুয়োটাই বাণিজ্যৰ চর্ত নির্দ্ধাৰণৰ বাবে প্রয়োজনীয় আৰু সাম্য বাণিজ্যৰ চর্ত "পাৰস্পৰিক বা প্রতিক্রম চাহিদা" ৰ সমীকৰণৰদ্বাৰা নির্দ্ধাৰণ হয়। এখন দেশৰ এটা দ্রব্যৰ (আন দেশৰ) প্রতি চাহিদা আনটো দ্রব্যৰ, (যাক বিনিময় হিচাপে ত্যাগ কৰিবলৈ দেশখন ৰাজী হ'ব) পৰিমাণৰ তুলনাত কিমান হয় তাক দেখুৱাবলৈ প্রতিক্রম চাহিদা ব্যৱহাৰ কৰা হয়। প্রতিক্রম বা পাৰস্পৰিক চাহিদা ৰেখাডালক প্রদান ৰেখা (Offer curve) বুলিও কোৱা হয়। প্রত্যেক দেশৰ দ্রব্যটোৰ প্রতি চাহিদাৰপৰা প্রদান ৰেখা নির্দ্ধাৰণ কৰা হয়। এই তত্ত্বৰ অনন্য (unique) উল্লেখনীয় দিশটো হৈছে মিলে দুয়োখন দেশতে এক নির্দিষ্ট শ্রম কিন্তু দ্রব্যৰ বিভিন্ন পৰিমাণ ধৰিছিল। এই কথাটোৱে এই তত্ত্বক ৰিকাড'ৰ তত্ত্বৰ পৰা পৃথক কৰিছে। এই তত্ত্বটোৰ অভিধাৰণাসমূহঃ

- ২×২×১ আৰ্হি অর্থাৎ দুখন দেশ, দুটা দ্রব্য আৰু উৎপাদনৰ দুটা উপাদান।
- সমাহাৰ প্রতিদান বিধি প্রযোজ্য।
- দুয়ো দেশৰ মাজত বাণিজ্য তুলনামূলক ব্যয়ৰ দ্বাৰা পৰিচালিত হয়।

- দুয়ো দেশৰ চাহিদাৰ প্ৰকৃতি একে।
- বজাৰত পূৰ্ণ প্ৰতিযোগিতা বাহাল থাকে।
- মুক্ত বাণিজ্য থাকে আৰু দেশ দুখনে অবাধ নীতি (Laissez-faire) অনুসৰণ কৰে।
- দুয়োদেশতে পূৰ্ণ নিয়োগ অৱস্থা থাকে।
- পৰিবহন ব্যয়ৰ অনুপস্থিতি।

প্ৰদান ৰেখাৰ সহায়ত মিলৰ তত্ত্বটো ব্যাখ্যা কৰিব পাৰি। প্ৰদান ৰেখা যিমানেই স্থিতিস্থাপক হ'ব, সিমানেই বাণিজ্যৰ বিনিময় হাৰ অনুকূল হ'ব। এখন দেশে কৰা দ্ৰব্যৰ ৰপ্তানিৰ সৈতে সেই দেশৰ আমদানিৰ অনুপাত হৈছে বাণিজ্যৰ বিনিময় হাৰ। আমদানিৰ পৰিমাণ ৰপ্তানিতকৈ কম হ'লে দেশখনৰ বাবে বাণিজ্য অনুকূল হ'ব আৰু ৰপ্তানি আমদানিতকৈ বেছি হ'লে ইয়াৰ বিপৰীত হ'ব। প্ৰদান ৰেখাৰ জৰিয়তে ভাৰসাম্য বিনিময় হাৰ আৰু বিনিময় হাৰত উন্নতিৰ প্ৰভাৱ দেখুৱাব পাৰি।




চিত্ৰ-১০.১

চিত্ৰ-১০.১ ত দেখা গৈছে যে A দেশে B দেশৰ প্ৰদান ৰেখাক প্ৰথমে C বিন্দুত কাটিছে। C ভাৰসাম্য বিন্দু। যদি A দেশৰ Y দ্ৰব্যৰ প্ৰতি চাহিদা বৃদ্ধি পায়, তেন্তে A দেশে Y দ্ৰব্য বেছিকৈ আমদানি কৰিবলৈ ইচ্ছা কৰিব। এই ক্ষেত্ৰত A দেশৰ প্ৰদান ৰেখা A বিন্দুৰ পৰা A_1 বিন্দুলৈ স্থানান্তৰ হ'ব। ভাৰসাম্য বিন্দু C ৰপৰা C_1 লৈ যাব। ইয়াত প্ৰদান ৰেখা বেছি স্থিতিস্থাপক। এই অৱস্থাত বাণিজ্যৰ পৰিমাণ বৃদ্ধি পাব, কিন্তু বিনিময় হাৰ প্ৰতিকূল হ'ব। এতিয়া, যদি A দেশৰ চাহিদা Y দ্ৰব্যৰ প্ৰতি হ্ৰাস পায়, A দেশে Y

দ্ৰব্য কম পৰিমাণে আমদানি কৰিব। এই ক্ষেত্ৰত প্ৰদান ৰেখা A বিন্দুৰ পাৰ A_2 লৈ স্থানান্তৰ হ'ব। ইয়াত প্ৰদান ৰেখা কম স্থিতিস্থাপক হ'ব। ভাৰসাম্য বিন্দু C ৰ পৰা C_3 লৈ যাব। বাণিজ্যৰ পৰিমাণ কমিব কিন্তু, বাণিজ্যৰ বিনিময় হাৰ অনুকূল হ'ব।

এতিয়া আমি B দেশৰ প্ৰদান ৰেখাৰ সহায়ত অৱস্থাটো আলোচনা কৰিম।



চিত্ৰ-১০.২

আৰম্ভণিতে, Aদেশ আৰু Bদেশৰ প্ৰদান ৰেখাই C বিন্দুত কটাকটি কৰিছে যাক ভাৰসাম্য বিন্দু বুলি জনা যায়। যদি B দেশৰ X দ্ৰব্যৰ প্ৰতি চাহিদা বৃদ্ধি পায়, তেন্তে B দেশে X দ্ৰব্য বেছি পৰিমাণে আমদানি কৰিব বিচাৰিব। এই অৱস্থাত, B দেশৰ প্ৰদান ৰেখা B বিন্দুৰ পৰা B_2 বিন্দুলৈ যাব। ইয়াত প্ৰদান ৰেখা বেছি স্থিতিস্থাপক। এই অৱস্থাত বাণিজ্যৰ পৰিমাণ বৃদ্ধি পাব, কিন্তু বাণিজ্যৰ বিনিময় হাৰ প্ৰতিকূল হ'ব। এইদৰে আমি ক'ব পাৰো যে যদি এখন দেশ বৃহৎ হয় আৰু আনখন দেশ সৰু হয়, তেন্তে বাণিজ্যৰ পৰা সৰু দেশখনৰ লাভ হয়।



অগ্ৰগতি নিৰীক্ষণ

৩ নং প্ৰশ্ন ঃ উৎপাদন ব্যয় হ্ৰাসৰ সুবিধা কি? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

৪ নং প্ৰশ্ন ঃ মিলৰ আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্বটো তুলনামূলক ব্যয় তত্ত্বতকৈ কেনেকৈ পৃথক? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

১০.৪.৩ মূল্য বিশ্লেষণ

মিলে মূল্যক ৰাজনৈতিক অর্থনীতিৰ এক দৰকাৰী বিষয় বুলি গণ্য কৰিছিল। মিলে দেখুৱাইছে যে এখন সমাজত "য'ত উদ্যোগিক পদ্ধতিটো সম্পূর্ণৰূপে ক্রয়-বিক্রয়ৰ ওপৰত ভিত্তি কৰি চলে, প্রত্যেক ব্যক্তিয়ে বেছিভাগ ক্ষেত্রতে যিবিলাক দ্রব্যৰ উৎপাদনত নিজে এক অংশ লয়, সেইবিলাক দ্রব্যৰ ক্ষেত্রত মনোনিবেশ নকৰে, কিন্তু সেইবিলাক দ্রব্যৰ ক্ষেত্রত মনোনিবেশ কৰে যিবিলাক দ্বৈত বিনিময়ৰ জৰিয়তে পায়- এটা হ'ল বিক্রী কার্য্য যাক ক্রয় কার্য্যই অনুসৰণ কৰে - আৰু সেয়েহে মূল্যৰ প্রশ্নটো মৌলিক হৈ পৰে।" মূল্যৰ দুটা ব্যৱহাৰ আছে যেনে বিনিময় মূল্য আৰু ব্যৱহাৰিক মূল্য। এটা দ্রব্যৰ মূল্য তেতিয়াহে থাকিব যেতিয়া ইয়াৰ মানুহৰ অভাৱ পূৰণ কৰি সন্তুষ্টি দিয়াৰ ক্ষমতা থাকে। মিলে বিনিময় মূল্যক ক্রমহ্রাসমান প্রান্তিক উপযোগিতাৰ সৈতে সম্পর্কিত কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু তেওঁ ইয়াৰ ভিত্তি বা ভেটি বিশ্লেষণ কৰাত ব্যর্থ হৈছিল। মিলে দ্রব্যসমূহক তিনিটা ভাগত ভাগ কৰিছে-

- সেইবিলাক দ্রব্য যিবিলাকৰ যোগান সম্পূর্ণৰূপে অস্থিতিস্থাপক। এই ক্ষেত্রত দ্রব্যটোৰ বজাৰ মূল্যই দ্রব্যটোৰ চাহিদা নির্দ্ধাৰণ কৰে। ইয়াত যিহেতু দ্রব্যটোৰ যোগান স্থিৰ থাকে, গতিকে চাহিদাৰ মোকাবিলা কৰিবলৈ দৰৰ পৰিৱর্ত্তন প্রয়োজনীয়।
- সেইবিলাক দ্রব্য যিবিলাকৰ যোগান সম্পূর্ণৰূপে স্থিতিস্থাপক। এই ক্ষেত্রত কেৱল বর্দ্ধিত ব্যয়তহে যোগান বৃদ্ধি কৰিব পাৰি বুলি মিলে কৈছে। মিলে যদিও এই প্রকাৰ দ্রব্যৰ দৰ নির্দ্ধাৰণ বাখ্যা কৰা নাছিল, এইটো স্পষ্ট যে কেৱল উৎপাদন ব্যয় বাঢ়িলেহে যোগান বৃদ্ধি কৰিব পাৰি আৰু বর্দ্ধিত উৎপাদন ব্যয়ে দ্রব্যৰ দৰ বৃদ্ধি কৰিব। এইদৰে যোগান বৃদ্ধি সম্ভৱ যেতিয়া দ্রব্যৰ দৰ বৃদ্ধি পায়।
- সেইবিলাক দ্রব্য যিবিলাকৰ যোগান আপেক্ষিকভাৱে স্থিতি স্থাপক, এই প্রকাৰৰ দ্রব্যত মিলে সময়ৰ উপাদানক সাঙুৰিছে। তেখেতে হ্রস্বকাল আৰু দীর্ঘকালত মূল্য নির্দ্ধাৰণৰ পার্থক্য বিচাৰ কৰিছে। মিলৰমতে হ্রস্বকালত দ্রব্যৰ যোগন আৰু চাহিদাই এক নির্দিষ্ট সময়ত দ্রব্যটোৰ দৰ নির্দ্ধাৰণ কৰে। কিন্তু দীর্ঘকালত দ্রব্যৰ চাহিদা আৰু যোগানৰ উপৰিও আন কিছুমান কাৰকে দ্রব্যৰ দৰক প্রভাৱিত কৰে। দ্রব্যৰ দৰ দ্রব্যটোৰ উৎপাদন ব্যয়ৰ কম হ'ব নোৱাৰে, কিন্তু উৎপাদনকাৰীৰ মাজত হোৱা প্রতিযোগিতাই দ্রব্যৰ দাম উৎপাদন ব্যয়ৰ ওপৰতো হ'বলৈ নিদিয়ে। এইদৰে, দীর্ঘসময়ত দৰৰ ওপৰত চাহিদাৰ প্রভাৱ এটা নিষ্ক্রিয় উপাদান মাথোন।

ওপৰত আলোচনা কৰা মূল্যতত্ত্ব মুদ্রাৰ ক্ষেত্রটো প্রযোজ্য। মুদ্রাই কেৱল বিনিময়ৰ মাধ্যম হিচাপে কার্য্য কৰে। মুদ্রাৰ মূল্য দৰৰ এক বিপৰীতমুখী ফলন, অর্থাৎ যেতিয়া দৰ বৃদ্ধি হয়, মুদ্রাৰ মূল্য হ্রাস পায় আৰু দৰ হ্রাস হ'লে মুদ্রাৰ মূল্য বৃদ্ধি পায়।

হ্ৰস্বকালত মুদ্ৰাৰ যোগান আৰু চাহিদাই- মুদ্ৰাৰ মূল্য নিৰ্দ্ধাৰণ কৰে। দীৰ্ঘকালত সোণ-ৰূপৰ উৎপাদন ব্যয়ে মুদ্ৰাৰ মূল্য নিৰ্দ্ধাৰণ কৰে।

মূল্যতত্ত্বৰ ওপৰত মিলৰ বিশ্বাস তেখেতৰ এই উক্তিটোৰ পৰা নিৰ্ণয় কৰিব পাৰি, "ভাগ্যক্ৰমে বৰ্ত্তমান বা ভৱিষ্যতৰ লিখকসকলৰ মূল্যবিধিত স্পষ্ট কৰিবলৈ একো বৈ যোৱা নাই; এই বিষয়ত তত্ত্বটো সম্পূৰ্ণ হৈছে।" মিলৰ ওপৰোক্ত উক্তিটো কেৱল সংস্থাপিত পৰম্পৰাতহে সত্য।



অগ্ৰগতি নিৰীক্ষণ

৫ নং প্ৰশ্ন ঃ মিলে ব্যাখ্যা কৰা দ্ৰব্যৰ বিভিন্ন প্ৰকাৰসমূহ কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৬ নং প্ৰশ্ন ঃ মিলৰ স্থিৰ অৱস্থাৰ ওপৰত এটা টোকা লিখক। (৭০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মিলে কেইবাটাও নতুন ধাৰণা সংযোজন কৰিছিল যিবিলাক মিলৰ মৌলিক অৱদান বুলি ক'ব পাৰি। এই ধাৰণাবিলাকৰ কেইটামান হৈছে আন্তঃ ৰাষ্ট্ৰীয় বাণিজ্যত মিলৰ পাৰস্পৰিক বা প্ৰতিক্ৰম চাহিদা বিধি, মূল্যতত্ত্ব, যি যোগান আৰু চাহিদাক ফলনীয় ৰূপত প্ৰকাশ কৰে, স্থিতিস্থাপকতাক গণ্য কৰে, আৰু চাহিদা আৰু যোগানক এক সমীকৰণ হিচাপে প্ৰকাশ কৰে।
- মিলে বিতৰণ বিধি আৰু উৎপাদন বিধিৰ মাজত পাৰ্থক্য চিনাক্ত কৰিলে। মিলৰমতে উৎপাদন বিধিসমূহ নিশ্চিত আৰু নিৰ্দিষ্ট, মানুহৰ কাৰ্য্যৰ দ্বাৰা এইবিলাক পৰিবৰ্ত্তন কৰিব নোৱাৰি। কিন্তু আনহাতে বিতৰণ বিধি মানুহৰ কাৰ্য্যৰ দ্বাৰা পৰিবৰ্ত্তন কৰিব পাৰি।
- মিলে মুকলিকৈ ৰিকাড'ক সমালোচনা কৰিছিল আৰু তেখেতৰ তুলনামূলক ব্যয় সুবিধাৰ তত্ত্বটোৰ উন্নতি সাধন কৰিছিল। মিলে অভিযোগ কৰিছিল যে ৰিকাড' এ এটা দ্ৰব্যৰ আন

এটা দ্ৰব্যৰ সৈতে বিনিময় কি হাৰত হ'ব সেইবিষয়ে মনোযোগ দিয়া নাছিল।

- মূল্যৰ দুটা ব্যৱহাৰ আছে, যেনে বিনিময় মূল্য আৰু ব্যৱহাৰিক মূল্য। এটা দ্ৰব্যৰ মূল্য তেতিয়াহে থাকিব যেতিয়া ইয়াৰ মানুহৰ অভাৱ পূ�ৰণ কৰি সন্তুষ্টি দিয়াৰ ক্ষমতা থাকে। মিলে বিনিময় মূল্যক ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতাৰ সৈতে সম্পৰ্কিত কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু তেখেতে ইয়াৰ ভিত্তি বা ভেটি বিশ্লেষণত ব্যৰ্থ হৈছিল।
- মিলে সামান্য সালসলনি কৰি কিছুমান বিধি পুনৰ লিখিছিল; এই বিধিবিলাক হৈছে ব্যক্তিবাদৰ বিধি, যোগান আৰু চাহিদা বিধি, মজুৰি বিধি, খাজনা বিধি আৰু আন্তঃৰাষ্ট্ৰীয় বিধি।

১০.৬ অধিক জানিবলৈ

1) Bhatia, H.L. (2007). *History of Economic Thought.* New Delhi : Vikash Publishing House.
2) Kumarappa, J.C. (2010). *Gandhian Economic Thought.* New Delhi : SSS Prakashan.
3) Loknathan, V. (2010). *A History of Economic Thought.* New Delhi : S Chand & Company Ltd.
4) Paul R.R. (2008). *History of Economic Thought.* Ludhiana : Kalyani Publishers.

১০.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ মিলৰমতে উৎপাদন তিনিশ্ৰেণীৰ মানুহেৰে গঠিত- মাটিৰ মালিক, মূলধনৰ গৰাকী বা পুঁজিপতি আৰু শ্ৰমিক। এই তিনিশ্ৰেণী মানুহ উৎপাদৰ তিনিটা আৱশ্যক বস্তু- যথাক্ৰমে ভূমিৰ গৰাকী, মূলধনৰ মালিক আৰু শ্ৰমৰ মালিক বা শ্ৰমিক।

২ নং প্ৰশ্ন উত্তৰ ঃ মিল হ'ল প্ৰথম অৰ্থনীতিবিদ যিয়ে উৎপাদন বিধি আৰু বিতৰণ বিধিৰ পাৰ্থক্য দেখুৱাইছে। তেখেতৰ মতে উৎপাদন যথাৰ্থ বা সাকাৰত্মক অৰ্থনীতি আৰু 'কি' প্ৰশ্নটোৰ সৈতে জড়িত আৰু বিতৰণ নীতিমূলক অৰ্থনীতি; আৰু 'কি হ'ব লাগে" এই প্ৰশ্নটোৰ সৈতে জড়িত। তেখেতে বিশ্বাস কৰে যে প্ৰাকৃতিক আৰু ভৌতিক নিয়মৰদ্বাৰা উৎপাদন নিয়ন্ত্ৰিত হয়, আনহাতে বিতৰণ মানৱ-সৃষ্ট সামাজিক অনুষ্ঠানৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। দক্ষতা আৰু প্ৰযুক্তিৰ উন্নতি কৰি উৎপাদন বৃদ্ধি কৰিব পাৰি। কিন্তু বিতৰণ মানুহৰ বিভিন্ন শ্ৰেণীৰ মাজত পৃথক হ'ব।

৩ নং প্ৰশ্ন উত্তৰ ঃ জে.এছ. মিলে ব্যয় হ্ৰাসৰ সুবিধাৰ ধাৰণাটো তেখেতৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বত প্ৰথমে অন্তভূৰ্ক্ত কৰিছিল। এই ধাৰণাটোৰ মতে এখন দেশৰ উৎপাদন প্ৰযুক্তিৰ উন্নতিয়ে দেশখনৰ উৎপাদনশীলতা বৃদ্ধি কৰিব আৰু দ্ৰব্যটো আনদেশৰ উৎপাদিত দ্ৰব্যৰ তুলনাত সস্তীয়া হ'ব। ফলস্বৰূপে আনদেশৰ বাণিজ্যৰ বিনিময় হাৰ অনুকূল হ'ব।

৪ নং প্ৰশ্ন উত্তৰ ঃ মিলে ৰিকাড'ৰ তুলনামূলক ব্যয় তত্ত্বটোৰ উন্নতি সাধন কৰিছিল। মিলে তেখেতৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বত বাণিজ্যৰ সাম্য বিনিময় হাৰৰ চৰ্ত উদ্ভাৱন কৰিছিল। ৰিকার্ডোৰ তুলনামূলক ব্যয় তত্ত্বই দেখুৱাইছে যে দেশসমূহে বহিঃসীমা নিৰ্দ্ধাৰণ কৰে - যি সীমাৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সংঘটিত হয়। কিন্তু মিলৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বই প্ৰকৃততে এই সীমাৰ ক'ত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সম্পন্ন হয় তাক দেখুৱাইছে। মিলৰ তত্ত্বই এই প্ৰশ্নটোৰ উত্তৰ দিছে "এখন দেশৰ দ্ৰব্য আন দেশৰ দ্ৰব্যৰ সৈতে বিনিময় কৰোতে, সেই মূল্যত হ'য় যি মূল্যত দেশখনৰ সম্পূৰ্ণ ৰপ্তানিয়ে সম্পূৰ্ণ আমদানিক সঠিকভাৱে পৰিশোধ কৰিব পাৰে।"

৫ নং প্ৰশ্ন উত্তৰ ঃ মিলে দ্ৰব্যক তিনি ভাগত ভাগ কৰিছিল। সেইবিলাক এনেধৰণৰ-

- সম্পূৰ্ণৰূপে অস্থিতিস্থাপক যোগানৰ দ্ৰব্য।
- সম্পূৰ্ণৰূপে স্থিতিস্থাপক যোগানৰ দ্ৰব্য।
- আপেক্ষিকভাৱে স্থিতিস্থাপক যোগানৰ দ্ৰব্য।

৬ নং প্ৰশ্ন উত্তৰ ঃ মিলে ৰিকাড'ৰ তিনিটা বিধি বাখ্যা কৰিছিল- জনসংখ্যা বৃদ্ধি বিধি, মূলধন সংগ্ৰহ বিধি আৰু ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি। মিলে তেখেতৰ তত্ত্বত দেখুৱাইছে যে অৰ্থনীতিৰ উন্নতিৰ লগে লগে ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি কাৰ্য্যকৰী হয়, যাৰ ফলস্বৰূপে মজুৰি আৰু লাভ নুন্যতম স্তৰতকৈ কমাৰ প্ৰৱনতাই দেখা দিয়ে। ইয়াৰ উপৰিও, এই অৱস্থাই মূলধন সংগ্ৰহ আৰু জনসংখ্যা বৃদ্ধি বন্ধ কৰিব। এই অৱস্থাক "স্থৰিৰ অৱস্থা" বুলি আখ্যা দিয়া হৈছে। মিলৰ মতে স্থবিৰ অৱস্থা অনাকাংক্ষিত অৱস্থা নহয়। তেখেতে বিশ্বাস কৰে যে ই বিকাশ আৰু আশাৰ এটা সুখকৰ অৱস্থা। এনে অৱস্থাত সংখ্যাগত বিকাশ বন্ধ হ'ব পাৰে কিন্তু গুণগত বিকাশ উজ্জ্বল। এইদৰে, মিলৰমতে উৎপাদন আৰু সংগ্ৰহৰ স্থৰিৰ অৱস্থা মানুহৰ উন্নতিৰ এটা অৱস্থা।

১০.৮ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ জে.এছ. মিলৰ নাম কোনখন গ্ৰন্থই অৰ্থনীতিত বিখ্যাত কৰি তুলিছিল?

২ নং প্ৰশ্ন ঃ চমুটোকা লিখক-

ক) চে (Say) ৰ বিধিত মিলৰ মত।

খ) ৰাষ্ট্ৰৰ ভূমিকাত মিলৰ মত।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ উৎপাদন আৰু বিতৰণ বিধিত মিলৰ মতক সমলোচনাত্মক ভাবে ব্যাখ্যা কৰক।

২ নং প্ৰশ্ন ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বত মিলে কি উন্নতি সাধিছিল?

১ নং প্ৰশ্ন ঃ জে.এছ. মিলৰ উল্লেখযোগ্য বৰঙণিসমূহ চমুকৈ বাখ্যা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ সমাজবাদী ভাৱধাৰাৰ উত্থান

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ সমাজবাদৰ অৱলোকন

১১.৪ বিজ্ঞানসম্মত সমাজবাদ

১১.৫ মূল্য তত্ত্ব

১১.৬ অতিৰিক্ত বা ৰাহি মূল্য তত্ত্ব

১১.৭ অর্থনৈতিক বিকাশ তত্ত্ব

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৯ অধিক জানিবলৈ

১১.১০ অগ্রগতিৰ খতিয়ান

১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সমাজবাদৰ অর্থ জানিব পাৰিব
- সমাজবাদ আৰু মার্ক্সীয় সমাজবাদৰ মাজত পার্থক্য নির্ণয় কৰিব পাৰিব
- মার্ক্সে বর্ণনা কৰা মূল্যতত্ত্ব বুজিব পাৰিব
- অতিৰিক্ত বা ৰাহি মূল্যৰ অর্থ অনুধাৱন কৰি পুঁজিপতিৰ শোষণ ৰাখ্যা কৰিব পাৰিব
- মার্ক্সৰ পুঁজিপতিৰ বিকাশ তত্ত্বৰ মৌলিক ধাৰণাবোৰ বর্ণনা কৰিব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়টিত আপোনাক কার্ল মার্ক্সৰ (১৮১৮-১৮৮৩) সমাজবাদী ভাৱধাৰাৰ সৈতে পৰিচয় কৰোৱা হ'ব। মার্ক্স এজন অর্থনীতিবিদতকৈ অধিক আছিল। মার্ক্সে তেখেতৰ বিস্তৃত বিশ্লেষণত পুঁজিবাদৰ গতি বিধি ব্যাখ্যা কৰিবলৈ অর্থনীতি, সমাজশাস্ত্র, ৰাজনৈতিক তত্ত্ব, ইতিহাস আৰু দর্শনক একেলগে সন্নিবিষ্ট কৰিছিল। জি. মেয়েৰ আৰু আৰ. বল্ডউইনৰ মতে, "মার্ক্সৰ অনুগামীসকলে মার্ক্সীয় ভাৱধাৰাক গভীৰ ধর্মীয় অনুভূতিৰ দৰে আকোঁৱগোজকৈ সমর্থন কৰিছে।"। যোচেফ শ্বুমপিটাৰৰ মতে, "গোড়া মার্ক্সবাদীৰ বাবে মার্ক্সবাদৰ বিৰুদ্ধাচৰণ কেৱল মাত্র ভূলেই নহয়, এক পাপ"। কার্ল মার্ক্সে তেখেতৰ গ্রন্থ 'Das Kapital' ৰ জৰিয়তে আগবঢ়োৱা বৰঙণিৰ বাবে কেইবাটাও প্রজন্মৰ সমাজবাদী চিন্তাধাৰাৰ অবির্তকিত নেতা হৈ আছে। তেওঁৰ এই গ্রন্থখনক বিজ্ঞানসম্মত সমাজবাদৰ বাইবেল বুলি আখ্যা দিয়া হৈছিল। তেখেতে ঐতিহাসিক

বস্তুবাদী বিশ্লেষণৰ পদ্ধতি অনুসৰণ কৰিছিল, যি পদ্ধতিয়ে অৰ্থনীতিক ভিত্তি হিচাপে আৰু মানুহৰ জীৱনৰ অন্যান্য দিশবোৰক অধিৰচনা (Superstructure) বুলি গণ্য কৰিছিল। তেখেতৰ শ্ৰেণী সংঘৰ্ষ, পুঁজিবাদীৰ শোষণ, ইতিহাসৰ বিৱৰণৰ ধাৰণাবোৰ বৈপ্লৱিক বিশ্বজনীন সমাজবাদৰ অপৰিহাৰ্য্য আধাৰ।

এই অধ্যায়টোত আপোনালোকক সমাজবাদৰ ধাৰণাৰ সৈতে পৰিচিত কৰোৱা হ'ব। অধ্যায়টোত সমাজবাদ আৰু মাৰ্ক্সীয় বিজ্ঞানসন্মত সমাজবাদৰ মাজত পাৰ্থক্য নিৰূপণ কৰিবলৈও চেষ্টা কৰা হ'ব। ইয়াৰ বাহিৰেও, মাৰ্ক্সৰ বিখ্যাত মূল্য তত্ত্ব, অতিৰিক্ত মূল্য তত্ত্ব, অৰ্থনৈতিক বিকাশ তত্ত্বৰ বিষয়ে এই অধ্যায়ত আলোচনা আগবঢ়োৱা হ'ব।

১১.৩ সমাজবাদৰ অৱলোকন

অৰ্থনৈতিক ভাৱাদৰ্শ হিচাপে সমাজবাদৰ কোনো বিশ্বজনীন আৰ্হি নাই। ইয়াক বিভিন্ন লিখকে বিভিন্ন ধৰণে বৰ্ণনা কৰিছে। জৰ্জ ডেল্টনৰ ভাষাত "সমাজবাদে লিখনী, ধাৰণা, বিশ্বাস আৰু মতবাদক বুজায় আৰু ই ক্ষমতাত থকা সমাজবাদীসকলে যুগুতোৱা নীতি আৰু বাস্তৱ পৃথিৱীৰ ৰাজনৈতিক আন্দোলনক সূচায়।"

এইস. চি. ডিকিনসনৰ মতে, সমাজবাদ সমাজৰ এক অৰ্থনৈতিক অনুষ্ঠান য'ত উৎপাদনৰ বস্তুগত উপায়বিলাকৰ মালিকীস্বত্বত সমগ্ৰ সম্প্ৰদায়ৰ অধিকাৰ থাকে আৰু এইবিলাকৰ পৰিচালনা সাধাৰণ অৰ্থনৈতিক পৰিকল্পনা অনুসৰি সম্প্ৰদায়ৰ প্ৰতি দায়বদ্ধতা থকা প্ৰতিনিধিয়ে কৰে। সম্প্ৰদায়ৰ সকলো সদস্যই সম অধিকাৰৰ ভিত্তিত এনে সমাজবাদী পৰিকল্পিত উৎপাদনৰ পৰিণামবোৰৰ পৰা পোৱা সুবিধাৰ অধিকাৰী হয়।

পি. এম. চুইজীৰ মতে, "প্ৰাথমিক অৰ্থত সমাজবাদ এক সম্পূৰ্ণ সামাজিক পদ্ধতি যি পুঁজিবাদৰ পৰা উৎপাদনৰ উপায়সমূহৰ ব্যক্তিগত মালিকীস্বত্বৰ অনুপস্থিতিৰ উপৰিও মৌলিক গঠন আৰু কাৰ্য্যৰ আৰ্হিতো পৃথক হয়।"

আমি যদি ওপৰোক্ত সংজ্ঞাবোৰ আলোচনা কৰো, সমাজবাদৰ কিছুমান সাধাৰণ বৈশিষ্ট্য আহৰণ হয় যিবিলাকে বৰ্তমান সময়ৰ সমাজবাদী দৰ্শনকো চিহ্নিত কৰে। এই বৈশিষ্ট্যবিলাক হৈছে-

- সমাজবাদে এক সমমাত্ৰিক সমাজক গুৰুত্ব দিয়ে য'ত প্ৰত্যেকে সমান সুযোগ-সুবিধা উপভোগ কৰে। ৰাষ্ট্ৰৰ নিৰীক্ষণ আৰু নিৰন্তৰ সূক্ষ্ম বিচাৰত এখন শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা কৰাই সমাজবাদৰ মূল্য লক্ষ্য।
- সমাজবাদত উৎপাদনৰ উপায়বিলাকৰ ব্যক্তিগত মালিকীস্বত্ব নাথাকে, বৰঞ্চ সন্মিলিত ৰূপত সামগ্ৰিকভাৱে সমাজখনে মালিকীস্বত্ব পায়।
- সমাজবাদী উৎপাদন প্ৰক্ৰিয়াত অৰ্থনৈতিক কাৰ্য্যবোৰ ব্যক্তিগত কল্যাণৰ (লাভৰ উদ্দেশ্যৰ) বাবে নহৈ সামাজিক কল্যাণৰ বাবে পৰিচালিত হয়।

- উৎপাদনৰ উপায়সমূহ ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্রিত হোৱাৰ হেতু সচেতন নিয়ন্ত্রণৰ অর্থে কেন্দ্রীয় অর্থনৈতিক পৰিকল্পনাৰ প্রয়োজনীয়তা থাকে।
- সমাজবাদে, ইয়াৰ প্রাথমিক অর্থমতে, প্রতিযোগিতাক সহযোগিতা আৰু পাৰস্পৰিক সদিচ্চাৰ দ্বাৰা বদলি কৰে।

সেয়ে, সাধাৰণ অর্থত সমাজবাদ এক অর্থনৈতিক মতাদর্শ যি এক সমমাত্রিক সমাজ প্রতিষ্ঠাৰ চেষ্টা কৰে, য'ত সহযোগিতা প্রতিযোগিতাৰ বিকল্প হয় আৰু উৎপাদনৰ বস্তুবাদী উপায়বিলাকত সমগ্র সম্প্রদায়ৰ মালিকীস্বত্ব থাকে, কেন্দ্রীয় অর্থনৈতিক পৰিকল্পনাৰ দ্বাৰা এইবিলাক নিয়ন্ত্রিত হয় আৰু সর্বাধিক সামাজিক কল্যাণৰ বাবে এই উপায়সমূহ ব্যৱহৃত হয়।

১১.৪ বিজ্ঞানসম্মত সমাজবাদ

কার্ল মার্ক্সৰ বিশ্লেষণৰ পৰা আহৰণ কৰা সমাজবাদৰ ধাৰণাক বিজ্ঞানসম্মত সমাজবাদ বুলি বর্ণনা কৰা হৈছে আৰু তেখেতৰ অৱদানমূলক 'Das Kapital' (১৮৬৭)ক বিজ্ঞানসম্মত সমাজবাদৰ বাইবেল হিচাপে চিহ্নিত কৰা হৈছিল। "বিজ্ঞানসম্মত" শব্দটো মার্ক্সীয় সমাজবাদক আগৰ সমাজবাদী তত্ত্বপৰা, যাক কাল্পনিক (Utopian) বুলি জনা যায়, পৃথক কৰিবলৈ ব্যৱহাৰ কৰা হৈছে। মার্ক্সৰ সমাজবাদ কর্তৃপক্ষৰ দ্বাৰা আৰোপিত এক পদ্ধতি নহয়, বৰঞ্চ পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ অনিবার্য্য পতনৰ পৰা উদ্ভৱ হোৱা এক স্বয়ংক্রিয় পৰিণাম। মার্ক্সে কৈছে যে সামাজিক ৰূপান্তৰত (পৰিৱর্তনত) পুঁজিবাদৰ, যি সামন্তবাদৰ স্থান অধিকাৰ কৰে, বিকাশ হয়, শ্রীবৃদ্ধি ঘটে আৰু পতনৰ দিশে আগবাঢ়ি অৱশেষত সর্বনাশ হয় য'ৰপৰা এটা নতুন পদ্ধতিৰ উত্থান ঘটে যাক "বিজ্ঞানসম্মত সমাজবাদ" বুলি কোৱা হৈছে। মার্ক্সৰমতে পুঁজিবাদৰ নিজস্ব পদ্ধতিতে ইয়াৰ পতনৰ বীজ সোমাই থাকে আৰু এই পদ্ধতিৰ সংঘাতে পদ্ধতিটোৰ অনিবার্য পতন আনে আৰু এটা নতুন পদ্ধতিৰ জন্ম হয় য'ত শ্রমজীৱিসকলে তেওঁলোকৰ বাবে উৎপাদন কৰে। সামাজিক বৈপ্লৱিক পৰিৱর্তনৰ জৰিয়তে সমাজবাদৰ এক উত্তম সামাজিক ব্যৱস্থাৰ বাবে হোৱা পুঁজিবাদী উৎপাদন পদ্ধতিৰ এই অনিবার্য পৰিণামেই "বিজ্ঞানসম্মত সমাজবাদ"।

হেগেলিয়ান দর্শন "বুদ্ধিমত্তাৰ পৰিৱর্তে শাৰীৰিক শ্রমক" প্রাধান্য দি মার্ক্সে হেগেলৰ দন্দ্বমূলক ন্যায় দর্শন (dialectic) ক বস্তুবাদী আধাৰেৰে বিচাৰ কৰিছিল আৰু সামাজিক বিৱর্তনক বস্তুবাদী আৰু অর্থনৈতিক শক্তিসমূহৰ বিষয় বুলি অভিহিত কৰিছিল। তেখেতৰ "দন্দ্বমূলক বস্তুবাদত" মার্ক্সে সমাজত পৰিবর্ত্তন কেনেদৰে হয় বাখ্যা কৰিছিল। তেখেতৰ মতে পৰিৱর্তন বিকাশৰ বাদে আন একো নহয় আৰু বিকাশ বিভিন্ন স্তৰত হয় আৰু প্রতিটো স্তৰ আগৰ স্তৰতকৈ উচ্চ হয়। আৰম্ভণিৰ অৱস্থাক "থেছিছ" (Thesis) বুলিকোৱা হয়, ইয়াৰ বিপৰীতটোক "এন্টিথেছিছ"(Antithesis) আৰু নতুনকৈ উত্থান হোৱা স্তৰক "চিন্থেছিছ" (Synthesis) বুলি কোৱা হয়। প্রক্রিয়াটো কিন্তু ইয়াতেই শেষ নহয়, ই আৰু অধিক পৰিৱর্তনৰ দিশে যায় যিহেতু পৰিৱর্তন এক অবিৰত প্রক্রিয়া। মার্ক্সৰমতে কোনো ধাৰণা, অনুষ্ঠান বা পৰিৱেশ স্থিৰ

নহয় আৰু প্ৰত্যেকেই নিজৰ মাজত পৰিৱৰ্তনৰ বীজ ৰাখে। এইদৰে, পুঁজিবাদে সমান্তবাদক নাইকিয়া কৰিলে আৰু সমাজবাদে পুঁজিবাদৰ স্থান ল'ব পাৰিলে। যেনেদৰে পুঁজিবাদ সামাজিক ব্যৱস্থাৰ ঐতিহাসিক পৰিৱৰ্তন, ঠিক একেদৰে সমাজবাদ ঐতিহাসিক বিকাশৰ প্ৰয়োজনীয় উৎপাদক।

ইতিহাসৰ বস্তুবাদী বিশ্লেষণ কৰোঁতে মাৰ্ক্সে "আধুনিক সমাজৰ গতিৰ অৰ্থনৈতিক বিধি" প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। তেখেতৰ মতে ভৌতিক জীৱনত উৎপাদনৰ পদ্ধতিয়ে জীৱনৰ সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক প্ৰক্ৰিয়াৰ সাধাৰণ চৰিত্ৰ নিৰ্ধাৰণ কৰে। তেখেতৰ মতে "সকলো বুৰঞ্জীয়েই শ্ৰেণী সংগ্ৰামৰ বুৰঞ্জী।" প্ৰাচীনকালত গৰাকী আৰু দাসৰ মাজত, সামন্তযুগত সামন্তপ্ৰভূ আৰু গোলামৰ মাজত সংগ্ৰাম আছিল আৰু পুঁজিবাদত পুঁজিবাদী আৰু শ্ৰমিকৰ মাজত সংগ্ৰাম আছে। মাৰ্ক্সৰ মতে, পুঁজিবাদী ব্যৱস্থাই অত্যাধিক উৎপন্ন কৰিবলৈ বিচাৰে। উৎপাদনৰ প্ৰতি এই তাড়ণাক মাৰ্ক্সে পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ সামাজিক চৰিত্ৰ বুলি অভিহিত কৰিছে। কিন্তু মাৰ্ক্সে এইটোও নিৰীক্ষণ কৰিছিল যে সমাজত, যি সমাজ পুঁজিবাদী আৰু শ্ৰমিকৰ মাজত বিভাজিত হয়, শ্ৰমিক শ্ৰেণীয়ে তেওঁলোকৰ ক্ৰয় ক্ষমতা উৎপাদনৰ পুঁজিবাদী প্ৰক্ৰিয়াৰ পৰা আহৰণ কৰে। শ্ৰমিক শ্ৰেণীয়ে জীৱনধাৰণাযোগী মজুৰি লাভ কৰে যিয়ে তেওঁলোকক পৰ্য্যাপ্ত ক্ৰয়ক্ষমতা নিদিয়ে। এইদৰে পুঁজিবাদীয়ে অত্যাধিক উৎপন্ন কৰিবলৈ আৰু বিক্ৰী কৰিবলৈ ইচ্ছা কৰিলেও শ্ৰমিক শ্ৰেণীৰ সাধাৰণ দৰিদ্ৰতাৰ বাবে তেনে কৰিব নোৱাৰে। পুঁজিবাদী ব্যৱস্থাৰ এইটোৱেই বৈপৰীত্য আৰু এই ব্যৱস্থাৰ পতনৰ বীজো এইটোৱেই। পুঁজিবাদী ব্যৱস্থাৰ এই ভিতৰুৱা বৈপৰীত্যই অৱশেষত ইয়াৰ সৰ্বনাশ মাতি আনে।

পুঁজিবাদী উৎপাদন পদ্ধতিৰ মাৰ্ক্সীয় বিশ্লেষণ আৰু ইয়াৰ ভিতৰুৱা বৈপৰীত্যৰ বাবে হোৱা এই ব্যৱস্থাৰ অনিবাৰ্য পতনে এক নতুন উৎপাদন সম্পৰ্কৰ জন্ম দিয়ে য'ত শ্ৰমিক শ্ৰেণীয়ে উৎপাদনৰ বস্তুগত উপায়বিলাকৰ দ্বাৰা ৰাষ্ট্ৰৰ মালিকীস্বত্বত নিজৰ বাবে উৎপন্ন কৰে। সমাজৰ এই পৰিৱৰ্তিত ক্ৰম, যাক বিজ্ঞানসন্মত সমাজব্যৱস্থা বুলি ক'ব পাৰি, ই এক পৰিৱৰ্তিত পৰ্য্যায়, চূড়ান্ত লক্ষ্য সাম্যবাদ - সকলো সমাজবাদীৰ স্বৰ্গ য'ত ৰাষ্ট্ৰই নিজে আঁতৰি দিয়ে। কিন্তু মাৰ্ক্সৰ সমালোচকসকলে তেওঁৰ পুঁজিবাদী ব্যৱস্থাৰ অনিবাৰ্য্য পতনৰ যুক্তিগত বিশ্লেষণত আৰু বিজ্ঞানসন্মত সমাজবাদ উত্থানত অতি বেছি সৰলতা পাইছে।



চিন্তা চৰ্চা কৰক ১

পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ ভিতৰুৱা বৈপৰীত্যবোৰ চিনাক্ত কৰক।

.....

.....



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ তলত উল্লেখিত বাক্যকেইটা শুদ্ধনে অশুদ্ধ বিচাৰ কৰক-

ক) কার্ল মার্ক্সৰ মতে সকলো ইতিহাসেই শ্রেণী সংগ্রামৰ ইতিহাস নহয়। (শুদ্ধ/অশুদ্ধ)
খ) পুঁজিবাদী উৎপাদন ব্যৱস্থাত শ্রমিক শ্রেণীয়ে জীৱনধাৰণোপযোগী মজুৰি লাভ কৰে যি তেওঁলোকক পর্য্যাপ্ত ক্রয়ক্ষমতা প্রদান কৰে। (শুদ্ধ/অশুদ্ধ)

২ নং প্রশ্ন ঃ সমাজবাদৰ সাধাৰণ বৈশিষ্ট্যবোৰ উল্লেখ কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

৩ নং প্রশ্ন ঃ বিজ্ঞানসম্মত সমাজবাদৰ অর্থ লিখক। (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

১১.৫ মূল্য তত্ত্ব

মার্ক্সীয় বিশ্লেষণত শ্রম সকলো মূল্যৰ উৎস আৰু পুঁজিবাদী উৎপাদন ব্যৱস্থাত দ্রব্যই কেন্দ্রীয় বিষয়। মার্ক্সে তেখেতৰ মূল্যতত্ত্ব দ্রব্যৰ বিশ্লেষণৰ আৰম্ভ কৰিছে। মার্ক্সৰ মতে, এটা দ্রব্যৰ উপযোগিতা থাকিবই লাগিব, ই মানুহৰ শ্রমৰ উৎপন্ন দ্রব্য। দ্রব্যটো বজাৰত বিক্রী কৰাৰ একমাত্র একমাত্র উদ্দেশ্যৰে উৎপাদিত হয়। ৰিকাড'ৰ দৰে মার্ক্সেও এই মত পোষণ কৰিছিল যে ভূমি, দ্রব্য, পানী, গছ আদি প্রকৃতিৰ দানবিলাকক দ্রব্য বুলি গণ্য কৰিব নোৱাৰি কাৰণ এইবিলাক মানুহৰ শ্রমৰ উৎপন্ন দ্রব্য নহয়। মার্ক্সৰমতে সজুঁলি আৰু কেচাঁ-সামগ্রীয়ে মূল্য সৃষ্টি নকৰে, এইবিলাকে কেৱল নিজৰ মূল্য দ্রব্যলৈ স্থানান্তৰ কৰে।

দ্রব্য হ'বৰ বাবে বস্তুৰ দ্বৈত চৰিত্র থাকিব লাগিব যেনেঃ- ব্যৱহাৰিক মূল্য আৰু বিনিময় মূল্য। ব্যৱহাৰিক মূল্যই ইয়াৰ বস্তুগত গুণক বুজায় আৰু মানুহৰ অভাৱ পূৰণৰ সন্তুষ্টিৰ সৈতে ই জড়িত। অন্যহাতে, বিনিময় মূল্যই দ্রব্যটোৰ সামাজিক ব্যৱহাৰিক মূল্যক বুজায় (অর্থাৎ দ্রব্যটোৰ গৰাকীৰ প্রতি ব্যৱহাৰিক মূল্য নহৈ আনৰ বাবে হয়)। সামাজিক শ্রমৰ এক অংশ দ্রব্য এটাত খৰছ কৰাৰ বাবে দ্রব্যটোৰ বিনিময় মূল্যৰ সৃষ্টি হয়। দ্রব্যৰ ব্যৱহাৰিক মূল্যই বিনিময় মূল্য নির্ধাৰণ নকৰে। ই এইটো অর্থ কৰে যে এটা দ্রব্যৰ বিনিময় মূল্যৰ অবিহনেও ব্যৱহাৰিক মূল্য থাকিব পাৰে। কিন্তু বিনিময় মূল্যই ব্যৱহাৰিক মূল্যক নির্ধাৰণ কৰে কাৰণ দ্রব্যৰ বিনিময় মূল্য মানুহৰ বির্মূত্ত শ্রমৰ এক অংশ। দ্রব্যটো উৎপাদন কৰোঁতে লগা শ্রমৰ সময়ৰ হিচাপত ইয়াক পৰিমাপ কৰা হ'য়। উদাহৰণস্বৰূপে 'x' দ্রব্যটো উৎপাদন কৰিবলৈ যদি ২ ঘন্টাৰ শ্রম প্রয়োজন হয় আৰু 'y' দ্রব্যটো উৎপাদন কৰিবলৈ যদি ৪ ঘন্টাৰ শ্রমৰ প্রয়োজন হয়, তেন্তে আমি ক'ব পাৰো যে 'y' দ্রব্যটোৰ 'x' দ্রব্যতকৈ দুগুণ মূল্য আছে। এইখিনিতে এইটো মন কৰিবলগীয়া যে মার্ক্স বিনিময়

মূল্য পৰিমাপ কৰোঁতে কেৱল সামাজিকভৱে প্ৰয়োজনীয় শ্ৰমৰ সময়কহে গণ্য কৰিছিল। মাৰ্ক্সৰ মতে, "ভুলপথে চালিত শ্ৰমক শ্ৰম বুলি গণ্য কৰিব নোৱাৰি।"উৎপাদনৰ স্বাভাৱিক অৱস্থাত কৰ্মৰত শ্ৰমিকৰ সাধাৰণ গড় দক্ষ শ্ৰমক, যি শ্ৰমৰ দ্বাৰা উৎপাদিত দ্ৰব্যৰ বজাৰ চাহিদা থাকে, সামাজিকভৱে প্ৰয়োজনীয় শ্ৰম বুলি গণ্য কৰা হয়।

মূল্যতত্ত্বৰ সমালোচনাঃ

- সমালোচকসকলে নিৰীক্ষণ কৰিছিল যে এখন মুক্ত বজাৰ অৰ্থনীতিত দ্ৰব্যৰ বিনিময় মূল্য চাহিদা আৰু যোগানৰ শক্তিসমূহৰ দ্বাৰা নিৰ্ধাৰিত হয়, মানুহৰ বিমূৰ্ত্ত শ্ৰমৰ দ্বাৰা নহয়।
- বাস্তৱিকতে প্ৰকৃতিৰ দানসমূহৰ বিনিময় মূল্য আছে য'ত শ্ৰমে কোনো ভূমিকা নলয়, সেয়ে মাৰ্ক্সৰ দৰে প্ৰকৃতিৰ দানসমূহক গণ্য নকৰাকৈ বিনিময় মূল্য পৰিমাপ কৰাটো পৰ্য্যাপ্ত নহয়।
- মাৰ্ক্সে ধাৰণা কৰাৰ দৰে উৎপাদন ব্যয়ত কেৱল মজুৰি নাথাকে। প্ৰয়োজনীয় আন যিকোনো বস্তু ইয়াত থাকিব পাৰে যাৰ দৰ আছে।
- মূল্যৰ আধুনিক তত্ত্বৰ দুটা ভাগ আছে - বিষয়গত বা আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ। সেয়ে মূল্যায়ন প্ৰক্ৰিয়াৰ আত্মনিষ্ঠ অংশ সম্পৰ্কে মাৰ্ক্সৰ নিন্দাত এক মৌলিক ভুল আছে।

১১.৬ অতিৰিক্ত বা ৰাহি মূল্য তত্ত্ব

পুঁজিবাদী শোষণৰ মাৰ্ক্সীয় বিশ্লেষণত অতিৰিক্ত মূল্য তত্ত্বই মূখ্য স্থান অধিকাৰ কৰিছে। মাৰ্ক্সে তেখেতৰ অতিৰিক্ত মূল্য তত্ত্বত এহাতে শ্ৰমিক শ্ৰেণীৰ ওপৰত হোৱা পুঁজিবাদী শোষণৰ ব্যাখ্যা কৰিছে আৰু অন্যহাতে মূলধনৰ আহৰণ আৰু পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ সংকটক বৰ্ণনা কৰিছে। পি. এন চুইজীয়ে মত পোষণ কৰিছে যে জনসংখ্যাৰ এটা অংশক আন অংশই কৰা শোষণৰ তথ্য বা ঘটনা পুঁজিবাদীৰ ক্ষেত্ৰত ইয়াৰ বিশেষত্ব নহয়, বৰঞ্চ এই শোষণে অনুমান কৰি লোৱা ৰূপটো অৰ্থাৎ, অতিৰিক্ত / ৰাহি মূল্যৰ সৃষ্টিহে ইয়াৰ বিশেষত্ব।

মাৰ্ক্সীয় বিশ্লেষণত শ্ৰম সকলো মূল্যৰ চূড়ান্ত উৎস। মাৰ্ক্সৰ মতে, সঁজুলি আৰু কেঁচাসামগ্ৰীয়ে মূল্য সৃষ্টি নকৰে, এই বিলাকে কেৱল নিজৰ মূল্য দ্ৰব্যলৈ স্থানান্তৰ কৰে। শ্ৰম শক্তিৰ এক অনন্য বৈশিষ্ট্য হৈছে শ্ৰমে নিজৰ বাবে প্ৰয়োজনীয় মূল্যতকৈ অধিক মূল্য সৃষ্টি কৰিব পাৰে। পুঁজিবাদী উৎপাদন ব্যৱস্থাত কেৱল দ্ৰব্য উৎপাদনয়েই নকৰে, ইয়াত অপৰিহাৰ্যভাৱে অতিৰিক্ত মূল্যও সৃষ্টি কৰা হয়। শ্ৰমিকে নিজৰ বাবে উৎপাদন নকৰে, বৰঞ্চ পুঁজিবাদীৰ বাবে উৎপাদন কৰে আৰু শ্ৰমিকে কেৱল উৎপাদন কৰাতো পৰ্য্যাপ্ত নহয়, তেওঁ অতিৰিক্ত / ৰাহি মূল্যও সৃষ্টি কৰিব লাগিব।

পুঁজিবাদী উৎপাদন ব্যৱস্থাত শ্ৰম শক্তি এটা দ্ৰব্য (অৰ্থাৎ, শ্ৰমক দ্ৰব্যৰ দৰে বেচা-কিনা কৰা হয়) আৰু ইয়াৰ এক মূল্য থাকিবই লাগিব। শ্ৰমিকসকলক নূন্যতম জীৱনধাৰণোপযোগী স্তৰলৈকে ভৰণ-পোষণ দিয়াৰ নিমিত্তে প্ৰয়োজন হোৱা দ্ৰব্য আৰু সেৱাৰ মূল্যই শ্ৰম শক্তিৰ মূল্য নিৰ্ধাৰণ কৰে। মাৰ্ক্সে শ্ৰমক দুটা ভাগত বিভক্ত কৰিছে - প্ৰয়োজনীয় শ্ৰম আৰু অতিৰিক্ত বা ৰাহি শ্ৰম। কোনো এটা উদ্যোগত এজন শ্ৰমিকে যদি ১২ ঘন্টা কাম কৰে, তেওঁৰ শ্ৰমৰ বিনিময় মূল্য

১২ ঘণ্টাৰ শ্ৰমৰ সমান হ'ব, কিন্তু তেওঁ যদি ৮ ঘণ্টাৰ শ্ৰমৰ সমানহে মজুৰি লাভ কৰে, তেন্তে এই শ্ৰম প্ৰয়োজনীয় শ্ৰম আৰু বাকী ৪ ঘণ্টাৰ শ্ৰমক অতিৰিক্ত শ্ৰম বুলি গণ্য কৰা হৈছে। এই ৰাহি শ্ৰমে অতিৰিক্ত বা ৰাহি মূল্যৰ সৃষ্টি কৰে যি মূল্য পুঁজিবাদীৰ হাতলৈ যায়। এইদৰে, অতিৰিক্ত মূল্য হৈছে শ্ৰমিকৰ সৃষ্টি আৰু তেওঁলোকে লাভ কৰা মজুৰিৰ পাৰ্থক্য। মাৰ্ক্সৰ মতে, এই অতিৰিক্ত মূল্য পুঁজিবাদী শোষণৰ ভিত্তি হৈ পৰে।

সহজ দ্ৰব্য উৎপাদন ব্যৱস্থাত উৎপাদন কাৰীয়ে বজাৰত তেওঁলোকৰ দ্ৰব্যবোৰ আন কিছুমান প্ৰয়োজনীয় দ্ৰবা ক্ৰয় কৰিবৰ বাবে বিক্ৰী কৰে। উৎপাদন কাৰীয়ে দ্ৰব্যবোৰ বিক্ৰী কৰি ধনলৈ পৰিৱৰ্তন কৰে, যাক পুনৰ আন কিছুমান দ্ৰব্যলৈ পৰিৱৰ্তিত কৰে। সহজ দ্ৰব্য উৎপাদন পদ্ধতিত হোৱা এই সম্পৰ্কক এনেদৰে প্ৰকাশ পাৰি

$$C \rightarrow M \rightarrow C$$

পুঁজিবাদী উৎপাদন পদ্ধতিত এই প্ৰক্ৰিয়াটো অৱশ্যে সলনি হয়। দ্ৰব্য ক্ৰয়ৰ জৰিয়তে পুঁজিবাদীয়ে প্ৰথমে ধনেৰে আৰম্ভ কৰে, এই দ্ৰব্যবোৰ আন দ্ৰব্যলৈ ৰূপান্তৰিত কৰি পুনৰ ধন আহৰণৰ বাবে বিক্ৰী কৰা হয়। এইদৰে ধন প্ৰথম আৰু শেষতো আহে। ইয়াক এনেদৰে লিখিব পাৰি।

$$M \rightarrow C \rightarrow M'$$

এই বিনিময় সম্পৰ্কটো পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ মূল আৰু পুঁজিবাদৰ অতি দৰকাৰী বৈশিষ্ট্য। M আৰু M' ৰ পাৰ্থক্যই হৈছে ৰাহি বা অতিৰিক্ত মূল্য আৰু এই পাৰ্থক্যৰ পৰিমাণেই হৈছে পুঁজিবাদীৰ আয়। মাৰ্ক্সীয় ব্যৱস্থাত মুঠ মূল্য তিনিটা উপাদানেৰে গঠিত। প্ৰথমে, দ্ৰব্য আৰু সেৱাৰ উৎপাদনত প্ৰয়োজন হোৱা মূলধন আৰু কেঁচা সামগ্ৰীৰ মূল্যক অন্তৰ্ভুক্ত কৰা হয়। মাৰ্ক্সে এই মূল্যক স্থিৰ মূলধন (C) বুলি কৈছে। দ্বিতীয়তে, উৎপাদিত দ্ৰব্যৰ মুঠ মূল্য যি মূল্যই দ্ৰব্য আৰু সেৱাৰ উৎপাদনত ব্যৱহৃত হোৱা শ্ৰম শক্তিৰ মূল্যক চামিল কৰে। মাৰ্ক্সে এই মূল্যক পৰিৱৰ্তনীয় মূলধন (V) বুলি অভিহিত কৰিছে। তৃতীয়তে, শ্ৰমিক সকলে তেওঁলোকৰ শ্ৰম শক্তিৰ মূল্যতকৈ যি অতিৰিক্ত মূল্য সৃষ্টি কৰে সেই মূল্যৰ পৰিমাণ যাক মাৰ্ক্সে অতিৰিক্ত মূল্য (S) বুলি বৰ্ণনা কৰিছে। এইদৰে, মুঠ উৎপন্ন দ্ৰব্যৰ মূল্যক (W) তলত দিয়া ধৰণে দেখুৱাব পাৰি,

$$W = C+V+S$$

অতিৰিক্ত মূল্য (S) আৰু পৰিৱৰ্তনীয় মূলধনৰ (V) অনুপাতটো অতিৰিক্ত মূল্যৰ হাৰ (S') অৰ্থাৎ, অতিৰিক্ত মূল্যৰ হাৰেই পুঁজিবাদীৰ দ্বাৰা হোৱা শোষণৰ হাৰ আৰু ইয়াক তলত দিয়া ধৰণে জুখিব পাৰি

$$S^1 = \frac{S}{V} \quad \text{--------(১)}$$

মুঠ মূলধনৰ বিপৰীতে পৰিমাপ কৰা অতিৰিক্ত মূল্যক লাভৰ হাৰ (p) বুলি কোৱা হয়। পুঁজিবাদী অৰ্থনীতিত লাভৰ হাৰ (p) এনেদৰে জোখা হয় ঃ

$$p = \frac{S}{C+V} \quad \text{---------(২)}$$

স্থিৰ মূলধন আৰু পৰিৱৰ্তনীয় মূলধনৰ মাজৰ সম্পৰ্কক মাৰ্ক্সে মূলধনৰ জৈৱিক গঠন বুলি বৰ্ণনা কৰিছে যাক q ৰে চিহ্নিত কৰা হয় আৰু তলত দিয়া ধৰণে দেখুওৱা হৈছে ঃ

$$q = \frac{c}{c+v} \quad \text{----------(৩)}$$

এতিয়া,

$$p = \frac{s}{c+v}$$
$$= \frac{sv}{v(v+v)}$$
$$= \frac{sc+sv-sc}{v(c+v)}$$
$$= \frac{s(c+v)-sc}{v(c+v)}$$
$$= \frac{s(c+v)}{v(c+v)} - \frac{sc}{v(c+v)}$$
$$= \frac{s}{v} - \frac{s}{v}\left(\frac{s}{c+v}\right)$$
$$= s' - s'(q)$$
$$p = s'(1-q)$$

এই সমীকৰণটোৱে দেখুৱাইছে যে লাভৰ হাৰ অতিৰিক্ত মূল্যৰ সৈতে একে দিশত আৰু মূলধনৰ জৈৱিক গঠনৰ সৈতে বিপৰীত দিশত গতি কৰে। পুঁজিবাদীসকলে অধিক লাভৰ আশাত মূলধনৰ সংগ্রহ কৰে, কিন্তু অৱশেষত বৰ্দ্ধিত মূলধনৰ সংগ্রহে লাভৰ ক্রমহ্রাসমান হাৰলৈ গতি কৰায়। মাৰ্ক্সৰ মতে যিহেতু পুঁজিবাদী উৎপাদনৰ লক্ষ্য লাভৰ হাৰ বৃদ্ধি, গতিকে এই হাৰৰ নিম্নগামিতাই নতুন স্বতন্ত্র মূলধন গঠনত বাধা প্রদান কৰে আৰু এইদৰে পুঁজিবাদী উৎপাদন প্রক্রিয়াৰ প্রতি এক ভাবুকি হিচাপে আৰ্ৱিভাৱ হয়। লাভৰ হাৰৰ নিম্নগামী প্রৱণতা মাৰ্ক্সীয় গতিশীলতাৰ গুৰুত্বপূর্ণ শক্তিসমূহৰ এটা।



অগ্রগতি নিৰীক্ষণ

৪নং প্রশ্ন ঃ শুদ্ধ/অশুদ্ধ বিচাৰ কৰক ঃ

ক) মাৰ্ক্সৰ মতে, সঁজুলি আৰু কেঁচা সামগ্রীয়ে মূল্যৰ সৃষ্টি নকৰে, এইবিলাকে কেৱল নিজৰ মূল্যক দ্রব্যলৈ স্থানান্তৰ কৰে। (শুদ্ধ/অশুদ্ধ)

খ) স্থিৰ আৰু পৰিৱৰ্তনীয় মূলধনৰ মাজৰ পার্থক্যক মাৰ্ক্সে মূলধনৰ জৈৱিক গঠন বুলি বৰ্ণনা কৰিছে। (শুদ্ধ/অশুদ্ধ)

৫নং প্ৰশ্ন ঃ দ্ৰব্য বুলি গণ্য কৰিবলৈ বস্তুৰ দ্বৈত বৈশিষ্ট্য থাকিব লাগে। বৈশিষ্ট্য দুটা কি কি ? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৬নং প্ৰশ্ন ঃ মাৰ্ক্সীয় পদ্ধতিত মুঠ মূল্যৰ উপাদানবোৰ উল্লেখ কৰক। (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

১১.৭ অৰ্থনৈতিক বিকাশ তত্ত্ব

কাৰ্ল মাৰ্ক্সৰ পুঁজিবাদী বিকাশ তত্ত্বটো উৎপাদনৰ পুঁজিবাদী প্ৰক্ৰিয়াৰ আটাইতকৈ তীক্ষ্ণ বোধশক্তিৰ পৰীক্ষা। মাৰ্ক্সে ইতিহাসক বস্তুগতভাৱে বৰ্ণনা কৰিছিল আৰু "আধুনিক সমাজৰ গতিৰ অৰ্থনৈতিক বিধি" প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। হানী (Haney) ৰ মতে মাৰ্ক্সে হেগেলৰ নায়দৰ্শন (dialictic) ক বস্তুবাদী আধাৰেৰে বিচাৰ কৰিছিল, আৰু সামাজিক বিৰ্ৱতনক বস্তুগত আৰু অৰ্থনৈতিক শক্তিসমূহৰ বিষয় হিচাপে বিবেচনা কৰিছিল। মাৰ্ক্সে নিৰীক্ষণ কৰিছিল যে সকলো সমাজ, অৰ্থনৈতিক আৰু সামাজিক অনুষ্ঠানৰে স্থিৰ পৰিৱৰ্তন হয়। তেখেতৰ মতে কোনো ধাৰণা, কোনো পদ্ধতিয়েই একে হৈ নাথাকে, সকলোৰে সলনি হয়। বিকাশেই পৰিৱৰ্তন আৰু পৰিৱৰ্তনেই বিকাশ, সামাজিক বিকাশৰ অন্তৰালত শ্ৰেণী সংগ্ৰাম থাকে যি সংগ্ৰাম উৎপাদনৰ ধৰণ আৰু উৎপাদনৰ সম্পৰ্কৰ সৈতে জড়িত। মাৰ্ক্সৰ মতে "সকলো ইতিহাসেই শ্ৰেণী সংগ্ৰামৰ ইতিহাস" আৰু ই এটা প্ৰক্ৰিয়া যি সামাজিক পৰিৱৰ্তনক নেতৃত্ব দিয়ে।

মাৰ্ক্সৰ পুঁজিবাদী বিকাশ তত্ত্বৰ মৌলিক ধাৰণা হৈছে যে পুঁজিবাদীয়ে শ্ৰমৰ পৰা পোৱা প্ৰতিদান সংগ্ৰহ কৰে, লাভৰ কাৰণে উৎপাদন কাৰ্য্য বৃদ্ধি কৰে আৰু পুঁজিবাদী উৎপাদনৰ চকৰিও লাভৰ বাবেই গতি লয়। মাৰ্ক্সৰ মতে পুঁজিবাদী উৎপাদন ব্যৱস্থাত পুঁজিবাদী উৎপাদনৰ উপায় সমূহৰ গৰাকী হয় আৰু শ্ৰম শক্তিক দ্ৰব্যৰ দৰে নিয়োগ কৰে। শ্ৰমিক সকলে উৎপাদন কৰে আৰু পুঁজিবাদীৰ বাবে মূল্য সৃষ্টি কৰে যাৰ পৰা তেওঁলোকে কেৱল জীৱনধাৰণোপযোগী মজুৰিহে পায়। জি. মেয়েৰ আৰু আৰ. বল্ডউইনৰ মতে, মাৰ্ক্সে সম্পূৰ্ণ স্পষ্টভাৱে বিশ্বাস কৰিছিল যে পুঁজিবাদত শ্ৰমিকৰ প্ৰকৃত মজুৰি বৃদ্ধি নহয় পৰিৱৰ্তে ,জীৱনধাৰণোপযোগী স্তৰৰ আশে-পাশে ঘূৰি থাকে। আগৰ খণ্ডবিলাকত উল্লেখ কৰাৰ দৰে মাৰ্ক্সৰ মতে দ্ৰব্য এটাৰ মূল্যত স্থিৰ মূলধন (C), পৰিৱৰ্তনীয় মূলধন (V) আৰু অতিৰিক্ত মূল্য (S) নিহিত হৈ থাকে। দ্ৰব্য এটাৰ মূঠ মূল্যক এনেদৰে প্ৰকাশ কৰিব পাৰি,

$$W = C+V+S$$

মার্ক্সে অর্থনীতি এটাৰ মুঠ উৎপন্ন দ্রব্যক দুটা বিভাগত বিভক্ত কৰিছিল - বিভাগ (১) য়ে মূলধনী দ্রব্যৰ উৎপাদন কৰে আৰু বিভাগ (২) য়ে ভোগ্য দ্রব্য উৎপাদন কৰে। প্রত্যেক বিভাগৰে মুঠ উৎপন্ন দ্রব্যক এনেদৰে দেখুৱাব পাৰি,

$$W_1 = C_1 + V_1 + S_1$$
$$W_2 = C_2 + V_1 + S_1$$

$$W = C + V + S$$

এক সৰল পুনৰ উৎপাদন প্রক্রিয়াত যিমান উৎপাদন হয়, সকলোখিনি ভোগ কৰা হয় আৰু কোনো সঞ্চয় বা অতিৰিক্ত নাথাকে। দুয়োটা বিভাগত ($C_1 + C_2$) মুঠ স্থিৰ মূলধনৰ মূল্য বিভাগ (২) ৰ মুঠ উৎপন্ন দ্রব্যৰ ($C_1 + V_1 + S_1$) সমান হ'ব লাগে অর্থাৎ,

$$C_1 + C_2 = C_1 + V_1 + S_1$$
$$C_2 = V_1 + S_1$$

ঠিক সেইদৰে, দুয়োটা বিভাগৰে মুঠ উপভোগৰ পৰিমাণ ($V_1 + S_1 + V_2 + S_2$) বিভাগ (২) ৰ মুঠ উৎপন্ন দ্রব্যৰ ($C_2 + V_2 + S_2$) সমান হ'ব লাগে অর্থাৎ

$$C_2 + V_2 + S_2 = V_1 + S_1 + V_2 + S_2$$
$$C_2 = V_1 + S_1$$

বর্ধিত পুনৰ উৎপাদন প্রক্রিয়াত, মার্ক্সে দেখুৱাইছে যে মূলধনৰ সঞ্চয় (সংগ্রহ) হয় কাৰণ বিভাগ (১) ৰ (মূলধন খণ্ড) উৎপাদন দুয়োটা বিভাগত স্থিৰ মূলধনৰ প্রতি হোৱা চাহিদাতকৈ বেছি অর্থাৎ

$$C_1 + V_1 + S_1 > C_1 + C_2$$

$$V_1 + S_1 > C_2$$

আন কথাত মূলধনৰ সংগ্রহ হৈছে যি সংগ্রহক বিভাগ (১) ত বিভাগ (২) তকৈ বেছি শ্রম নিয়োগ আৰু উৎপাদনৰ উপায়সমূহ বিনিয়োগ কৰা হৈছে।

মার্ক্সৰ মতে, অতিৰিক্ত মূল্য, যাকশ্রম শক্তিৰ দ্বাৰা সৃষ্টি কৰা হয়, মূলধন সংগ্রহৰ ৰূপত পুঁজিবাদী হাতলৈ যায় আৰু স্থিৰ মূলধনৰূপে পুঁজিবাদীয়ে ইয়াক বিনিয়োগ কৰে। পুঁজিবাদী উৎপাদন পদ্ধতি বিস্তাৰিত হয় আৰু অর্থনৈতিক উন্নতি ঘটে। মার্ক্সে স্থিৰ মূলধন আৰু পৰিৱর্ত্তনীয় মূলধন $\left(\frac{c}{v} \text{ বা } \frac{c}{c+v}\right)$ ৰ মাজত সম্পর্ক স্থাপন কৰিছিল আৰু ইয়াক "মূলধনৰ জৈৱিক গঠন" বুলি আখ্যা দিছিল। পুঁজিবাদীৰ লক্ষ্য হৈছে অতিৰিক্ত মূল্যৰ পৰিমাণ বৃদ্ধি কৰা আৰু ইয়াক শোষণৰ হাৰ বৃদ্ধি কৰি পাব পাৰি অর্থাৎ অতিৰিক্ত মূল্য আৰু পৰিৱর্তনীয় মূলধন $\left(\frac{s}{v}\right)$ ৰ অনুপাত

বৃদ্ধি কৰি ইয়াক আয়ত্ত কৰিব পাৰি। অতিৰিক্ত মূল্য সৃষ্টিৰ জৰিয়তে হোৱা সংগ্রহৰ পৰিমাণ মূলধনৰ জৈৱিক গঠনৰ পৰিৱর্তনৰ সৈতে বৃদ্ধি হয়। মূলধনৰ জৈৱিক গঠনৰ এই পৰিৱর্তনৰ বাবে "নিযুক্তিহীনৰ সংৰক্ষিত বাহিনী" ৰ সংখ্যা বঢ়াৰ প্রৱণতাই দেখা দিয়ে। আৰু নিযুক্তিহীনৰ সংৰক্ষিত বাহিনীৰ বৃদ্ধিয়ে লাভৰ হাৰ নিম্নগামী কৰে। ইয়াৰ বাহিৰেও, পুঁজিবাদীয়ে মজুৰি হ্রাস কৰি, কর্মৰ সময় বৃদ্ধি কৰি, আৰু শ্রম লাঘৱকাৰী সঁজুলি ব্যৱহাৰ কৰি শোষণৰ মাত্রা বঢ়াই দিয়ে। নিযুক্তিহীনতাৰ পৰিমাণ আৰু বৃদ্ধি পাই এই সংকট তীব্র কৰি তোলে আৰু শ্রমিক শ্রেণীয়ে তেওঁলোকৰ ক্রয়ক্ষমতা হেৰুৱাই পেলায় আৰু তেওঁলোক অধিক দৰিদ্র হৈ পৰে। এই পৰিস্থিতিত, পুঁজিবাদী উৎপাদন প্রায় বন্ধ হোৱাৰ উপক্রম হয় আৰু শ্রমিক শ্রেণী সংঘৱদ্ধ, একত্রিত আৰু শৃংখলিত হয়। তেওঁলোকে তেওঁলোকৰ দূর্দশাৰ কাৰণ চিনাক্ত কৰিব পাৰে আৰু তেওঁলোক নিজেই এটা শ্রেণী হৈ নাথাকে কিন্তু নিজৰ বাবে এটা শ্রেণী হৈ পৰে। সমাজত বিদ্রোহ হয় আৰু শোষণকাৰীক উপদ্রৱ কৰা হয়। পুঁজিবাদী ব্যৱস্থাৰ উৎখাত ঘটে আৰু "সর্বহাৰা শ্রেণীৰ একনায়কত্ববাদ" প্রতিষ্ঠা হয়। এইদৰে, মার্ক্সৰ পুঁজিবাদী বিকাশ তত্ত্বই পুঁজিবাদী ব্যৱস্থাৰ উত্থান কেনেদৰে ঘটে আৰু ইয়াৰ অনিবার্য পতন কেনেদৰে হয় তাক বর্ণনা কৰিছে। পুঁজিবাদী উৎপাদন ব্যৱস্থা আৰু ইয়াৰ অনিবার্য পতনৰ মার্ক্সীয় বিশ্লেষণে এটা নতুন উৎপাদন সম্পর্ক জন্ম দিয়ে য'ত শ্রমিক শ্রেণীয়ে উৎপাদনৰ বস্তুগত উপাদানসমূহৰ ৰাষ্ট্রৰ মালিকীস্বত্বত নিজৰ বাবে উৎপাদন কৰে।

মার্ক্সৰ বিৰোধীসকলে তলৰ কাৰণবোৰৰ বাবে পুঁজিবাদী বিকাশৰ মার্ক্সীয় তত্ত্বক অতি তীব্রভাৱে সমালোচনা কৰিছে-

- বাস্তৱ পৃথিৱীত আমি বাস্তৱিক দৰৰ সন্মুখীন হও, মূল্যৰ সৈতে নহয়। ই পুঁজিবাদৰ কার্য্যক বুজি উঠাত অসুবিধাৰ সৃষ্টি কৰে।
- মার্ক্সে শ্রমৰ মূল্য তত্ত্বত বন্দী হৈ আছে কিয়নো তেখেতে সকলো বিলাক শ্রমক সময়ৰ মাধ্যমত পৰিমাপ কৰিছিল। উৎপাদন প্রক্রিয়া চলাই নিবলৈ প্রয়োজন হোৱা ব্যয়পৰিশোধ, সুদ অথবা লাভক তেখেতে গণ্য কৰা নাছিল।
- মার্ক্সৰ বিশ্লেষণ আৰু তেখেতৰ ভৱিষ্যত বাণীসমূহ সত্য বুলি এতিয়াও প্রমাণিত হোৱা নাই। শ্রমিক শ্রেণীয়ে বর্তমান মজুৰিৰ বর্দ্ধিত স্তৱ,
- আধুনিক সময়ত স্থিৰ মূলধনক অনুৎপাদক বুলি গণ্য কৰিব নোৱাৰি পৰিৱর্তে, দ্রুত অর্থনৈতিক বৃদ্ধিৰ বাবে ই এক অত্যাৱশ্যকীয় আহিলা।
- জোৱান ৰবিন্ছনৰ মতে, "লাভৰ নিম্নগামী প্রৱণতাৰ বিষয়ে দিয়া মার্ক্সৰ বর্ণনাই প্রকৃততে একো বাখ্যা নকৰে।" তেখেতৰ মতে, প্রযুক্তিগত সংস্কাৰো মূলধন সঞ্চয়ী (capital saving) হব পাৰে আৰু ই উৎপাদনশীলতা, মজুৰি আৰু লাভ বৃদ্ধি কৰিব পাৰে বুলি মার্ক্সে অনুমান কৰাত ব্যর্থ হৈছিল।
- মার্ক্সে বিকাশৰ গতিশীল প্রক্রিয়া ব্যাখ্যা কৰিবলৈ বিচাৰিছিল যদিও তেখেতৰ বিকাশ তত্ত্ব এক স্থিতিশীল তত্ত্ব।

সমালোচনা স্বতেও মার্ক্সৰ পুঁজিবাদী বিকাশ তত্ত্বটো পুঁজিবাদীৰ বিকাশ প্রক্রিয়া আৰু পতনৰ আটাইতকৈ যুক্তিসংগত অধ্যয়নৰ মাজৰ এক। মেয়েৰ আৰু বল্ডউইনৰ মতে মার্ক্সবাদক বুজিব লাগে কাৰণ ক্টুই দুখীয়া আৰু ধনী এই দুয়ো প্রকাৰৰ দেশৰ ভৱিষ্যতক প্রত্যাহ্বান জনাই এতিয়াও ৰাজনৈতিক ধর্মীয় আৱেদন হৈ আছে।

চিন্তা চর্চা কৰক ২



অর্থনৈতিক পদ্ধতি হিচাপে পুঁজিবাদ আৰু সমাজবাদৰ পার্থক্য বিচাৰ কৰক।

.....

.....

অগ্রগতি নিৰীক্ষণ



৭ নং প্রশ্ন ঃ শুদ্ধ/ অশুদ্ধ বিচাৰ কৰক-

ক) মার্ক্সৰ মতে সকলো ইতিহাসেই শ্রেণী সংগ্রামৰ ইতিহাস আৰু ই এটা প্রক্রিয়া যি সামাজিক পৰিৱর্তনক নেতৃত্ব দিয়ে। (শুদ্ধ/ অশুদ্ধ)

খ) তেখেতৰ দন্দ্বমূলক বস্তুবাদৰ জৰিয়তে মার্ক্সে সমাজত পৰিবর্ত্তন কেনেদৰে হয় ব্যাখ্যা কৰিছিল। (শুদ্ধ/ অশুদ্ধ)

৮ নং প্রশ্ন ঃ মার্ক্সৰ বিশ্লেষণত অতিৰিক্ত বা ৰাহি মূল্য মানে কি বুজে ? (২০ টা শব্দৰ ভিতৰত লিখক)

.....

.....



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কার্ল মার্ক্সে তেখেতৰ গ্রন্থ 'Das Kapital' ৰ, যাক বিজ্ঞানসম্মত সমাজবাদৰ বাইবেল বুলি আখ্যা দিয়া হৈছিল, জৰিয়তে আগবঢ়োৱা বৰঙণিৰ বাবে কেইবাটাও প্রজন্মৰ সমাজবাদী চিন্তাধাৰাৰ অবির্তকিত নেতা হৈ আছে।
- সমাজবাদে এক অর্থনৈতিক মতাদর্শ হিচাপে এক সমমাত্রিক সমাজ প্রতিষ্ঠাৰ চেষ্টা কৰে, য'ত সহযোগিতা প্রতিযোগিতাৰ বিকল্প হয় আৰু উৎপাদনৰ বস্তুবাদী উপায়বিলাকত সমগ্র সম্প্রদায়ৰ মালিকীস্বত্ব থাকে, কেন্দ্রীয় অর্থনৈতিক পৰিকল্পনাৰ দ্বাৰা এইবিলাক নিয়ন্ত্রিত হয় আৰু সর্বাধিক সামাজিক কল্যাণৰ বাবে এই উপায়সমূহ ব্যৱহৃত হয়।
- কার্লমার্ক্সৰ বিশ্লেষণৰ পৰা আহৰণ কৰা সমাজবাদৰ ধাৰণাক বিজ্ঞানসম্মত সমাজবাদ বুলি বর্ণনা কৰা হৈছে। "বিজ্ঞানসম্মত" শব্দটো মার্ক্সীয় সমাজবাদক আগৰ সমাজবাদী তত্ত্বৰপৰা, যাক কাল্পনিক (Utopian) বুলি জনা যায়, পৃথক কৰিবলৈ ব্যৱহাৰ কৰা হৈছে।

- মার্ক্সে হেগেলৰ দন্দ্বমূলক দর্শনক (dialectic) বস্তুবাদী আধাৰেৰে বিচাৰ কৰিছিল আৰু সামাজিক বিৱর্তনক বস্তুবাদী আৰু অর্থনৈতিক শক্তিসমূহৰ বিষয় বুলি অভিহিত কৰিছিল। তেখেতৰ "দন্দ্বমূলক বস্তুবাদত" মার্ক্সে সমাজত পৰিবর্ত্তন কেনেদৰে হয় বাখ্যা কৰিছিল।
- মার্ক্সৰমতে, এটা দ্রব্যৰ উপযোগিতা থাকিবই লাগিব, ই মানুহৰ শ্রমৰ উৎপন্ন ।দ্রব্যটো বজাৰত বিক্রী কৰাৰ একমাত্র উদ্দেশ্যৰে উৎপাদিত হয়।
- মার্ক্সে তেখেতৰ অতিৰিক্ত মূল্য তত্ত্বত এহাতে শ্রমিক শ্রেণীৰ ওপৰত হোৱা পুঁজিবাদী শোষণৰ ব্যাখা কৰিছে আৰু অন্যহাতে মূলধনৰ আহৰণ আৰু পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ সংকটক বর্ণনা কৰিছে।
- মার্ক্সৰ পুঁজিবাদী বিকাশ তত্ত্বৰ মৌলিক ধাৰণা হৈছে যে পুঁজিবাদীয়ে শ্রমৰ পৰা পোৱা প্রতিদান সংগ্রহ কৰে, লাভৰ কাৰণে উৎপাদন কার্য্য বৃদ্ধি কৰে আৰু পুঁজিবাদী উৎপাদনৰ চকৰিও লাভৰ বাবেই গতি লয়। মার্ক্সৰ পুঁজিবাদী বিকাশ তত্ত্বই পুঁজিবাদী ব্যৱস্থাৰ উত্থান কেনেদৰে ঘটে আৰু ইয়াৰ অনিবার্য পতন কেনেদৰে হয় তাক বর্ণনা কৰিছে।

১১.৯ অধিক জানিবলৈ

1. Haney, L.H. (1977). *History of Economic Thought.* Delhi: Surjeet Publications.
2. Lokanathan, S. (1979). *A History of Economic Thought.* Delhi: S.Chand Publications.
3. Meier, G. and Baldwin, R. (1973). *Development: Theory, History,Policy.* Bombay: Asia Publishing House.
4. Paul, R.R. (1999). *History of Economic Thought.* New Delhi: Kalyani Publication.
5. Robinson, Joan (1949). *An Essay on Marxian Economics.* London: Macmillan and Co.
6. Schumpeter, Joseph (1947): *Capitalism, Socialism and Democracy.* Second Edition. New York: Harper and Brothers.

১১.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ ক) অশুদ্ধ খ) অশুদ্ধ

২নং প্রশ্ন উত্তৰ ঃ সমাজবাদৰ সাধাৰণ বৈশিষ্ট্যবিলাক হৈছে -

- সমাজবাদ এক অর্থনৈতিক মতাদর্শ যি এক সমমাত্রিক সমাজ প্রতিষ্ঠাৰ চেষ্টা কৰে।
- সমাজবাদত সহযোগিতা প্রতিযোগিতাৰ বিকল্প হয় ।

- সমাজবাদত উৎপাদনৰ বস্তুবাদী উপায়বিলাকত সমগ্ৰ সম্প্ৰদায়ৰ মালিকীস্বত্ব থাকে।
- কেন্দ্ৰীয় অৰ্থনৈতিক পৰিকল্পনাৰ দ্বাৰা উৎপাদনৰ উপায়বিলাক নিয়ন্ত্ৰিত হয় আৰু সৰ্বাধিক সামাজিক কল্যাণৰ বাবে এই উপায়সমূহ ব্যৱহৃত হয়।

৩ নং প্ৰশ্ন উত্তৰ ঃসামাজিক বৈপ্লৱিক পৰিৱৰ্তনৰ জৰিয়তে সমাজবাদৰ এক উত্তম সামাজিক ব্যৱস্থাৰ বাবে হোৱা পুঁজিবাদী উৎপাদন পদ্ধতিৰ এই অনিবাৰ্য পৰিণামেই "বিজ্ঞানসন্মত সমাজবাদ।"

৪ নং প্ৰশ্ন উত্তৰ ঃ ক)শুদ্ধ খ) শুদ্ধ

৫ নং প্ৰশ্ন উত্তৰ ঃ দ্ৰব্য হ'বৰ বাবে বস্তুৰ দ্বৈত চৰিত্ৰ থাকিব লাগিব যেনেঃ- ব্যৱহাৰিক মূল্য আৰু বিনিময় মূল্য। ব্যৱহাৰিক মূল্যই ইয়াৰ বস্তুগত গুণক বুজায় আৰু মানুহৰ অভাৱ পূ�ৰণৰ সন্তুষ্টিৰ সৈতে ই জড়িত। অন্যহাতে, বিনিময় মূল্যই দ্ৰব্যটোৰ সামাজিক ব্যৱহাৰিক মূল্যক বুজায় ।

৬ নং প্ৰশ্ন উত্তৰ ঃ মাৰ্ক্সীয় ব্যৱস্থাত মুঠ মূল্য তিনিটা উপাদানেৰে গঠিত - স্থিৰ মূলধন (C), পৰিৱৰ্তনীয় মূলধন (V) আৰু অতিৰিক্ত মূল্য (S)

৭ নং প্ৰশ্ন উত্তৰ ঃ ক)শুদ্ধ খ) শুদ্ধ

৮ নং প্ৰশ্ন উত্তৰ ঃ মাৰ্ক্সীয় বিশ্লেষণত অতিৰিক্ত মূল্য হৈছে উৎপাদন প্ৰক্ৰিয়াত শ্ৰমিকৰ সৃষ্টি আৰু তেওঁলোকে তেওঁলোকৰ অৱদানৰ বাবে পুঁজিপতিৰ পৰা লাভ কৰা মজুৰিৰ পাৰ্থক্য।

১১.১১ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ সমাজবাদৰ অৰ্থ ব্যাখ্যা কৰক।

২ নং প্ৰশ্ন ঃ অতিৰিক্ত মূল্যৰ ধাৰণাটো ব্যাখ্যা কৰক।

৩ নং প্ৰশ্ন ঃ সমাজবাদ আৰু বিজ্ঞানসন্মত সমাজবাদৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰক।

৪ নং প্ৰশ্ন ঃপুঁজিবাদীৰ শোষণৰ মাৰ্ক্সীয় বিশ্লেষণৰ ওপৰত এটা টোকা লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ মাক্সৰ্ব মূল্যতত্ত্ব ব্যাখ্যা কৰক।

২ নং প্ৰশ্ন ঃ মাৰ্ক্সীয় বিজ্ঞানসন্মত সমাজবাদৰ ধাৰণাটো আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ মাক্সৰ পুঁজিবাদী বিকাশ তত্ত্বৰ বিষয়ে বহলাই ব্যাখ্যা কৰক।

৪ নং প্ৰশ্ন ঃ মাক্সে"আধুনিক সমাজৰ গতিৰ অৰ্থনৈতিক বিধি" প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। উক্তিটোৰ আঁৰৰ ধাৰণাটো ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ প্রান্তীয় ভাৱধাৰা-জেভনচ্, মেনজাৰ আৰু ৱালৰাচ্

অধ্যায় গাঁথনি-

১২.১ উদ্দেশ্য

১২.১ পৰিচয়

১২.৩ প্রান্তীয় ভাৱধাৰা

১২.৪ জেভনচৰ অর্থনৈতিক ভাৱধাৰা

১২.৫ মেন্‌জাৰৰ অর্থনৈতিক ভাৱধাৰা

১২.৬ ৱালৰাচৰ অর্থনৈতিক ভাৱধাৰা

১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৮ অধিক জানিবলৈ

১২.৯ অগ্রগতিৰ খতিয়ান

১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রান্তিক বিশ্লেষণৰ ধাৰণা সম্পর্কে অবগত হ'ব পাৰিব
- প্রান্তিক ভাৱধাৰাৰ মূখ্য বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰিব পাৰিব
- প্রান্তিক ভাৱধাৰাৰ প্রতিষ্ঠাতা যেনে- জেভনচ্, মেনজাৰ আৰু ৱালৰাচ্ৰ অর্থনৈতিক অবদানবোৰৰ বিষয়ে অবগত হ'ব
- সাধাৰণ ভাৰসাম্যতাৰ ধাৰণাটো ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

১২.২ পৰিচয়

মূল্য (মান) তত্বৰ প্রান্তিক উপযোগিতাৰ বিশ্লেষণ সাধাৰণতে জেভনচ্ আৰু অষ্ট্রীয়ান ভাৱধাৰাৰ লগত জড়িত। ১৮৭১ চনটো অর্থনৈতিক ভাৱধাৰাৰ বুৰঞ্জীত এটা বিশেষ পৰিবর্তনৰ বছৰ হিচাপে চিহ্নিত হৈছিল। ই প্রান্তীয় ভাৱধাৰাৰ উত্থানৰ এক সাক্ষী। এই নতুন ভাৱধাৰাৰ গুৰুত্বপূর্ণ বৈশিষ্ট্যটো আছিল প্রান্তিক বিশ্লেষণৰ সূত্রপাত। প্রান্তীয় ভাৱধাৰাৰ প্রধান প্রতিষ্ঠাপকসকল আছিল জেভনচ্, মেনজাৰ আৰু ৱালৰাচ। এই অধ্যায়টোত আমি এই লেখকসকলৰ অবদানবোৰ অধ্যয়ন কৰিম।

জেভনচ্ৰ Theory of Political Economy (ৰাজনৈতিক অর্থনীতিৰ তত্ব) (১৮৭১) ইংলেণ্ডত, মেনজাৰৰ Principles of Economics (অর্থনীতিৰ তত্ব) (১৮৭৪) অষ্ট্রিয়াত আৰু ৱালৰাচৰ Elements of Pure Economics (বিশুদ্ধ অর্থনীতি তত্ব) (১৮৭১) লাউচেনত গা-

কৰি উঠিছিল। এই ভাৱধাৰাৰ অর্থনৈতিক বিশ্লেষণত গণিতৰ ব্যৱহাৰে অগ্রাধিকাৰ লাভ কৰিছিল আৰু নতুন অর্থনীতিত মূল্য (মান) আৰু বিতৰণৰ তত্ত্বৰোৰ পৰম্পৰাগত অর্থনীতিৰ তুলনাত যথেষ্ট বিপৰীতধর্মী হোৱা পৰিলক্ষিত হৈছিল। অধ্যায়টিত এই সকলোবোৰ সামৰি লোৱা হৈছে আৰু প্রান্তীক ভাৱধাৰাৰ বিশ্লেষণ উপস্থাপন কৰা হৈছে।

১২.৩ প্রান্তীয় বিশ্লেষণ

অর্থনীতিৰ প্রান্তীয় ভাৱধাৰাৰ ধাৰণা ডেভিড্ ৰিকাড'ৰ পুৰণি লিখনিবোৰত প্রতিফলিত হৈছিল, কিন্তু প্রকৃত অর্থত অর্থবিজ্ঞানৰ এক আর্হি হিচাপে প্রান্তিকতাবাদ, ক্রমহ্রাসমান প্রান্তিক উপযোগিতা বিধিৰ আৱিষ্কাৰৰ পিছতহে প্রচলিত হৈছিল আৰু এই বিধিটো প্রান্তিকতাবাদৰ মূল ভিত্তি হিচাপে থিয় হৈছিল। এক নতুন অর্থনৈতিক বিশ্লেষণ হিচাপে প্রান্তীয় ভাৱধাৰাৰ ধাৰণাটো জেভনচ্, মেন্জাৰ, ৱয়েজাৰ, ৱালৰাচ্, গছেন আৰু ক্লার্কে অর্থনৈতিক বিশ্লেষণৰ মজিয়ালৈ কঢ়িয়াই আনিছিল। প্রান্তীয় ভাৱধাৰাই বিশ্বাস কৰে যে প্রান্তিক সা-সৰঞ্জাম ব্যৱহাৰ কৰি কোনো এটা অর্থনৈতিক আচৰণক স্পষ্ট আৰু সঠিকভাৱে সর্বোচ্চকৰণ কৰি তোলা সম্ভৱ।

প্রান্তিক উপযোগিতাৰ ধাৰণাটো অর্থনৈতিক বিশ্লেষণৰ এটা আহিলা হিচাপে বিবেচিত হয় আৰু এই ধাৰণা জেভনচ্ আৰু অষ্ট্রিয়ান ভাৱধাৰাৰ লেখকসকলৰ দ্বাৰা বিকশিত কৰা হয়। একেদৰে, ইংলেণ্ডৰ গছেনেও, তেওঁৰ যুগান্তকাৰী ক্রমহ্রাসমান প্রান্তিক উপযোগিতা বিধিৰ বাবে অর্থনৈতিক ভাৱধাৰাৰ বুৰঞ্জীত স্মৰণীয় হৈ ৰ'ব। গছেনে কৈছিল যে যেতিয়া এজন উপভোক্তাই বিভিন্ন সামগ্রী ক্রয় কৰে, তেওঁৰ সন্তুষ্টি সর্বোচ্চ কৰিবলৈ ক্রয় কৰা দ্রব্যবোৰৰ প্রান্তিক উপযোগিতাবোৰ সমান কৰিবলৈ প্রয়াস কৰে। গছেনৰ লিখনিসমূহৰ পৰা অনুপ্রাণিত হৈ জেভন্চে প্রান্তিক বিশ্লেষণৰ ভিত্তিত মান বা মূল্যৰ এটা বিস্তৃত তত্ত্ব আগবঢ়োৱাৰচেষ্টা কৰিছিল। তেওঁ এটা দ্রব্যৰ সর্বশেষ এককটোৰ পৰা 'উপযোগিতাৰ চূড়ান্ত পর্য্যায়'ৰ ধাৰণাটো বিকাশ কৰে আৰু সম মান কৰে। প্রান্তীয় নীতিৰ বিশ্লেষণক ভিত্তি কৰি জেভনচে অনুভৱ কৰিব পাৰিছিল যে প্রত্যেকটো কামতে অলপ ব্যর্থতা থাকে আৰু মৃদু পৰিমাণে আনন্দও থাকে। এই ধাৰণাকে অনুসৰণ কৰি এজন আমেৰিকান প্রান্তিকতাবাদী জে. বি. ক্লার্কে 'মূল্যৰ প্রান্তিক উপযোগিতা তত্ত্ব'ৰ সৃষ্টি কৰিছিল, যি প্রান্তীয় ভাৱধাৰাৰ সম্পদ হিচাপে বিবেচিত হৈ আছে।

প্রান্তীয় ভাৱধাৰাই কোনো এটা অর্থনৈতিক সমস্যাৰ সর্বাধিক আচৰণৰ পৰিপ্রেক্ষিতত এটা গুৰুত্বপূর্ণ হাতিয়াৰ প্রদানৰ জৰিয়তে, অর্থনীতিৰ আধুনিক ভাৱধাৰাৰ ওপৰত সিহঁতৰ উত্তৰাধিকাৰ এৰি যায়। আধুনিক অর্থনৈতিক ভাৱধাৰাই আনকি বাৱহাৰিক অর্থনীতিৰ জটিল সমস্যাবোৰৰ সমাধানত প্রান্তিক আহিলাবোৰ ব্যৱহাৰ কৰিছে। নব্য-সংস্থাপিত অর্থনীতিবিধ আলফ্রেড মার্ছেলেও তেওঁৰ উপভোক্তাৰ আচৰণ তত্ত্ব আৰু মূল্য তত্ত্বৰ এই প্রান্তিক আহিলাবোৰ যথেষ্ট পৰিমাণে প্রয়োগ কৰিছিল, যদিও বর্তমান সময়ত প্রান্তীয় ভাৱধাৰাই বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন সমালোচনাৰ সন্মুখীন হৈছে। এই প্রত্যাহ্বানবোৰৰ ভিতৰত এটা উল্লেখনীয় হৈছে 'হল' আৰু 'হিটচ্'ৰ দৰে লেখকসকলৰ পৰা অহা প্রত্যাহ্বান, যিসকলে প্রায়োগিক দিশত প্রান্তীয়

- প্রা

ভাৱধাৰাৰ সমালোচনা কৰিছে। তেওঁলোকে কৈছে যে এটা পণ্যৰ মূল্য প্রান্তিক বিক্রী আয় আৰু প্রান্তিক ব্যয়ৰ আধাৰত নির্ধাৰণ কৰা নহয়, বৰঞ্চু সিহঁতৰ সম্পূর্ণ গড় ব্যয়ৰ ওপৰতহে কৰা হয়।

১২.৪ জেভনচ্ৰ অর্থনৈতিক ভাৱধাৰা

উইলিয়াম ষ্টেন্লি জেভনচে ১৮৩৫ চনত ইংলেণ্ডৰ লিভাৰপুলত জন্ম গ্রহণ কৰিছিল। তেখেত এজন চিন্তাশীল, আত্মানুসন্ধানী আৰু কৌতুহলী মনৰ ব্যক্তি আছিল। তেওঁ লণ্ডনৰ ইউনিভাৰছিটি কলেজ স্কুল আৰু ইউনিভাৰছিটি কলেজত পঢ়াশুনা কৰিছিল আৰু ১৮৪৫ চনত অষ্ট্রেলিয়াৰ চিডনীত টকা গঢ়া টাকশালত পৰীক্ষক হিচাবে কাম কৰিছিল। তাৰপৰা ঘূৰি আহি অৱেন্চ্ (ownes) কলেজত প্রবক্তা হিচাবে কাম কৰে আৰু পিছলৈ ইউনিভাৰছিটি কলেজত অধ্যাপক হিচাপে কাম কৰিছিল (১৮৭৬-১৮৮০)। ১৮৮২ চনত পানীত ডুব গৈ এক মর্মান্তিক দূর্ঘটনাত তেওঁৰ মৃত্যু হয়।

তেওঁৰ Principles of Science (বিজ্ঞানৰ নীতি) (১৮৭৪) নামৰ গ্রন্থত জেভনচে তেওঁৰ যুক্তি তথা বৈজ্ঞানিক পদ্ধতিবোৰ আলোচনা কৰিছিল। তেওঁৰ মতে, বৈজ্ঞানিক গৱেষণাৰ বাবে সঠিক পদ্ধতিটো হ'ল প্রকল্পিত-ন্যায়িক পদ্ধতি। এই পদ্ধতিৰ প্রক্রিয়াটো হ'ল-

- পর্য্যবেক্ষণ কৰা তথ্যৰ ভিত্তিত অনুমানগত গাঠনি।
- অনুমানৰ পৰা ন্যায়িক ধাৰণাৰ আহৰণ।
- ন্যায়িক ধাৰণাবোৰ নির্দিষ্ট তথ্যৰ ভিত্তিত তুলনা কৰা।

মিলৰ বিপৰীতে জেভনচে সামাজিক বিজ্ঞানৰ ক্ষেত্রত কোনো বিশেষ যুক্তি আগবঢ়োৱা নাছিল। তেখেতে বিচাৰিছিল যে অর্থনৈতিক বিজ্ঞানে, ভৌতিক বিজ্ঞানৰ আদৰ কায়দাবোৰেই (Methodology) অনুসৰণ কৰক আৰু ভৌতিক বিজ্ঞানৰ দৰেই এটি বিমূর্ত বিজ্ঞান হৈ উঠক। জেভনচে তেওঁৰ 'ৰাজনৈতিক বিজ্ঞানৰ' জৰিয়তে বিশ্বৰ ধন সম্পদৰ ব্যাখ্যা কৰি কৈছিল যে দৰিদ্রতা যিমান পাৰি হ্রাস কৰিব লাগিব আৰু দৰিদ্রসকলক কামৰ মজুৰি যথোচিত ভাবে দিয়া উচিত আৰু সম্পদ কেনেকৈ সর্বোত্তম ভাবে উপভোগ কৰিব পৰা যায় তাৰ ওপৰত অধ্যয়ন কৰিছিল। দ্রব্য-সামগ্রীৰ, উপভোগ হ'ল এটা গুৰুত্বপূর্ণ বিষয় আৰু ই উৎপাদন আৰু বিতৰণৰ ক্ষেত্রত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

এইদৰে জেভনচে মানুহৰ ইচ্ছাৰ ওপৰত জোৰ দিছিল আৰু উপযোগিতাৰ দ্বাৰা এইবোৰৰ সন্তুষ্টি প্রদান কৰিব বিছাৰিছিল। ৰাজনৈতিক বিজ্ঞানৰ আটাইতকৈ গুৰুত্বপূর্ণ বিধিটো হ'ল মানুহৰ অভাৱৰ ভিন্নতাৰ বিধি, প্রতিটো পৃথক ইচ্ছা সন্তুষ্ট নহয়, তথাপিও ইচ্ছাৰ কোনো অন্ত নাই। তেখেতে 'উপযোগিতা' শব্দটোৰ ব্যৱহাৰ কৰিছিল আৰু ইয়াৰ জৰিয়তে ভাৱধর্মী বৈশিষ্ট্যবোৰ বুজাব খুজিছিল, যাৰ জৰিয়তে কোনো পণ্যই আমাৰ উদ্দেশ্যবোৰ পূৰণ কৰাত সহায় কৰে। তেওঁ নৈতিক বিবেচনাৰ সপক্ষে নাছিল। জেভনচে পণ্য সামগ্রী আৰু উপযোগিতাৰ মাজৰ সম্পর্ক এইদৰে বর্ণনা কৰিছল। অর্থনীতিৰ লক্ষ্য হ'ল উপযোগিতা সর্বোচ্চকৰণ কৰা বা কোনো ব্যক্তিক

তেওঁৰ অনাকাংক্ষিত দ্ৰব্য-সামগ্ৰীৰ বিনিময়ত বাঞ্ছিত দ্ৰব্য-সামগ্ৰী বা সন্তুষ্টি সৰ্বাধিক পৰিমাণত আহৰণ কৰাৰ বাবে সহায় কৰা। তেওঁৰ মতে বস্তু হ'ল এটা পদাৰ্থ, দ্ৰব্য-সামগ্ৰী বা সেৱা যি ভোক্তাজনক সন্তুষ্টি বা আনন্দ প্ৰদান কৰিব পাৰে। গতিকে কোনো এটা পণ্য, ভোক্তা এজনে গ্ৰহণ কৰি তেওঁৰ উপযোগিতা সৰ্বোচ্চকৰণ কৰিব পাৰে।

তদুপৰি জেভন্চে ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধি আৰু সম-প্ৰান্তিক উপযোগিতা বিধিৰো উদ্ভাৱণ কৰিছিল। ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধি অনুসৰি জেভন্চে কৈছিল যে কোনো এটা দ্ৰব্যৰ পৰিমাণ বৃদ্ধিৰ লগে লগে উপযোগিতাৰ চূড়ান্ত মাত্ৰা (ডিগ্ৰী) হ্ৰাস পায়। কোনো এটা দ্ৰব্যৰ পূৰ্বতে থকা মজুতৰ লগত এক অতিৰিক্ত একক সংযোজন কৰিলে বা পৰৱৰ্তী সাম্ভাৱ্য অতি ক্ষুদ্ৰ পৰিমান সংযোজন কৰিলে যি পৰিমানৰ উপযোগিতা বা সন্তুষ্টি লাভ হয় তাকেই প্ৰান্তিক উপযোগিতা বুলি কোৱা হয়।

গাণিতিক ভাবে, যদি উপযোগিতাক 'u' ৰে আৰু দ্ৰব্যক 'x' ৰে বুজোৱা হয়, তেন্তে উপযোগিতাৰ অন্তিম মাত্ৰা (degree of utility) হ'ব 'x' সাপেক্ষে 'u' ৰ অৱকলণ গুণক অৰ্থাৎ du/dx.

ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধিৰ সহায়ত জেভনচে 'বিনিময় সমীকৰণ'ৰ ফালে আগবাঢ়িছিল আৰু এইদৰে তেওঁৰ 'বিনিময় তত্ব'ৰ আধাৰ গঠন কৰিছিল। তেওঁ বিনিময় সমীকৰণ এইদৰে আগবঢ়াইছিল-

$$\frac{\phi_1(a-x)}{\alpha_1 y} = \frac{y}{x} = \frac{\phi_2 x}{\alpha_2(b-y)}$$

এই সমিকৰণটোৱে ইয়াকে বুজায় যে-

$$= \frac{\text{('A' লৈ গোমধানৰ প্ৰান্তিক উপযোগিতা)}\times\text{(বিতৰিত সময়ত পৰিমাণ)}}{\text{('A' লৈ মাংসৰ প্ৰান্তিক উপযোগিতা)}\times\text{(বিতৰিত মাংসৰ পৰিমাণ)}} = \frac{\text{বিতৰণ হোৱা মাংসৰ পৰিমাণ}}{\text{বিতৰণ হোৱা গোমধানৰ পৰিমাণ}}$$

$$= \frac{\text{('B' লৈ গোমধানৰ প্ৰান্তিক উপযোগিতা)}\times\text{(বিতৰিত গোমধানৰ পৰিমাণ)}}{\text{('B' লৈ মাংসৰ প্ৰান্তিক উপযোগিতা)}\times\text{(বিতৰিত সময়ত পৰিমাণ)}}$$

জেভন্চে ব্যক্ত কৰিছে যে এই সমীকৰণটোত অভেদ কেইটা হল মাত্ৰ 'x' আৰু 'y' অৰ্থাৎ দুটা দ্ৰব্যৰ পৰিমাণ।

- **শ্ৰমৰ যোগান তত্বঃ** জেভন্চে তেওঁৰ উপযোগিতা তত্বটো শ্ৰমৰ যোগান তত্বটো আহৰণ কৰিবলৈ ব্যৱহাৰ কৰিছিল। তেওঁ শ্ৰমৰ দুটা দিশ আছে বুলি কৈছিল-
  - ইতিবাচক দিশ যেনে, শ্ৰমৰ উপযোগিতা আৰু
  - নেতিবাচক দিশ, যেনে শ্ৰমৰ অনুপযোগিতা।

  শ্ৰমৰ উপযোগিতা আছে, কাৰণ ইয়াক মজুৰিৰ যোগেদি পুৰস্কৃত কৰা হয় আৰু ইয়াৰ

অনুপযোগিতা থকা বুলি কোৱা হয়, কাৰণ ই শৰীৰৰ আৰু মনৰ বেদনা দায়ক পৰিশ্রম। শ্রমৰ যোগান তেতিয়ালৈকেহে ধৰা হয়, যেতিয়ালৈকে শ্রমৰ উপযোগিতা শ্রমৰ অনুপযোগিতাতকৈ বেছি হয় আৰু সেই পর্য্যায়লৈকে যোগান ধৰা হয়, য'ত উপযোগিতা আৰু অনুপযোগিতা সমান হয়।

- **মূলধন আৰু সুতৰ তত্ত্বঃ** ৰিকাড'ক অনুসৰণ কৰি জেভন্চে মূলধনক মজুৰি বিত্ত বুলি সংজ্ঞাবদ্ধ কৰিছে আৰু ইয়াক সময় সপক্ষে বিষয় বুলি কৈছে। মূলধন মাত্র কামত নিযুক্ত যিকোনো ধৰণৰ বা শ্রেণীৰ শ্রমিকক নিয়োগ কৰি ৰাখিবৰ বাবে সামগ্রিকভাৱে গঠিত। জেভনচে ভোক্তাসকলৰ হাতত থকা আটাইবোৰ উপভোগ্য বস্তুবোৰক অন্তর্ভূক্ত কৰি মূলধনৰ ধাৰণাটো আৰু বিস্তাৰিত কৰে। মূলধনৰ সময়ৰ লগত সম্পর্ক আছে। ই এটা সময়ৰ ব্যৱধান যিয়ে কোনো এটা উৎপাদন প্রকল্পত আৰু অন্তিম উৎপাদনৰ পৰিমাণৰ ক্ষেত্রত শ্রমৰ প্রাৰম্ভিক নিয়োগ পৃথক কৰে। সেয়েহে, সময় ব্যৱধানৰ লগত শ্রম বজাই ৰাখিবলৈ মূলধনৰ প্রয়োজন হয়। সেয়েহে মূলধনে শ্রমৰ আগতীয়া বিস্তাৰণত সহায় কৰে।

  মূলধনৰ সময়গত দৃষ্টিভংগী আগত ৰাখি জেভন্চে মূলধনত বিনিয়োগ কৰা পৰিমাণবোৰৰ মাজত পার্থক্য আছে বুলি কৈছে। তেওঁৰ মতে প্রথমটো বিনিয়োগৰ পৰিমাণৰ লগত জড়িত। সেয়েহে, মূলধনৰ বিনিয়োগৰ পৰিমাণ বিনিয়োগ থকা মূলধন আৰু গড় সময়ৰ পূৰণ-ফলৰ সমান।

  এইদৰে, জেভন্চৰ আভিধাৰণা অনুসৰি, যদি মূলধন এক সবল অনুপাতত একেৰাহে বিনিয়োগ কৰা হয়, তেন্তে প্রতিটো ক্ষেত্রতে মূলধনৰ বিনিয়োগৰ পৰিমাণ নিৰূপিত হ'ব, মূলধনৰ গৰিষ্ঠ পৰিমানক আৰম্ভনিৰ পৰা শেষলৈকে মূলধন বিনিয়োগ হৈ থকা সময়ৰ ব্যৱধানৰ অর্দ্ধাংশৰ দ্বাৰা পূৰণ কৰি পোৱা ফলাফলৰ সমান।

  মূল্যায়নঃ জেভন্চৰ বিশ্লেষণ যদিও প্রকৃত, তথাপিও কিছু পৰিমাণে আউল লগা আৰু অসম্পূর্ণ। এইটো সত্য যে তেওঁ বহুত নতুন ধাৰণা আনিছিল কিন্তু সেইবোৰ সম্পূর্ণভাৱে কার্য্যকৰি হোৱা নাছিল। তেওঁৰ এই ধাৰণাবোৰ প্রখ্যাত অর্থনীতিবিদসকল, যেনে ৱালৰাচ, উইক্ষ্টিড্, মার্শ্বাল, ব'ম বাৱাৰেক আদিয়ে ব্যাখ্যা কৰিছিল আৰু তেওঁলোকৰ সীমাবদ্ধতাবোৰ পৰীক্ষা কৰিছিল।

  জেভন্চক সমালোচনা কৰা হৈছিল যে তেওঁ উপযোগিতাৰ মাত্রা আংশিকভাবে যোগানৰ ওপৰত নির্ভৰ কৰে বুলি কৈছিল আৰু ই ব্যয়ৰ সীমাবদ্ধতাৰ লগত জড়িত বুলি উল্লেখ কৰিছিল। প্রকৃততে জেভন্চে নিজেই স্বীকাৰ কৰিছে যে শ্রমে বা শ্রমিকে পৰিস্থিতি নির্দ্ধাৰণ কৰাত বিশেষ ভূমিকা পালন কৰে, আকৌ শ্রমে যোগান প্রভাৱিত কৰে আৰু যোগানে উপযোগিতাক প্রভাৱিত কৰে।

  তেওঁ আকৌ দুটা গুৰুত্বপূর্ণ বিষয় লৈ সমালোচনাৰ সন্মুখীন হৈছিল- প্রথমতে তেওঁ চাহিদাৰ মূল্যক লৈ বিভ্রান্ত হয় আৰু দ্বিতীয়তে, ব্যক্তিগত উপযোগিতা, সামাজিক উপযোগিতালৈ প্রতিষ্ঠাপন কৰিবলৈ চেষ্টা কৰে যদিও তাৰ সঠিক ব্যাখ্যা নকৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃপ্রান্তিক বিশ্লেষণ কোনটো যুক্তিৰ ওপৰত আধাৰিত, উল্লেখ কৰক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

প্রশ্ন ২ ঃ জেভন্চে আগবঢ়োৱা ক্রমহ্রাসমান প্রান্তিক উপযোগিতা বিধিটো উল্লেখ কৰক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

১২.৫ মেনজাৰৰ অর্থনৈতিক ভাৱধাৰা (১৮৪০-১৯২১)

অষ্ট্রীয়ান ভাৱধাৰাৰ পিতৃ পুৰুষ কাৰ্ল মেনজাৰৰ জন্ম গালিচিয়াত (Galicia) ভিয়েনা আৰু প্রাগ্ৰ বিশ্ববিদ্যালয়ত তেখেতে শিক্ষা গ্রহণ কৰিছিল। শিক্ষক আৰু বিদ্বান হিচাপে তেখেত বিখ্যাত আছিল। তেখেতৰ উল্লেখনীয় গ্রন্থকেইখন হৈছেঃ

- ১৮৭৯ ত প্রকাশিত Principles of Economics (অর্থনীতিৰ সূত্র)
- ১৮৮৩ ত প্রকাশিত Investigations into the Methods of Social Sciences (সমাজবিজ্ঞানৰ পদ্ধতিৰ অনুসন্ধান)
- ১৮৮৮ ত প্রকাশিত On the Theory of Capital (মূলধনৰ তত্ত্ব)

অর্থনৈতিক ভাৱধাৰাৰ বুৰঞ্জীলৈ মেনজাৰৰ প্রধান অৱদানসমূহ তলত দিয়া ধৰণৰ-

- **পদ্ধতিঃ** মেনজাৰে অর্থনৈতিক তত্ত্বৰ আত্মনিষ্ঠ বিশ্লেষণ আগবঢ়াইছিল আৰু নিগমনাত্মক পদ্ধতিক সমর্থন কৰিছিল। তেখেতৰ মতে অর্থনৈতিক পৰিঘটনাসমূহ ব্যক্তিৰ আচৰণ বা ব্যৱহাৰৰ পৰিনাম আৰু গতিকে অর্থনীতিক অনুধাৱন কৰিবলৈ আমি ব্যক্তিৰ আচৰণ অধ্যয়ন কৰিবই লাগিব। মেনজাৰৰ বাবে ব্যক্তি অর্থনৈতিক বিশ্লেষণৰ কেন্দ্রবিন্দু আছিল।
- **অভাৱঃ** মেনজাৰৰ মতে, মানুহৰ অভাৱ, দ্রব্য, কাৰণ আৰু প্রভাৱৰ নিয়ম বা বিধি অর্থনীতি বিজ্ঞানৰ মূল উপাদান। মানুহৰ অভাৱ বা হাবিয়াসৰ সন্তুষ্টিয়েই অর্থনীতিৰ সর্বশেষ লক্ষ্য আৰু এই সন্তুষ্টিৰ ওপৰতে সমাজৰ কল্যাণ নির্ভৰ কৰে। এটা সুস্থিৰ সুন্দৰ জীৱন নির্বাহৰ বাবে মানুহৰ সচেতন প্রচেষ্টা, চিন্তা আৰু যুক্তি অভাৱৰ অংশ। সমাজত ব্যক্তিৰ অভাৱ আৰু সামাজিক অভাৱ-দুয়োটাই বিদ্যমান। সামাজিক অর্থনীতিৰ লক্ষ্য হৈছে সামাজিক অভাৱৰ পৰিপূর্ণতা আৰু ব্যক্তিগত অর্থনীতিৰ লক্ষ্য হ'ল ব্যক্তিগত অভাৱৰ পৰিপূর্ণতা।

- **দ্রব্য তত্ত্বঃ** অর্থনীতিত উপলব্ধ বিভিন্ন প্রকাৰৰ দ্রব্যৰ কাৰিকৰী কাৰণত মেনজাৰে এক শৃংখলিত আলোচনা আগবঢ়াইছে। তেখেতে দ্রব্যবিলাকৰ ক্রমৰ শ্রেণীবিভাজন কৰিছে আৰু দ্রব্যবিলাকৰ মানুহৰ অভাৱ-অনাটন প্রত্যক্ষ বা পৰোক্ষভাৱে পৰিপূর্ণ কৰিব পৰা গুণৰ ওপৰত নির্ভৰ কৰি দ্রব্যবিলাকৰ এই ক্রম নির্ধাৰণ কৰিছে। প্রথম ক্রমৰ দ্রব্যই মানুহৰ অভাৱ তৎক্ষণাৎ পূৰণ কৰিবপাৰে; দ্বিতীয় আৰু উচ্চতৰ ক্রমৰ দ্রব্যই মানুহৰ অভাৱ পৰোক্ষভাৱে পূৰ কৰে। উপভোক্তাৰ দ্রব্যবিলাক সাধাৰণতে প্রথম ক্রমৰ দ্রব্য; ইয়াৰ বিপৰীতে উৎপাদনকাৰীৰ দ্রব্য আৰু মূলধনী দ্রব্যবিলাক দ্বিতীয় আৰু উচ্চতৰ ক্রমৰ দ্রব্য। কাৰণ আৰু প্রভাৱৰ সম্পর্কৰ ওপৰত ভিত্তি কৰি মেনজাৰে এটা দ্রব্য আৰু সন্তুষ্টিৰ মাজৰ সম্পর্ক জ্ঞাপন কৰিছিল। এটা বস্তুক 'দ্রব্য' বুলি অভিহিত কৰিব পাৰি যদিহে বস্তুটোৱে তলত উল্লেখিত গুণবিলাকক পূৰ কৰে-
  - মানুহৰ অভাৱ থাকিব লাগিব
  - বস্তুটোৰ মানুহৰ অভাৱ পূৰ কৰিব পৰা ক্ষমতা থাকিব লাগিব
  - উপভোক্তাজনে বস্তুটোৰ অভাৱ পূৰ কৰিবপৰা সক্ষমতাক স্বীকৃতি দিব লাগিব
  - অভাৱৰ সন্তুষ্টিৰ বাবে বস্তুটো প্রয়োগ কৰিবলৈ উপভোক্তাজনৰ ক্ষমতা আৰু সামর্থ থাকিব লাগিব।

  ইয়াৰ উপৰিও মেনজাৰে দ্রব্যক আর্থিক আৰু অনা-আর্থিক দ্রব্য হিচাপে বিভাজিত কৰিছিল। চাহিদাৰ তুলনাত যিবোৰ দ্রব্যৰ যোগান দুষ্প্রাপ্য বা কম, সেইবোৰ দ্রব্য আর্থিক দ্রব্য। আকৌ যিবোৰ দ্রব্যৰ যোগান চাহিদাৰ তুলনাত প্রচুৰ, সেইবোৰ দ্রব্য অনা-আর্থিক বা মুক্ত দ্রব্য। অৱশ্যে তেখেতে এইটো উনুকিয়াই দিছিল যে এই শ্রেণীবিভাজন স্থায়ী নহয়, ৰৰঞ্চ ই আপেক্ষিক।
- **মূল্য তত্ত্বঃ** মেনজাৰৰ আত্মনিষ্ঠ মূল্যতত্ত্ব অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসলৈ এক উল্লেখনীয় গুৰুত্বপূর্ণ অৱদান। দুষ্প্রাপ্যতা দ্রব্যৰ অর্থনৈতিক চৰিত্রৰ একমাত্র কাৰণ। মেনজাৰে নিৰীক্ষণ কৰিছিল যে এটা দ্রব্যৰ মূল্য ইয়াৰ মানুহৰ অভাৱৰ সৈতে থকা সম্পর্কৰ পৰা উৎপত্তি হয়, আৰু এই মূল্য দ্রব্যটোতে নিহিত হৈ থাকে। যেনেদৰে সম্পর্ক সলনি হয়, মূল্যও সলনি হ'ব। আমি সাধাৰণতে বেছি জৰুৰী প্রয়োজনসমূহ প্রথমে আৰু কম জৰুৰী প্রয়োজনবোৰ পাছত পূৰণ কৰোঁ। মেনজাৰে কৈছিল যে মূল্য মুঠ উপযোগিতাৰ ওপৰত নির্ভৰ নকৰে, ৰৰঞ্চ দ্রব্যটোৰ পৰা ব্যক্তি এজনে পোৱা সকলোতকৈ কম উপযোগিতা, অর্থাৎ প্রান্তীয় উপযোগিতাৰ ওপৰত নির্ভৰ কৰে। তেখেতৰ মতে মানুহৰ অভাৱ বা হাবিয়াসক সন্তুষ্ট কৰিব পৰা যোগ্যতাৰ ওপৰত বস্তু এটাৰ মূল্য স্থিৰ হয়। তদুপৰি, প্রকৃত মূল্য সকলোতকৈ কম দৰকাৰী ব্যৱহাৰত বস্তুটোৰ উপযোগিতাৰ ওপৰত নির্ভৰ কৰে। মেনজাৰৰ মতে যোগানে বস্তু এটাৰ মূল্য নির্ধাৰণ কৰে। দ্রব্য এটাৰ যোগানৰ বৃদ্ধিয়ে ব্যক্তি এজনৰ বাবে ইয়াৰ আত্মনিষ্ঠ মূল্য হ্রাস কৰে। "ক্রমহ্রাসমান প্রান্তীয় উপযোগিতা বিধি"- ধাৰণাটোৰ অন্তৰালত এই অন্তর্দৃষ্টি আছে। উৎপাদন ব্যয়ৰ সৈতে মূল্যৰ লেনা-দেনা নাই। এজন ব্যক্তিৰ বাবে মূল্যৱান হোৱা

এটা দ্রব্য আন এজন ব্যক্তিৰ বাবে সমহাৰত মূল্যৱান নহ'বও পাৰে। ব্যক্তিৰ প্রয়োজনীয়তা আৰু প্রত্যেক ব্যক্তিৰ বাবে উপলব্ধ পৰিমাণৰ ওপৰতহে দ্রব্যৰ মূল্য নির্ভৰ কৰে।

- **মূল্যৰ আৰোপ** (Imputation) **তত্ত্বঃ** দ্রব্যৰ বিভিন্ন শ্রেণীবিভাগ বিশ্লেষণ কৰোঁতে মেনজাৰে তেখেতৰ আৰোপ তত্ত্ব উদ্ভাৱন কৰিছিল। তেখেতৰ বিতৰণ তত্ত্ব এই আৰোপ তত্ত্বৰ ভিত্তিত কৰা হৈছে। মূল্যৰ আৰোপ তত্ত্বৰ মতে উচ্চ ক্রমৰ দ্রব্যৰ মূল্য নিম্ন ক্রমৰ দ্রব্যৰ মূল্যৰ, যাৰ উৎপাদনত উচ্চ ক্রমৰ দ্রব্যই বৰঙণি যোগায়, পৰা পোৱা যায় উদাৱণস্বৰূপে, আটাৰ মূল্য (দ্বিতীয় অর্থাৎ উচ্চ ক্রমৰ দ্রব্য) পাউৰুটিৰ মূল্যৰ (প্রথম ক্রমৰ দ্রব্য) ওপৰত নির্ভৰ কৰে। একেদৰে, শ্রমৰ মূল্য শ্রমৰ দ্বাৰা উৎপাদিত দ্রব্যৰ ওপৰত নির্ভৰ কৰে। এই নিৰীক্ষণৰ পৰা মেনজাৰে বিতৰণৰ প্রান্তিক উৎপাদনশীলতা তত্ত্ব উদ্ভাৱন কৰিছিল। এটা উপাদানক উৎপাদন প্রক্রিয়াৰ পৰা আঁতৰাই দিলে উৎপাদিত দ্রব্যৰ মূল্যত যি লোকচান ভৰিবলগীয়া হ'লহেঁতেন, সেই লোকচানৰ দ্বাৰা উপাদানটোৰ অংশ নির্ধাৰণ কৰা হয়। অন্য কথাত, উৎপাদনৰ উপাদান এটাৰ মূল্য সেই উপাদানটোৰ উৎপাদনশীলতাৰ প্রান্তীয় মূল্যৰ ওপৰত নির্ভৰ কৰে। আৰোপ (Imputation) এটা চর্ত বা নিয়ম যি উৎপাদনৰ উৎপাদক এজেন্টৰ মূল্য উৎপাদিত দ্রব্যৰ মূল্যৰ ওপৰত নির্ভৰ কৰায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ অষ্ট্রিয়ান ভাৱধাৰাৰ প্রতিষ্ঠাপক কোন আছিল? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন ৪ ঃ মেন্‌জাৰৰ বিষয়গত মূল্য তত্ত্বৰ প্রধান ত্রুটিবোৰ উল্লেখ কৰক। (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

১২.৬ ৱালৰাছৰ অর্থনৈতিক ভাৱধাৰা (১৮৩৪-১৯১০)

লিয়'ন ৱালৰাছ (১৮৩৪-১৯১০), ল'চেন্ ভাৱধাৰাৰ নেতা, প্রান্তিক ভাৱধাৰাৰ প্রৱর্তক সকলৰ মাজত এজন আছিল। তেওঁ Elements d' economic politique pure নামে এখন কিতাপ লিখিছিল আৰু ১৮৭৪ চনত জেভন্চ আৰু মেন্‌জাৰৰ পিছত প্রকাশিত কৰিছিল। তেওঁ এজন স্বতন্ত্র চিন্তাৰ নায়ক আছিল, কিন্তু প্রধানকৈ জেভন্চৰ ধাৰণাবোৰ অনুসৰণ কৰিছিল। তেওঁ গাণিতিক বিশ্লেষণৰ আধাৰত এটা পৰিবর্তিত পদ্ধতিৰ সৃষ্টি কৰিছিল। এফালে, ৱালৰাছে বিশুদ্ধ অর্থনীতিক প্রয়োগিক অর্থনীতিৰ পৰা পৃথক কৰি আনহাতে বিশুদ্ধ অর্থনীতিক সামাজিক অর্থনীতিৰ

পৰা পৃথক কৰি অর্থবিজ্ঞানক এক বিমূর্ত্ত বিজ্ঞান হিচাপে প্রতিষ্ঠা কৰিব বিচাৰিছিল। তেওঁৰ মতে অর্থনীতিবিদসকলে ব্যতিক্রমি বিষয়ত, যেনে পুৰণি শিক্ষকসকলৰ প্রতিচ্ছবি বিলাকত বেছি গুৰুত্ব দিছিল। তেওঁ Mathematical Theory of Exchange (বিনিময়ৰ গাণিতিক তত্ব) নামৰ কিতাপখনো লিখিছিল। তেওঁ আবেগ কার্য্যবোৰক অৱহেলা কৰিছিল আৰু আকাংক্ষাৰ সর্বাধিক সাম্ভাব্য সন্তুষ্টিৰ সুৰক্ষাৰ বাবে বিনিময় কৰিব বিচাৰে, এনে অর্থ প্রদানৰ জৰিয়তে বিনিময়ৰ সাধাৰণ প্রকল্পবোৰক প্রতিষ্ঠা কৰে। তেওঁৰ মতে, সকলো বস্তু, উপাদান যিবোৰৰ উপযোগিতা আছে আৰু সীমিত এই আটাইবোৰ লগ হৈ সামাজিক সম্পদ গঠিত হয়। বাহ্যিক বস্তুবোৰৰ মান (মূল্য) সেইবোৰে দিয়া সন্তুষ্টিৰ সমানুপাতিক। এইবোৰৰ যোগান আৰু দামৰ মাজত কোনো পোনপটীয়া সম্পর্ক নাই, কিন্তু চাহিদা আৰু দামৰ মাজত সম্পর্ক বিদ্যমান। ৱালৰাছৰ মতে এইটো দূর্লভ, যিটো তেওঁ "সর্বশেষৰ ইচ্ছা সন্তুষ্ট হোৱাৰ প্রৱণতা" বুলি সংজ্ঞাবদ্ধ কৰে। তেওঁৰ মতে, যদি দুটা দ্রব্য দিয়া থাকে, আৰু যিকোনো এটাৰ উপযোগিতা আৰু পৰিমাণ আন এটাৰ তুলনাত পৰিবর্তিত হয় তেন্তে, সেই দ্রব্যটোৰ মান বা মূল্য আন এটাৰ তুলনাত পৰিবর্তিত হ'ব।

মূলধন আৰু সুদৰ তত্বঃ

ৱালৰাছৰ এটা উল্লেখযোগ্য অবদান হ'ল মূলধন আৰু সুদৰ তত্ব। তেওঁ মূলধনী দ্রব্য আৰু সিহঁতৰ সেৱাৰ মাজত পার্থক্য দেখুৱাইছিল। প্রথমতে, সামাজিক সম্পদৰ সেইটো অংশক স্থিৰ মূলধন হিচাপে অভিহিত কৰিছিল যি একেবাৰেই ব্যৱহাৰ কৰা নহৈছিল বা এক দীঘলীয়া সময়ৰ অন্ততহে ব্যৱহৃত হৈছিল। দ্বিতীয়তে, এইটো হ'ল সঞ্চালিত মূলধন বা আয় যিটো সামাজিক সম্পদৰ অংশ হিচাপে গণ্য কৰা হয় আৰু যি তৎক্ষণাৎ ব্যৱহৃত হয়।

ৱালৰাছৰ বিশ্লেষণে কঠোৰভাবে স্থিৰ মূলধনৰ কথাহে উল্লেখ কৰে। সাংকেতিকভাবে, ইয়াক এইদৰে লিখা হয়-

$$\pi = p - (u + v)P$$

য'ত π হ'ল মূলধনী দ্রব্যৰ শুদ্ধ মান

p হ'ল মূলধনী দ্রব্যৰ বছৰেকীয়া মান (দ্রব্যৰ হিচাপত)

P হ'ল মূলধনী দ্রব্যৰ মূল্য

আৰু u আৰু v হ'ল P ৰ অংশ যি অবক্ষয় আৰু বীমাৰ ক্ষেত্রত প্রযোজ্য। ই প্রদত্ত সুদৰ হাৰত, মূলধনী দ্রব্যৰ দাম নিখুতভাবে শুদ্ধ আয়ৰ সমানুপাতিক বুলি ব্যাখ্যা কৰে।

সাধাৰণ ভাৰসাম্য আর্হি (মডেল)ঃ

লিয়'ন ৱালৰাছ আছিল প্রথম অর্থনীতিবিদ যিজনে অর্থনীতিৰ সাধাৰণ ভাৰসাম্য মডেলৰ বিকাশ কৰিছিল। ৱালৰাছীয়ান পদ্ধতিত, অর্থনীতিৰ প্রতিটো স্তৰৰ আৰম্ভনিতে কিছুমান প্রদত্ত সম্পদৰাজি উপলব্ধ হয়, যিবোৰ বিভিন্ন অর্থনৈতিক প্রতিনিধিবোৰৰ মাজত বিতৰণ কৰা হয়। বজাৰৰ জৰিয়তে এই প্রতিনিধিবোৰৰ পৰস্পৰ মিলা-প্রীতিৰ পৰাই অর্থনৈতিক প্রক্রিয়াবোৰ আৰম্ভ হয়। অর্থনৈতিক প্রতিনিধি এজন উপভোক্তা হ'ব পাৰে বা এজন উৎপাদনৰ উপাদান যোগানকাৰী হ'ব পাৰে অথবা এজন উৎপাদক হ'ব পাৰে। প্রতিনিধিবোৰ সীমিত সম্পদলৈ বজাৰত প্রবেশ

কৰে আৰু প্রদত্ত সম্পদৰাজিৰ সর্বোত্তম বিনিয়োগ কৰাৰ প্রয়াস কৰে।

প্রতিটো প্রতিনিধি ব্যক্তিগত স্বার্থৰ দ্বাৰা পৰিচালিত হয়। উপভোক্তা হিচাপে সিহঁতে উপভোগ্য আয়খিনি, বিভিন্ন দ্রব্যৰ উপভোগ কৰিবলৈ এনেকৈ খৰছ কৰে, যাতে সর্বোচ্চ সন্তুষ্টি আহৰণ কৰিবলৈ সক্ষম হয়। উৎপাদনৰ উপাদানবোৰৰ যোগানকাৰী হিচাপে, এজন প্রতিনিধিয়ে, যোগান কৰাৰ বাবে লাভ কৰা আয় আৰু যোগান কার্য্য অব্যাহত ৰাখিবৰ বাবে যি ত্যাগ তেওঁলোকে স্বীকাৰ কৰিবলগীয়া হয়, তাৰ মাজত এক ভাৰসাম্যতা ৰক্ষা কৰিবলৈ চেষ্টা কৰে। উৎপাদক এজনে উৎপাদিত দ্রব্যৰ বিক্রি আয় আৰু উৎপাদন ব্যয়ৰ মাজত পার্থক্য সর্বোচ্চ কৰি লাভ সর্বোচ্চকৰণ কৰাৰ চেষ্টা কৰে।

ৱালৰাছীয়ান পদ্ধতিৰ কেন্দ্রিয় সমস্যাটো হ'ল যে এখন অর্থনীতিত প্রতিনিধিবোৰ বিবেচিত, স্ব-আগ্রহী আৰু স্বতন্ত্র। সেয়েহে, প্রতিনিধিবোৰৰ কার্য্যকলাপবোৰৰ মাজত সমন্বয় ৰক্ষা কৰিবৰ বাবে উমৈহতীয়া ব্যৱস্থা এটাৰ প্রয়োজন আৰু ৱালৰাছৰ মতে, ই হৈছে দাম, যি অর্থনৈতিক প্রতিনিধিসকলৰ কার্য্যকলাপবোৰৰ মাজত সমন্বয় ৰক্ষা কৰে। দাম হৈছে এনে এটা প্রাচল যাৰ আধাৰত পছন্দ আৰু সিদ্ধান্তৰ ধাৰণা কৰা হয়। ৱালৰাছৰ মতে, দামবোৰ স্বতন্ত্র নহয় আৰু পছন্দৰ দ্বাৰা সিদ্ধান্ত কৰা হয়। দাম আৰু পছন্দ, এটা আনটোৰ পৰিপূৰক নোহোৱালৈকে পৰিৱর্তিত হৈ থাকে আৰু যেতিয়াই পৰিপূৰক হৈ উঠে, সাধাৰণ ভাৰসাম্যতাত উপনীত হয়। এখন অর্থনীতি সাধাৰণ ভাৰসাম্যতাত থাকিব যদিহে আটাইবোৰ অর্থনৈতিক প্রতিনিধি যেনে, উপভোক্তা, উৎপাদক আৰু উৎপাদনৰ উপাদানৰ যোগানকাৰী, আটাইবোৰ একেলগে ভাৰসাম্যতাত থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ Mathematical Theory of Exchange (বিনিময়ৰ গাণিতিক তত্ত্ব) নামৰ গ্রন্থখন কোনে লিখিছিল?

.....

প্রশ্ন ৬ ঃ ৱালৰাছৰ স্থিৰ মূলধনৰ ধাৰণাটো উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....



১২.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- প্রান্তিক বিশ্লেষণে আগবঢ়োৱা প্রয়োজনীয় আৰু পর্য্যাপ্ত চর্তৰাশিবোৰ হ'ল যে দুষ্পাপ্য সম্পদসমূহৰ সর্ব্বাধিক ব্যৱহাৰ হ'ব লাগিব।

- জেভন্চৰ মতে, অর্থনীতি এনে এটা বিজ্ঞান যি মনোগত কিন্তু গণনাযোগ্য ঘটনাক লৈ কাম কৰে।
- উপযোগিতা এনে এটি শব্দ যি আনন্দ আৰু যন্ত্রণাৰ লগত জড়িত।
- জেভন্চৰ মতে, ক্রমহ্রসমান প্রান্তিক উপযোগিতা বিধিয়ে ইয়াকে বুজায় যে পৰিমাণ বৃদ্ধিৰ লগে লগে উপযোগীতাৰ চূড়ান্ত মাত্রা হ্রাস পায়।
- মেন্জাৰৰ মতামত আছিল যে পণ্যবোৰ গ্রাহকসকলৰ নিকটৱর্তীতা অনুসৰি বিভিন্ন শ্রেণী বা বর্গত বিভাজিত হয়।
- প্রায়োগিক অর্থনীতিৰ পৰা প্রকৃত অর্থনীতিক পৃথক কৰি আনহাতে ব্যক্তিগত অর্থনীতিক সামাজিক অর্থনীতিৰ পৰা পৃথক কৰি ৱালৰাচে অর্থনীতিক এক বিমূর্ত্ত বিজ্ঞান হিচাপে অভিহিত কৰিছে।

১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ প্রান্তিক বিশ্লেষণ সিদ্ধান্ত গ্রহণৰ এটা সাধাৰণ যুক্তিৰ ওপৰত আধাৰিত অর্থাৎ এটা কার্য্য সম্পন্ন কৰা হ'ব যদি কার্য্যটোৰ পৰা হোৱা সুবিধাবোৰ ইয়াৰ প্রচেষ্টাতকৈ বেছি হয়। ইয়াৰ প্রয়োজনীয় আৰু পর্যাপ্ত চর্ত্তৰাশিবোৰ দুষ্পাপ্য সম্পদৰ সর্বোত্তম আৱণ্টনত ব্যৱহাৰ হ'ব লাগিব।

২ নং প্রশ্ন উত্তৰ ঃ জেভন্চৰ মতে ক্রমহ্রাসমান প্রান্তিক উপযোগিতা বিধিটোৱে ইয়াকে বুজায় যে পণ্য এটাৰ পৰিমান বৃদ্ধিৰ লগে লগে উপযোগিতাৰ চূড়ান্ত মাত্রা হ্রাস পায়।

৩ নং প্রশ্ন উত্তৰ ঃ কার্ল মেন্জাৰ অষ্ট্রিয়ান ভাৱধাৰাৰ প্রবর্ত্তক আছিল।

৪ নং প্রশ্ন উত্তৰ ঃ মেন্জাৰৰ মূল্যৰ বিষয়গত তত্ত্বৰ মূল ত্রুটিবোৰ হ'ল-

- তেওঁ তেওঁৰ বিশ্লেষণ বিচ্ছিন্ন বিনিময় আৰু মাত্র দুজন ব্যক্তিৰ মাজতহে সীমাবদ্ধ ৰাখে।
- তেওঁ ব্যয়ৰ ধাৰণাটো অৱহেলা কৰে।

৫ নং প্রশ্ন উত্তৰ ঃ Mathematical Theory of Exchange (বিনিময়ৰ গাণিতিক তত্ত্ব) নামৰ গ্রন্থখনৰ লেখক লিয়'ন ৱালৰাছ আছিল।

৬ নং প্রশ্ন উত্তৰ ঃ ৱালৰাছৰ মতে, সামাজিক সম্পদৰ সেই অংশক স্থিৰ মূলধন বোলা হয়, যিটো একেবাৰেই ব্যৱহাৰ হোৱা নাছিল বা এক দীর্ঘ্য সময়ৰ ব্যৱধানতহে ব্যৱহৃত হৈছিল।

১২.৯ অধিক জানিবলৈ

1. Brue, S.L.and Grant, R.R.(2012).*The Evolution of Economic thought.* South-Western: Cengage Learning.
2. Haney, L. H. (1977). *History of Economic thought.* Delhi: Surjeet

Publications.

3. Paul, R. R. (1999). *History of Economic thought.* New Delhi: Kalyani Publication.
4. Vaggi, G. And Groenewegen P. (2014). *A concise History of Economic thought.* Palgrave Macmillan.

১২.১০ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ প্ৰান্তিক বিশ্লেষণৰ ধাৰণাটো চমুকৈ বৰ্ণনা কৰক।

২ নং প্ৰশ্ন ঃ প্ৰান্তীয় ভাৱধাৰাৰ কিছুমান অৱদানকাৰীৰ নাম লিখক।

৩ নং প্ৰশ্ন ঃ মূল্যৰ বিষয়গত তত্বটো চমুকৈ বৰ্ণনা কৰক।

৪ নং প্ৰশ্ন ঃ ৱালৰাছৰ সাধাৰণ ভাৰসাম্যতা সম্পৰ্কে এটি চমু আভাষ দিয়ক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ অৰ্থনৈতিক ভাৱধাৰাৰ ক্ষেত্ৰত জেভনচৰ অৱদানসমূহ মূল্যাংকণ কৰক।

২ নং প্ৰশ্ন ঃ লিয়'ন ৱালৰাছক বিশ্বৰ মহান অৰ্থনীতিবিধ সকলৰ ভিতৰত এজন বুলি গণ্য কৰা হয়। অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসত তেওঁৰ অৱদান সম্পৰ্কে আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ ৱালৰাছৰ মূলধন আৰু সুদৰ তত্বটো পৰীক্ষা কৰক।

৪ নং প্ৰশ্ন ঃ প্ৰান্তিক চিন্তাশৈলীত জেভনচ্ আৰু মেনজাৰৰ অৱদানসমূহ বৰ্ণনা কৰক আৰু তেওঁলোকৰ অৰ্থনৈতিক ধাৰণাসমূহ উল্লেখ কৰক।

*** ***** ***

অধ্যায়১৩ ঃ অষ্ট্রীয়ান ভাৱধাৰা - ব'ম বাৱাৰেক আৰু উইজাৰ

অধ্যায় গাঁথনি-

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ অষ্ট্রীয়ান ভাৱধাৰা আৰু ইয়াৰ মূল নীতিসমূহ

১৩.৪ অষ্ট্রীয়ান অর্থনীতিবিদ সকলৰ অর্থনৈতিক ভাৱধাৰা

১৩.৪.১ ব'ম বাৱাৰেক

১৩.৪.২ উইজাৰ

১৩.৫ অষ্ট্রীয়ান ভাৱধাৰাৰ সমালোচনা

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্রগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- অষ্ট্রীয়ান ভাৱধাৰাৰ মূল ধাৰণাসমূহ জানিব পাৰিব
- অষ্ট্রীয়ান অর্থনীতিবিদ সকলে উদ্ভাৱন কৰা অর্থনৈতিক ভাৱধাৰা সমূহ বর্ণনা কৰিব পাৰিব
- মেনজাৰ, ব'ম- বাৱাৰেক আৰু উইজাৰৰ অর্থনৈতিক তত্ত্বসমূহৰ তুলনামূলক আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

এই পাঠটোত অষ্ট্রীয়ান ভাৱধাৰাৰ অর্থনৈতিক ধাৰণাসমূহৰ সৈতে আপোনাক পৰিচয় কৰোৱা হ'ব। অষ্ট্রীয়ান ভাৱধাৰাক সংস্থাপিত ভাৱধাৰাৰ প্রতিক্রিয়া বুলিব পাৰি কাৰণ এই ভাৱধাৰাই সংস্থাপিত ভাৱধাৰাৰ বস্তু নিষ্ঠতাৰ বিপৰীতে আত্মনিষ্ঠতাৰ সমর্থন কৰিছিল। অৱশ্যে এই ভাৱধাৰাই সংস্থাপিত ভাৱধাৰাক কেৱল মাত্র সমালোচনা কৰা নাছিল, ৰৱঞ্চ প্রান্তীয় বিশ্লেষণৰ ভিত্তিত অর্থনীতিৰ তত্ত্ব সমূহক পুনৰ নির্মাণ কৰিছিল। অষ্ট্রীয়ান ভাৱধাৰাই দ্রব্যৰ মূল্য নির্দ্ধাৰণ কৰোতে দ্রব্যটোৰ উপযোগিতাক গুৰুত্ব দিছিল আৰু সমস্যাৰ কাৰণ বিলাকক বেছি প্রত্যক্ষভাৱে বিশ্লেষণ কৰিছিল। এই ভাৱধাৰাৰ মতে মূল্যই উৎপাদন ব্যয় নির্দ্ধাৰণ কৰে আৰু ইয়াৰ বিপৰীতকৈ সংঘটিত নহয় অর্থাৎ উৎপাদন ব্যয়ে মূল্য নির্দ্ধাৰণ নকৰে।

১৩.৩ অষ্ট্রীয়ান ভাৱধাৰা আৰু ইয়াৰ মূল নীতিসমূহ

অষ্ট্রীয়ান ভাৱধাৰাই, যাক মনোবৈজ্ঞানিক বা মনোধর্মী ভাৱধাৰা বুলিও জনা যায়, উনৈশ শতিকাৰ শেষৰ ফালে পঢ়ি উঠা অষ্ট্রীয়ান অর্থনীতিবিদ সকলৰ অর্থনৈতিক নীতিসমূহক সাঙুৰি লয়। কার্ল মেনজাৰক এই ভাৱধাৰাৰ পিতৃ পুৰুষ হিচাপে স্বীকৃতি দিয়া হৈছে। ব'ম বাৱাৱেক আৰু ফ্রেড্ৰিক্ ভেন্ উইজাৰক এই ভাৱধাৰাৰ সহ-প্রতিষ্ঠাপক বুলি কোৱা হয়। প্রকৃততে, মেনজাৰ, বাৱাৱেক আৰু উইজাৰ-এই তিনিওজন এই ভাৱধাৰাৰ ৰক্ষক। ফ্রেড্ৰিক্ এ. হায়েক আৰু আই. এম. কির্জনাৰ অষ্ট্রীয়ান ভাৱধাৰাৰ অর্থনীতি বিদসকলৰ অন্যতম। অষ্ট্রীয়ান ভাৱধাৰা আত্মনিষ্ঠ ভাৱধাৰাৰ এটা অংশ, আত্মনিষ্ঠ ভাৱধাৰাৰ আনটো অংশ হৈছে গাণিতিক ভাৱধাৰা য'ত গণিতৰ ব্যাপক ব্যৱহাৰ কৰা হৈছে, কাৰণ এই ভাৱধাৰাৰ অর্থনীতিবিদ সকলে বিশ্বাস কৰিছিল যে অর্থনৈতিক পৰিঘটনাসমূহ সংখ্যাগত ভাৱে অর্থাৎ গাণিতিক ৰূপত প্রকাশ কৰিব পাৰি। তলত আমি অষ্ট্রীয়ান ভাৱধাৰাৰ মূল নীতিসমূহৰ বিষয়ে আলোচনা কৰিম-

- **প্রণালীবদ্ধ আত্মনিষ্ঠতাঃ** অষ্ট্রীয়ান ভাৱধাৰাই আত্মনিষ্ঠতাক বেছি গুৰুত্ব দিছে। ই অষ্ট্রীয়ান ভাৱধাৰাৰ প্রধান প্রণালীবদ্ধ নীতি। অষ্ট্রীয়ান অর্থনীতিবিদসকলে বিশ্বাস কৰিছিল যে কেৱল ব্যক্তিজনহে তেওঁৰ কার্য্য আৰু অগ্রাধিকাৰ তথা পচন্দৰ বিষয়ে জ্ঞাত। সেয়েহে, আমি অর্থনৈতিক পৰিঘটনা ব্যাখ্যা কৰোতে ব্যক্তিয়ে তেওঁলোকৰ জ্ঞান আৰু আশা-আকাংক্ষাৰ ভিত্তিত নির্দ্ধাৰণ কৰা ব্যক্তিগত বিচাৰ আৰু পচন্দৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। এই অর্থনীতিবিদসকলে এই ধাৰণা পোষণ কৰিছিল যে ব্যক্তিৰ মূল্য, পৰিকল্পনা, আশা-আকাংক্ষা আৰু বাস্তৱৰ বোধগম্যতা এই সকলোবোৰ আত্মনিষ্ঠ। সেয়ে, লক্ষণীয় যে অর্থনৈতিক গতিবিধি বা ব্যৱহাৰৰ ব্যাখ্যা কৰোতে ব্যক্তিৰ উদ্দেশ্য, মূল্যায়ণ আৰু আশা-আকাংক্ষাৰ আত্মনিষ্ঠ স্বভাৱত অষ্ট্রীয়ান অর্থনীতিবিদ সকলে বেছি গুৰত্ব আৰোপ কৰিছিল। মানুহৰ কার্য্যৰ এই আত্মনিষ্ঠ মূল্যায়নে অর্থনৈতিক মূল্যৰ সৃষ্টি কৰে। কার্ল মেনেজাৰে ব্যাখ্যা কৰিছিল যে দ্রব্য আৰু সেৱাসমূহৰ অর্থনৈতিক মূল্য স্বভাৱত আত্মনিষ্ঠ। সেয়ে ব্যক্তি বিশেষৰ বাবে যি মূল্যৱান সেইয়া তেওঁৰ প্রতিবেশীৰ বাবে একে মাত্রাত মূল্যৱান নহবও পাৰে। অষ্ট্রীয়ানসকলে তেওঁলোকৰ বিশ্লেষণত নিগমনাত্মক, অর্থাৎ সর্ব্বসন্মত যুক্তিৰ পৰা বুজিব পৰা পদ্ধতি ব্যৱহাৰ কৰিছিল।
- **প্রণালীৱদ্ধ ব্যক্তিবাদঃ** অর্থনৈতিক তত্ত্বৰ সকলো ধাৰণা আলোচনা কৰোতে অষ্ট্রীয়ান ভাৱধাৰাই ব্যক্তিবাদক অধ্যয়নৰ কেন্দ্রবিন্দু হিচাপে লৈছে। অষ্ট্রীয়ান অর্থনীতিবিদসকলৰ মতে কেৱল ব্যক্তিয়ে কার্য্য কৰে আৰু গতিকে, তেওঁলোকৰ বাবে অধ্যয়নৰ মূল উদ্দেশ্য ব্যক্তি। তেওঁলোকে বিশ্বাস কৰিছিল যে অর্থনৈতিক পৰিঘটনাসমূহ ব্যাখ্যা কৰোতে কেৱল মাত্র ব্যক্তিৰ কার্য্যাৱলীহে বিবেচনাৰ বিষয় হ'ব লাগে, গোটক ইয়াৰ আওঁতালৈ আনিব নালাগে। আনন্দ আৰু বেজাৰৰ সন্তুলন ৰাখোতে ব্যক্তিয়ে যুক্তিমতে অর্থাৎ বিবেচনাপূর্বক আচৰণ কৰে বুলি অষ্ট্রীয়ান সকলে ধৰিছিল। আৰু সেয়ে তেওঁলোকৰ বাবে বৈধ অর্থনৈতিক তত্ত্বৰ নির্ণায়ক আছিল কেৱল

মানুহৰ কার্য্যৰ মৌলিক নীতিসমূহ । সকলো ব্যক্তিৰে অর্থনৈতিক কামকাজৰ মূল চালিকা শক্তি হৈছে মানুহৰ অভাৱ অনাটন। ব্যক্তি এজনৰ আনন্দ বেজাৰ বা অনুভূতিয়ে ব্যক্তিজনৰ আর্থিক কাম কাজৰ গতি নির্ধাৰণ কৰে, বিকল্প উপযোগিতা সমূহৰ পৰা এটা বাচি ল'বলৈ ব্যক্তিজন সক্ষম হয়। অর্থাৎ মানুহে আর্থিক কাম কাজ কৰিবলৈ আনন্দ বা সন্তুষ্টিৰ পূর্বানুমানৰ দ্বাৰা প্রধানকৈ উৎসাহিত হয়। মূল্য প্রান্তীক উপযোগিতাৰ ওপৰত নির্ভৰ কৰে আৰু প্রান্তীক উপযোগিতা ঘাইকৈ মানুহৰ অভাৱৰ পৰা উৎপন্ন হয়। এনেদৰে চালে দেখা যায় যে অষ্ট্রীয়ান ভাৱধাৰাৰ মনোবৈজ্ঞানিক বিশ্লেষন ব্যক্তিবাদৰ বাহিৰে আন একো নহয়।

- **প্রান্তীয় বিশ্লেষণঃ**অর্থনৈতিক পৰিঘটনাসমূহৰ ব্যাখ্যা কৰোঁতে অষ্ট্রীয়ান ভাৱধাৰাই "প্রান্ত" বা সীমাৰ ওপৰত মনোযোগ দিছিল। এই ভাৱধাৰাৰ মতে সকলো অর্থনৈতিক সিদ্ধান্ত "প্রান্ত" বা সীমাৰ বিন্দুত লোৱা হয়। তেওঁলোকে সামগ্রিক অর্থনীতিৰ বিষয়ত আলোচনা কৰা নাছিল। অষ্ট্রীয়ান ভাৱধাৰাত আত্মনিষ্ঠতাই ব্যক্তিবাদ আৰু মনোবৈজ্ঞানিক বিশ্লেষণৰ জন্ম দিছিল আৰু ইয়াৰ ফলশ্রুতিত প্রান্তীয় বিশ্লেষণৰো জন্ম হৈছিল- কাৰণ আমাৰ মনোযোগ নিবিষ্ট হয় বিন্দু বা মাত্রা (একক) ৰ ওপৰত অর্থাৎ প্রান্ত ৰ ওপৰত।
- **ৰুচি আৰু অগ্রাধিকাৰঃ** দ্রব্য আৰু সেৱাসমূহৰ আত্মনিষ্ঠ মূল্যায়নে এইবিলাকৰ প্রতি চাহিদাৰ সৃষ্টি কৰে। আন কথাত, বজাৰ দৰক গ্রাহকে প্রভাৱিত কৰে। বিভিন্ন ব্যৱহাৰৰ মাজত উপভোক্তাৰ আয়ৰ বিতৰণক প্রত্যেক দ্রব্যৰ ক্রমহ্রাসমান প্রান্তীয় উপযোগিতাই প্রভাৱিত কৰে। (অর্থাৎ আমি কোনো এটা বস্তুৰ মূল্য কিমান দিম, সেইটো প্রান্তীয় বা শেষ এককটোৰ পৰা পোৱা উপযোগিতাই নির্ণয় কৰে)।
- **সুযোগ ব্যয়ঃ** অষ্ট্রীয়ান ভাৱধাৰাৰ অর্থনীতিবিদসকলে তেওঁলোকৰ বিশ্লেষণত সুযোগ ব্যয়ৰ ধাৰণাটো ব্যৱস্থাৰ কৰিছে। উৎপাদনৰ উপাদান এটাৰ ব্যয় আন কিছুমান বিকল্প ব্যৱহাৰত উপাদানটোৰ উপযোগিতাৰ পৰা নির্ণয় কৰিব পাৰি।



চিন্তা চর্চা কৰক

অষ্ট্রীয়ান ভাৱধাৰা আৰু গাণিতিক ভাৱধাৰাৰ মাজৰ পার্থক্য বিচাৰ কৰক।

.....

.....



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ অষ্ট্রীয়ান ভাৱধাৰাৰ ৰক্ষক বুলি কাক কোৱা হয়? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

২ নং প্রশ্ন ঃ অষ্ট্রীয়ান ভাৱধাৰাৰ প্রান্তীয় বিশ্লেষণৰ ধাৰণাটো ব্যাখ্যা কৰক (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৩ নং প্রশ্ন ঃ অর্থনৈতিক চিন্তাত ব্যক্তিবাদ মানে কি বুজা যায় ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

১৩.৪ অষ্ট্রীয়ান অর্থনীতিবিদসকলৰ অর্থনৈতিক ভাৱধাৰা

ওপৰৰ আলোচনাৰ পৰা অষ্ট্রীয়ান ভাৱধাৰাৰ মূল নীতিসমূহৰ বিষয়ে আপুনি জ্ঞাত হ'ল। ইতিমধ্যে অধ্যায় ১২ ত আমি অষ্ট্রীয়ান ভাৱধাৰাৰ পিতৃ পুৰুষ বুলি জনাজাত কার্ল মেনজাৰৰ বিষয়ে অধ্যয়ন কৰি আহিছোঁ। গতিকে অধ্যায়টোৰ এই ভাগত অষ্ট্রীয়ান অর্থনীতিবিদ ব'ম বাৱাৱেক আৰু উইজাৰৰ অর্থনৈতিক ভাৱধাৰাৰ বিষয়েহে আলোচনা আগবঢ়োৱা হৈছে।

১৩.৪.১ ব'ম বাৱাৱেক (১৮৫১-১৯১৮)

ব'ম বাৱাৱেকৰ জন্ম হৈছিল অষ্টিয়াৰ ব্রু'ন (Bruun), ম'ৰেভিয়াত। তেখেত ভিয়েনা বিশ্ববিদ্যালয়ৰ প্র'ফেচাৰ আছিল আৰু অষ্ট্রিয়ান ভাৱধাৰাৰ এগৰাকী উল্লেখযোগ্য সদস্য আছিল। তেখেতৰ বিখ্যাত কর্মৰাজি হৈছেঃ

- ১৮৮৪ চনত প্রকাশিত The Theory of Interest (সুদ তত্ত্ব)
- ১৮৮৬ চনত প্রকাশিত Outlines of the Theory of Commodity Value (দ্রব্য মূল্য তত্ত্বৰ ৰূপৰেখা)
- ১৮৮৯ চনত প্রকাশিত The Positive Value of Capital (মূলধনৰ ধনাত্মক মূল্য)

ব'ম বাৱাৱেকৰ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসলৈ প্রধান বৰঙণি হৈছে তেখেতৰ সুদ আৰু মূলধনৰ তত্ত্ব। অষ্ট্রীয়ান অর্থনীতিবিদসকলৰ ভিতৰত ব'ম বাৱাৱেক একমাত্র অর্থনীতিবিদ যি উৎপাদনৰ তিনিটা উপাদান- ভূমি, শ্রম আৰু মূলধনক গুৰুত্ব প্রদান কৰিছিল।

- **সুদ তত্ত্ব** (Agio Theory of Interest) ঃ ব'ম বাৱাৰেকৰ সুদ তত্ত্বটোক সময় অগ্ৰাধিকাৰ সুদ তত্ত্ব (Time Preference Theory of Interest) আৰু প্ৰিমিয়াম (Agio) সুদ তত্ত্ব বুলিও কোৱা হয়। তেখেতৰ সুদ তত্ত্বটো সুদৰ প্ৰথম শৃংখলিত তত্ত্ব। এই তত্ত্বটোক প্ৰিমিয়াম (Agio) ধাৰণাৰ ওপৰত ৰচনা কৰা হৈছে- যিয়ে বৰ্তমানক ভৱিষ্যৎৰ লগত তুলনা কৰি কঢ়িয়াই লৈ ফুৰে। তেখেতৰ সুদ তত্ত্বত ব'ম বাৱাৰেকে সুদৰ হাৰ নিৰ্ধাৰণত সময়ৰ গুৰুত্বক পৰিচয় কৰাইছিল। তেখেতৰমতে মানুহে বৰ্তমানৰ সন্তুষ্টিক ভৱিষ্যতৰ সন্তুষ্টিতকৈ অগ্ৰাধিকাৰ দিছে। বৰ্তমানৰ দ্ৰব্য ভৱিষ্যতৰ দ্ৰব্যতকৈ বেছি মূল্যৱান বুলি গণ্য কৰা হয়। মানুহে যদি সঞ্চয় কৰে, তেন্তে তেওঁলোকে উপভোগ কাৰ্যৰ পৰা পোৱা সন্তুষ্টি পিছুৱাই দিব লগা হয়। সেয়ে, আপুনি যদি বিচাৰে যে মানুহে তেওঁলোকৰ বৰ্তমানৰ অভাৱ পূৰণৰ সন্তুষ্টি পিছুৱাই দিয়ক, তেন্তে আপুনি তেওঁলোকক ক্ষতিপূৰণ দিব লাগিব আৰু এই ক্ষতিপূৰণয়েই হৈছে সুদ।

ব'ম বাৱাৰেকৰ মতে মানুহৰ বৰ্তমানৰ সন্তুষ্টিক অগ্ৰাধিকাৰ দিয়াৰ প্ৰৱণতা তিনিটা কাৰণত উদ্ভৱ হয়ঃ

- মানুহে ভৱিষ্যতৰ সম্পদক অধিক মূল্যায়ন কৰে। আশা হৈছে ইয়াৰ কাৰণ। সেইবাবে, বৰ্তমানৰ অভাৱ আমাৰ মনত ভৱিষ্যতৰ অভাৱতকৈ বেছি শক্তিশালী ৰূপত অনুভূত হয়।
- ভৱিষ্যতৰ প্ৰয়োজনসমূহক মানুহে কমকৈ মূল্যায়ন কৰে, অৰ্থাৎ বৰ্তমানৰ অভাৱক আমি ভৱিষ্যতৰ অভাৱৰ তুলনাত অধিক গুৰুত্ব দিওঁ। কল্পনাৰ অভাৱ আৰু ইচ্ছাশক্তিৰ দুৰ্বলতাৰ বাবে ভৱিষ্যতটো স্পষ্টৰূপত দৃষ্টিগোচৰ নহয় বা ধৰা নিদিয়ে। মানুহে বৰ্তমানৰ সন্তুষ্টিক গুৰুত্ব দিয়া ওপৰোক্ত কাৰণ দুটা মনোবৈজ্ঞানিক আৰু এই দুটা কাৰণত বৰ্তমানৰ বস্তুৰ প্ৰান্তীয় উপযোগিতা ভৱিষ্যতৰ বস্তুৰ প্ৰান্তীয় উপযোগিতাতকৈ বেছি। সেয়েহে, ই বৰ্তমানৰ বস্তুৰ প্ৰতি এক ক্ষতিপূৰণ বা প্ৰিমিয়ামৰ (Agio) সৃষ্টি কৰে।
- বৰ্তমানৰ বস্তুক অগ্ৰাৰ্ধিকাৰ দিয়াৰ তৃতীয় কাৰণটো কাৰিকৰী বা প্ৰযুক্তিৰ লগত জড়িত। বৰ্তমান বস্তুৰ ভৱিষ্যতৰ বস্তুতকৈ প্ৰযুক্তিগত বা কাৰিকৰী শ্ৰেষ্ঠতা বেছি। কাৰিকৰী দিশত সভ্যতাৰ সামগ্ৰিক উন্নতিত জটিল উৎপাদন পদ্ধতিৰ প্ৰয়োগ হয়। ইয়াত সময়ৰ বেছি প্ৰয়োজন। ভৱিষ্যতে উৎপন্ন হ'বলগীয়া বস্তুৰ প্ৰকৃতি আমি নাজানো। আৰু, ভৱিষ্যতত বস্তুৰ এই অনিশ্চয়তাৰ বাবে মানুহে বৰ্তমানৰ অভাৱ-অনাটনক সন্তুষ্টি প্ৰদানত অগ্ৰাধিকাৰ দিয়াৰ লগতে বৰ্তমানৰ বস্তুক ভৱিষ্যতৰ বস্তুতকৈ বেছি মূল্যৱান বুলি ভাবে। এইকাৰণে বৰ্তমানৰ বস্তুৱে ভৱিষ্যতৰ বস্তুতকৈ কাৰিকৰী দিশত বা প্ৰযুক্তিগত ভাৱে শ্ৰেষ্ঠতা লাভ কৰে।

পুঁজিবাদী ব্যৱস্থাৰ জটিলতাৰ হেতু উৎপাদনত বিনিয়োগ কৰা পুঁজিৰ প্রতিদান পাবৰ বাবে পুঁজিপতি সকলে অপেক্ষা কৰিবলগীয়া হয়। উৎপাদনৰ অন্যান্য উপাদনসমূহে সেৱাৰ বিনিময়ত তৎক্ষণাৎ পাৰিশ্রমিক লাভ কৰে। যিহেতু কেৱল পুঁজিপতিয়ে প্রতিদানৰ বাবে অপেক্ষা কৰিবলগীয়া হয়, সেয়ে তেওঁক পুৰষ্কাৰ দিব লাগে আৰু এই পুৰষ্কাৰেই সুদ।

- **মূলধন তত্ত্বঃ** ব'ম বাৱাৱেকে মূলধনৰ প্রকৃতি, উৎস উৎপত্তি আৰু কার্যবিলাক আলোচনা কৰিছে। তেখেতে মূলধনৰ সংজ্ঞা এনেদৰে দিছে "মূলধন উৎপাদিত বস্তুৰ গোট যাক অন্যান্য বয়বস্তু লাভ কৰিবলৈ আহিলা হিচাপে ব্যৱহাৰ কৰা হয়।" অর্থাৎ মূলধন এনে এটা বস্তু যিটোৰ সহায়ত অধিক বস্তু লাভ সম্ভৱ হয়। বাৱাৱেকে মূলধনক উৎপাদনৰ উপাদান বুলি গণ্য কৰিছে কাৰণ ই সুদৰ ৰূপত উপার্জনৰ এক উৎস। তেখেতৰ মতে উৎপাদনৰ এক উৎপাদিত আহিলাই হৈছে মূলধন। উৎপাদনৰ উদ্দেশ্য হৈছে উপভোগৰ বাবে বস্তু উৎপন্ন কৰা। উৎপাদন প্রত্যক্ষ আৰু পৰোক্ষ দুয়োটা পদ্ধতিতে কৰিব পাৰি। পৰোক্ষ পদ্ধতি জটিল উৎপাদন পদ্ধতি য'ত দীর্ঘ সময়ৰ প্রয়োজন হয়। জটিল উৎপাদন পদ্ধতিত প্রথমে উৎপাদনকাৰীৰ বস্তু (অর্থাৎ মূলধন) উৎপন্ন কৰা হয় আৰু ইয়াৰ পাছত এই বস্তুবিলাক, উপভোগৰ বস্তু তৈয়াৰ কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়। মূলধন উৎপাদনৰ ফল। ব'ম বাৱাৱেকৰ মতে মূলধন এক মধ্যৱর্ত্তী উপাদান যাৰ যোগান মূলধন উৎপাদনৰ বাবে অতীতত প্রয়োগ কৰা ভূমি আৰু শ্রমৰ ওপৰত নির্ভৰ কৰে। ই উৎপাদনৰ স্বতন্ত্র উপাদান নহয়। সঞ্চয় আৰু মূলধন গঠনৰ মাজত এক নিবিড় সম্পর্ক আছে। যেতিয়া অভাৱৰ সন্তুষ্টিৰ কথা আহে, মূলধনী দ্রব্যবোৰক ভৱিষ্যতৰ দ্রব্য বুলি গণ্য কৰিব পাৰি। উৎপাদনৰ প্রকৃত বা মৌলিক উপাদান আৰু উৎপাদিত উপাদানৰ মাজৰ পার্থক্য ব'ম বাৱাৱেকৰ মতে অতি তাৎপর্য্যপূর্ণ। উৎপাদনত মূলধন জৰুৰী কাৰণ ইয়াৰ প্রয়োগে অধিক উৎপাদনক্ষম আৰু একে সময়তে, দীর্ঘসময়ৰ জটিল বিনিয়োগ সম্ভৱ কৰি তোলে। এই জটিল উৎপাদন পদ্ধতিত কাৰিকৰী উন্নতিৰ বাবে উৎপাদনশীলতা বৃদ্ধি হয়। জটিল পদ্ধতিত সময় বেছি লাগে আৰু ই প্রচুৰ মূলধন উৎপাদনত বাধা দিব পাৰে। সময়ে বিনিয়োগৰ পৰিমাণ সীমিত কৰে আৰু বিনিয়োগকাৰীয়ে প্রতিদান পাবলৈ অপেক্ষা কৰিবলগীয়া হয়। আকৌ, এইটো দেখা যায় যে উৎপাদনৰ বাবে লগা সময় বৃদ্ধি পালে মুঠ উৎপাদন ক্রমহ্রাসমান হাৰত বৃদ্ধি পায়।

ব'ম বাৱাৱেকৰ ম'তে মূলধন শ্রমৰ সংগৃহীত ৰূপ আৰু সেয়ে মূলধন যিমানে বাঢ়ে, মূলধনৰ পৰিমাণৰ গড়বয়স বাঢ়ি যায়। অৱশ্যে, এইটো তেতিয়াহে সম্ভৱ যেতিয়া মূলধনৰ ধাৰণাই কেৱল ভাসমান বা চলিত মূলধনক অর্ন্তভুক্ত কৰে। এই কার্য্যকৰী (চলিত) মূলধন উৎপাদন কার্য্য চলি থকা সময়ত শ্রমিকক পাৰিশ্রমিক

দিবৰ বাবে ব্যৱহাৰ কৰা হয়। যিহেতু শ্ৰম স্থিৰ থাকে, দীৰ্ঘ সময়ৰ উৎপাদনত প্ৰতিজন শ্ৰমিকৰ বাবে অধিক মূলধনৰ প্ৰয়োজন হ'ব।

ব'ম বাৱাৰেকে সামাজিক আৰু ব্যক্তিগত মূলধনৰ মাজৰ প্ৰভেদো নিৰূপন কৰিছিল। সামাজিক মূলধন বুলিলে সেইবোৰ মধ্যৱৰ্তী সামগ্ৰীৰ কথা বুজোৱা হয় যিবোৰ পৰৱৰ্তী উৎপাদনৰ বাবে প্ৰয়োজনীয়। ব্যক্তিগত মূলধনে উৎপাদন সামগ্ৰী (সামাজিক মূলধন)ৰ লগতে সকলোবোৰ দীৰ্ঘস্থায়ী উপভোগযোগ্য সামগ্ৰী তথা উৎপাদনকৰ্তাই শ্ৰমিকক দিয়া ভৰণ-পোষণ খৰছকো সামৰি লয়। উৎপাদন তত্ত্বত সামাজিক মূলধনৰ ধাৰণাটোৰ গুৰুত্ব আছে। একেদৰে, ব্যক্তিগত মূলধনৰ ধাৰণাটো বিতৰণ তত্ত্বৰ বাবে গুৰুত্বপূৰ্ণ।

১৩.৪.২ ফ্ৰেডৰিক ভন্ উইজাৰ (১৮৫১-১৯২৬)

ফ্ৰেডৰিক ভন্ উইজাৰৰ জন্ম ১৮৫১ চনত হৈছিল। ভিয়েনা, বার্লিন আৰু প্ৰাগ্ বিশ্ববিদ্যালয়ত তেখেতে শিক্ষা গ্ৰহণ কৰিছিল। তেখেত ভিয়েনা বিশ্ববিদ্যালয়ৰ ৰাজনৈতিক অৰ্থনীতিৰ অধ্যাপক আছিল। কার্ল মেনজাৰৰ প্ৰান্তীক উপযোগিতা তত্ত্বৰ দ্বাৰা তেখেতে বৰ প্ৰভাৱিত হৈছিল। সম্পদৰ বিতৰণৰ সমস্যা আলোচনা কৰা তেওঁ প্ৰথম অষ্ট্ৰীয়ান অৰ্থনীতিবিদ আছিল। তেখেতৰ প্ৰধান কৰ্মৰাজি হৈছে।

- ১৮৮৪ চনত প্ৰকাশিত Principal Law Value (মূল্যৰ প্ৰধান বিধিসমূহ)
- ১৮৮৯ চনত প্ৰকাশিত The Theory of Natural Value (প্ৰাকৃতিক মূল্যৰ তত্ত্ব)
- ১৯১৪ চনত প্ৰকাশিত The Theory of Social Economics (সামাজিক অৰ্থবিজ্ঞানৰ তত্ত্ব)
- **মূল্য তত্ত্বঃ** উইজাৰে ব্যাখ্যা কৰিছিল যে ব্যয় আৰু উপযোগিতাই মূল্য নিৰ্ধাৰণ কৰে। সংস্থাপিত সকলৰ শ্ৰম মূল্য তত্ত্বৰ সমালোচনা কৰি তেখেতে মূল্য নিৰ্ধাৰণত ব্যয়ৰ ভূমিকাক অৰ্ন্তভুক্ত কৰিছিল। অৱশ্যে প্ৰকৃত ব্যয়ৰ ধাৰণা তেখেতে দিয়া নাছিল। তেখেতৰ বাবে উপযোগিতা মূল্যৰ কাৰণ, মূল্য এক বৃত্তাকাৰ প্ৰক্ৰিয়া। উচ্চক্ৰমৰ অৰ্থাৎ উৎপাদনকাৰী দ্ৰব্যৰ মূল্য দ্ৰব্যটোৰ দ্বাৰা উৎপাদিত দ্ৰব্যৰ মূল্যৰ ওপৰত নিৰ্ভৰ কৰে। এই প্ৰাপ্ত বা উপজাত (derived) মূল্যক ব্যয় বুলি গণ্য কৰা হয়। তেখেতে ব্যয়ক প্ৰান্তীক উপযোগিতাৰ জৰিয়তে বিচাৰ কৰিছিল। দৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াত ব্যয় আৰু দৰ প্ৰান্তত বা সীমাত (margin) সমান হয়। এইদৰে, তেখেতৰ মূল্যতত্ত্ব ব্যয়ৰ ওপৰত ভিত্তি কৰি হৈছে।

উইজাৰে ব্যাখ্যা কৰিছিল যে উৎপাদনৰ উপাদানবিলাকে শেষ বা অন্তিম উৎপন্ন উৎপাদন কৰা উপযোগিতা, অৰ্থাৎ প্ৰান্তীক উপযোগিতা থকা বাবে উপাদান বিলাকৰ এক মূল্য আছে। তেখেতৰ মতে এটা উৎপাদনকাৰীৰ দ্ৰব্য (উপাদান) বহুতো

দ্ৰব্যৰ উৎপাদনৰ বাবে ব্যৱহৃত হ'লে, সেই উৎপাদনকাৰী দ্ৰব্য অৰ্থাৎ উপাদানটোৰ মূল্য উপাদানটোৰ দ্বাৰা উৎপন্ন হোৱা প্ৰান্তীক বা একেবাৰে কম মূল্যৱান দ্ৰব্যটোৰ দ্বাৰা নিৰ্ধাৰণ কৰে। এইদৰে, প্ৰান্তীক উৎপাদনশীলতাই উপাদান এটাৰ মূল্য নিৰ্ধাৰণ কৰে। উইজাৰে আত্মনিষ্ঠ উপাদানৰ জৰিয়তে মূল্যৰ বিশ্লেষণ কৰিছিল। তেখেতে ক্ৰমহ্ৰাসমান প্ৰান্তীক উপযোগিতা বিধিটো তেখেতৰ মূল্য বিশ্লেষণৰ আলোচনাত ব্যাখ্যা কৰিছে।

- **প্ৰাকৃতিক মূল্যঃ** উইজাৰে প্ৰাকৃতিক মূল্যৰ সংজ্ঞা এনেদৰে দিছে - "ই এনে এটা মূল্য যাক বিকাশৰ উচ্চ স্তৰত এটা সম্প্ৰদায়ত ইয়াৰ অৰ্থনৈতিক জীৱনত দৰ বা বিনিময়ৰ অবিহনে পোৱা যায়।" এনেধৰণৰ মূল্য সাম্যবাদী ব্যৱস্থা বা ৰাষ্ট্ৰত পোৱা যায়। যি অৰ্থনীতিত বস্তুবিলাকক কেৱল মজুতৰ পৰিমাণ আৰু প্ৰান্তীয় উপযোগিতাৰ সম্পৰ্কৰ দ্বাৰা মূল্যায়িত কৰা হয়, তেনে অৰ্থনীতিত প্ৰাকৃতিক মূল্য প্ৰাংসগিক। প্ৰাকৃতিক মূল্য সম্পূৰ্ণৰূপে এক নিৰপেক্ষ পৰিঘটনা, অৰ্থনৈতিক ব্যৱস্থাৰ পৰা ই স্বাধীন বা মুক্ত। অৱশ্যে প্ৰাকৃতিক মূল্যৰ গঠনত বা প্ৰস্তুতকৰণত আবন্টন (বিতৰণ)ৰ বজাৰ ব্যৱস্থাৰ প্ৰয়োজন হয়।
- **আৰোপ তত্ত্ব** (Theory of imputation) ঃ উইজাৰে যোগান, চাহিদা আৰু গুণৰ বিভিন্ন অৱস্থাত উৎপাদনৰ উপাদনসমূহৰ মূল্য আৰোপত মানিবলগীয়া বিধান বা নিয়মসমূহৰ বিষয়ে বৰ্ণনা কৰিছে। মজুত থকা উৎপাদনকাৰীৰ দ্ৰব্যৰ ক্ষেত্ৰত মূল্য আৰোপত প্ৰান্তীক বিধি অনুসৰণ কৰা হয়, অৰ্থাৎ প্ৰত্যেক এককক অতি কমলৈ হ'লেও বৰঙণি দিয়া যায়। সেয়েহে, উৎপাদনকাৰীৰ দ্ৰব্যত আৰোপ কৰিবলগীয়া মূল্যৰ পৰিমাণ দ্ৰব্যটোৰ যোগান বৃদ্ধিৰ লগে লগে কমি আহিব আৰু দ্ৰব্যটোৰ যোগান হ্ৰাস পালে আৰোপিত মূল্যৰ পৰিমাণ বাঢ়িব। একেধৰণৰ কিন্তু গুণাগুণত বিভিন্নতা থকা দ্ৰব্যবিলাকৰ মূল্য বেলেগ বেলেগ হ'ব। উইজাৰে খাজনা, মজুৰি আৰু লাভ নিৰ্ধাৰণ কৰিবলৈ এই তত্ত্বটো যথাক্ৰমে ভূমি, শ্ৰম আৰু মূলধনত প্ৰয়োগ কৰিছে। এইদৰে, এই তত্ত্বটো প্ৰকৃততে বিতৰণৰ তত্ত্ব কাৰণ এই তত্ত্বটোৱে উৎপাদনৰ উপাদানসমূহক কেনেদৰে পাৰিশ্ৰমিক দিয়া যায় তাক ব্যাখ্যা কৰিছে। প্ৰত্যেক উপাদানৰে উৎপাদনত এক নিৰ্দিষ্ট অংশ থাকে আৰু উইজাৰে নিৰীক্ষণ কৰিছিল যে এটা উপাদানৰ প্ৰস্থানে বাকী উপাদানবিলাকৰ উৎপাদনশীলতাক প্ৰভাৱিত কৰে। আকৌ, উপাদানৰ মূল্যই উপাদানটো আন কৰবাত ব্যৱহৃত হোৱাৰ "সুযোগ ব্যয়"ক প্ৰতিষ্ঠা কৰে বা দেখুৱায় দিয়ে। সুযোগ ব্যয়ৰ জৰিয়তে, এটা ব্যৱস্থাত উপাদান আৰু উৎপাদিত দ্ৰব্যৰ মূল্য নিৰ্ধাৰণ হয়। উপভোক্তাৰ দ্ৰব্যৰ ক্ষেত্ৰত প্ৰান্তিক উপযোগিতাই মূল্য নিৰ্ধাৰণ কৰে আৰু এজন ব্যক্তিয়ে কিমান পৰিমাণৰ সন্তুষ্টি পাব সেইটো নিৰ্ভৰ কৰে নিৰ্দিষ্ট দ্ৰব্যবিলাক অধিকাৰ বা দখল কৰাৰ ওপৰত।
- **সামাজিক অৰ্থনীতিঃ** উইজাৰে তেখেতৰ Theory of Social Economics

(সামাজিক অর্থবিজ্ঞানৰ তত্ত্ব) নামৰ গ্ৰন্থখনত কিছুমান নতুন ধাৰণা অর্ন্তভুক্ত কৰিছে। তেওঁ নিজৰ গ্ৰন্থ Social Economics ত কল্যাণৰ তত্ত্বটো আলোচনা কৰিছিল। তেখেতৰ মতে অর্থনীতি সামাজিক প্ৰক্ৰিয়াৰ সৈতে সম্পৰ্কিত। সমাজত প্ৰায়ে সামাজিক সংঘাত থাকে। এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক দমন কৰে।

উইজাৰে এই মত পোষণ কৰিছিল যে সামাজিক অর্থনীতিত তিনি প্ৰকাৰৰ দ্ৰব্য পোৱা যায়- প্ৰথম, সেইবিলাকক দ্ৰব্য যিবিলাক শ্ৰমজীৱি শ্ৰেণীয়ে উপভোগ কৰে আৰু সেই দ্ৰব্যবোৰৰ মূল্য দুখীয়াশ্ৰেণীৰ প্ৰান্তিক উপযোগিতাৰ ওপৰত নির্ভৰ কৰে। দ্বিতীয়তে, বিলাসী দ্ৰব্যবোৰ যিবিলাক প্ৰধানকৈ ধনীশ্ৰেণীয়ে ব্যৱহাৰ কৰে আৰু সেইবিলাকৰ মূল্য ধনীশ্ৰেণীয়ে পোৱা প্ৰান্তিক উপযোগিতাই নির্ধাৰণ কৰে। তৃতীয় শ্ৰেণীৰ দ্ৰব্যত অর্ন্তভুক্ত হৈছে মধ্যৱর্ত্তী দ্ৰব্যবোৰ যিবিলাক আংশিকভাৱে দুখীয়া শ্ৰেণীয়ে আৰু প্ৰধানকৈ মধ্যবিত্ত শ্ৰেণীয়ে উপভোগ কৰে আৰু এই দ্ৰব্যবোৰৰ মূল্য মধ্যবিত্ত শ্ৰেণীয়ে পোৱা প্ৰান্তিক উপযোগিতাই নির্ধাৰণ কৰে। আধুনিক অর্থনীতিত এই মূল্য তত্ত্বই দৰ নির্ধাৰণত সহায় নকৰে কাৰণ মানুহৰ ক্ৰয়ক্ষমতাৰ পার্থক্যবিলাক এই তত্ত্বত বিবেচনা কৰা নাই। উইজাৰে মুক্ত বজাৰ অর্থনীতিক সামাজিকভাৱে অন্যায়পূর্ণ বুলি গণ্য কৰিছিল। ইয়াত প্ৰতিযোগিতামূলক পুঁজিবাদে সম্পদৰ বিতৰণ অসম কৰি তুলিব পাৰে। ৰাষ্ট্ৰই দুর্বল শ্ৰেণীৰ লোকসকলক সুৰক্ষা প্ৰদানৰ জৰিয়তে সামাজিক কল্যাণৰ পোষকতা কৰাত এক সক্ৰিয় ভূমিকা লোৱা উচিত।

উইজাৰে মত পোষণ কৰিছিল যে বর্দ্ধিত নগৰীকৰণ, বর্দ্ধিত অত্যাচাৰ উপদ্ৰৱ আৰু সম্পদৰ অসমানতা বা পার্থক্যই দিয়া অনিষ্টকাৰক প্ৰভাৱৰ বাবে সামাজিক অধঃপতনে দেখা দিয়ে। শ্ৰমৰ বজাৰত প্ৰতিকাৰী শক্তি হিচাপে, বিশেষকৈ একচেটিয়া আৰু স্বল্প বিক্ৰেতাৰ শোষণৰ বিৰুদ্ধে, ট্ৰেড ইউনিয়ন স্থাপনৰ সপক্ষে তেখেতে যুক্তি দর্শাইছিল। সম্পত্তিৰ ৰক্ষণাবেক্ষণ, ৰাষ্ট্ৰীয় উন্নতি, অর্থনৈতিক কল্যাণ আৰু সামাজিক অর্থনীতিৰ নিয়ন্ত্ৰণৰ বাবে তেখেতে কেন্দ্ৰীভূত নিয়ন্ত্ৰণৰ পোষকতা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

৪ নং প্ৰশ্ন ঃ ব'ম বাৱাৱেকৰ সুদ তত্ত্বটোক কি বুলি জনা যায়?
(২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

৫ নং প্রশ্ন ঃ শুদ্ধ / অশুদ্ধ বিচাৰ কৰক-

মেনজাৰে তেখেতৰ অর্থনৈতিক তত্ত্বৰ বিশ্লেষণত নিগমনাত্মক পদ্ধতি ব্যৱহাৰ কৰিছিল।

৬ নং প্রশ্ন ঃ জটিল উৎপাদন কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৭ নং প্রশ্ন ঃ মেনজাৰৰ মতে এটা বস্তুক "দ্রব্য" বুলি অভিহিত কৰিবলৈ বস্তুটোৰ কি কি গুণ থাকিব লাগে ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

১৩.৫ অষ্ট্রীয়ান ভাৱধাৰাৰ সমালোচনা

অষ্ট্রীয়ান ভাৱধাৰাৰ বিৰুদ্ধে উত্থাপিত সমালোচনা বিলাক তলত দিয়া ধৰণৰ-

- অষ্ট্রীয়ান ভাৱধাৰাৰ প্রান্তিক উপযোগিতা বিধিটো এই কাৰণে সমালোচনা কৰা হৈছে যে এই বিধি বিমূর্ত্ত ধাৰণা আৰু চক্রাকাৰ যুক্তি প্রণালীৰ ওপৰত ভিত্তি কৰি আগবঢ়োৱা হৈছে।
- অষ্ট্রীয়ান ভাৱধাৰাৰ জন্ম হৈছিল সংস্থাপিত ভাৱধাৰাৰ এক প্রতিক্রিয়া বা প্রত্যাহ্বান হিচাপে। কিন্তু, সংস্থাপিত ভাৱধাৰাৰ ব্যক্তিবাদ, ভৌতিকবাদ বা জড়বাদ অর্থাৎ ধন-সম্পদৰ ওপৰত দিয়া অত্যাধিক গুৰুত্ব, ভোগবিলাসৰ সর্বাধিকতা (hedonism) আৰু যুক্তি প্রদর্শনৰ ৰীতি ইত্যাদি অষ্ট্রীয়ান ভাৱধাৰাটো বিদ্যমান।
- মূল্যৰ প্রান্তিক উপযোগিতা তত্ত্বটো প্রান্তিক উপযোগিতাৰ ত্রুটিযুক্ত বিশ্লেষণৰ আধাৰত ৰচিত হৈছে বুলি সমালোচনা কৰা হৈছে। অষ্ট্রীয়ানসকলে অভাৱৰ ওপৰত বেছি গুৰুত্ব দিছে। কিন্তু প্রান্তীয় উপযোগিতা কেৱল মাত্র অভাৱৰ প্রকাশ নহয়। ইয়াৰ উপৰিও, এই তত্ত্বটো ৰচিত হৈছে মানুহৰ সুখ-দুখ আদিৰ দৰে বিলাসিতাৰ ধাৰণাৰ ওপৰত, যিটো মূল্যৰ ফলপ্রসূ ভিত্তি বুলি মানিব নোৱাৰি।
- সামাজিক অনুষ্ঠান আৰু মানুহৰ প্রবৃত্তি, উদ্দেশ্য আদিয়ে আর্থিক কার্যত লোৱা ভূমিকাক অষ্টীয়ানসকলে আওকাণ কৰিছে। সুখ দুখৰ অনুভূতিয়েই কেৱল মূল্যৰ আধাৰ বা ভিত্তি হ'ব নোৱাৰে। নৈব্যক্তিক মূল্যায়নেও মানুহৰ হাবিয়াস নির্ধাৰণ কৰিব পাৰে। সামাজিক অনুষ্ঠান, পৰম্পৰা, আয় বিতৰণ, প্রবৃত্তি আৰু নানান মনস্তাত্বিক কাৰণসমূহে আর্থিক কার্য্যৰ গতি আৰু প্রকৃতি নির্ণয় কৰিব পাৰে।
- অষ্ট্রীয়ান ভাৱধাৰাৰ 'প্রান্ত' বা সীমা ধাৰণাটোকো সমালোচনা কৰা হৈছে কাৰণ 'প্রান্ত' সর্বমুঠৰ এক সূচক মাত্র। অর্থাৎ সর্বমুঠ উপযোগিতাৰ ধাৰণাটোৰেহে প্রান্তীয় উপযোগিতাৰ কথা

জানিবলৈ দিয়ে। দুষ্প্রাপ্যতা বা প্রাচুর্যতাৰ অৱস্থাই ব্যক্তিৰ মূল্য নিৰ্দ্ধপণৰ হিচাবত প্রভাৱ পেলাব পাৰে। আকৌ, কোনো এটা দ্রব্যৰ উৎপাদনত হোৱা খৰচৰ পৰা ব্যয় নির্ধাৰণ কৰিব পাৰি। অষ্ট্রীয়ানসকলে এইটো উপলব্ধি কৰা নাছিল।

- অষ্ট্রীয়ান ভাৱধাৰাৰ বিধিসমূহ অতি বেছি ব্যক্তিবাদী আৰু যুক্তিবাদী । তেওঁলোকে দৰকাৰী আনুষ্ঠানিক উপাদানসমূহক বিচাৰ-বিবেচনাৰ আওতালৈ অনা নাই।

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মেনজাৰ, উইজাৰ আৰু ব'ম বাৱাৱেকে প্রতিষ্ঠা কৰা অষ্ট্রীয়ান ভাৱধাৰাই সংস্থাপিত ভাৱধাৰাৰ ধাৰণাক অস্বীকাৰ কৰিছিল আৰু আত্মনিষ্ঠতা আৰু ব্যক্তিবাদৰ ভিত্তিত অর্থনৈতিক তত্ত্বত নতুন ধাৰণাৰ সংযোজন ঘটাইছিল।
- অষ্ট্রীয়ান ভাৱধাৰাত নিগমনাত্মক পদ্ধতিৰ ব্যৱহাৰ কৰা হৈছে।
- প্রান্তিক বিশ্লেষণ, ক্রমহাসমান প্রান্তীয় উপযোগিতা, উপযোগিতাৰ ত্যাগ হিচাপে ব্যয় আৰু মূল্যৰ আৰোপ আদি অষ্ট্রীয়ান ভাৱধাৰাৰ বৈশিষ্ট্যমূলক নীতি বুলি গণ্য কৰা হয়।
- অষ্ট্রীয়ান ভাবৱধাৰাক সাধাৰণতে অগাণিতিক বুলি কোৱা হয়।
- অষ্ট্রীয়ান ভাৱধাৰাৰ মতে, দুষ্প্রাপ্য সম্পদসমূহৰ বিকল্প ব্যৱহাৰৰ মূল্যৰ ওপৰত ভিত্তি কৰি আত্মনিষ্ঠ উপাদানৰ দ্বাৰাও উৎপাদন ব্যয় নির্ধাৰণ কৰা হয়।

১৩.৭ অধিক জানিবলৈ

1) Hajela, T.N. (1999). *History of Economic Thought.* Delhi: Konark Publishers Pvt. Ltd.

2) Jhingan, M.L., Girija, M. Manimekalai.& A. Sasikala. L. (2010). *History of Economic Thought.* Delhi: Vrinda Publications (P) Ltd.

১৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ কার্ল মেনজাৰ, ব'ম বাৱাৱেক আৰু ফ্রেডৰিক ভেন্, উইজাৰক অষ্ট্রীয়ান ভাৱধাৰাৰ ৰক্ষক বুলি কোৱা হয়।

২ নং প্রশ্ন উত্তৰ ঃ প্রান্তীয় বিশ্লেষণৰ ধাৰণাটোৱে এই নীতি অনুসৰণ কৰে যে সকলো অর্থনৈতিক পৰিঘটনা প্রান্তীক বা শেষ এককটোৰ গুৰুত্ব বা মহত্ত্বৰ দ্বাৰা অধ্যয়ন কৰিব লাগে। এই বিশ্লেষণত সকলো অর্থনৈতিক সিদ্ধান্ত, মূল্য, ব্যয়, উৎপাদনশীলতা ইত্যাদি 'প্রান্তৰ' বিন্দুত লোৱা হয়।

৩ নং প্রশ্ন উত্তৰ ঃ অর্থনৈতিক পৰিঘটনাসমূহ ব্যক্তিৰ ব্যৱহাৰ বা কার্যাৱলীৰ দ্বাৰাহে বিশ্লেষণ আৰু ব্যাখ্যা কৰিব লাগে বুলি বিশ্বাস কৰাটোৱেই ব্যক্তিবাদ। ব্যক্তিবাদে বিশ্বাস কৰিছিল যে

ব্যক্তিৰ প্ৰেৰণা আৰু কাৰ্যই সামাজিক পৰিঘটনাৰ জন্ম দিয়ে। গতিকে, অৰ্থনৈতিক পৰিঘটনাৰ ব্যাখ্যা কৰোঁতে কেৱল মাত্ৰ ব্যক্তিৰ কাৰ্য্যাৱলীহে বিচাৰ্য্যৰ বিষয় হ'ব লাগে, গোটক ইয়াৰ আওতালৈ আনিব নালাগে।

৪ নং প্ৰশ্ন উত্তৰ ঃ ব'ম বাৱাৰেকৰ সুদ তত্ত্বটোক সময় অগ্ৰাধিকাৰ সুদ তত্ত্ব আৰু প্ৰিমিয়াম (Agio) সুদ তত্ত্ব বুলি জনা যায়।

৫ নং প্ৰশ্ন উত্তৰ ঃ শুদ্ধ।

৬ নং প্ৰশ্ন উত্তৰ ঃ জটিল উৎপাদনত উৎপাদনশীল সেৱাসমূহ অৰ্থাৎ ভূমি, শ্ৰম আদি দীৰ্ঘসময়ৰ বাবে ব্যৱহাৰ কৰা হয়। ফলস্বৰূপে, এই সেৱাসমূহৰ উৎপাদনশীলতা বৃদ্ধি পায়। ইয়াত উৎপাদন কৌশলো জটিল আৰু উন্নত হয়।

৭ নং প্ৰশ্ন উত্তৰ ঃ মেনজাৰৰ মতে এটা বস্তুক দ্ৰব্য বুলি অভিহিত কৰিবলৈ বস্তুটোৱে তলত উল্লেখিত গুণসমূহ পূৰ্ণ কৰিব লাগিব-

- মানুহৰ অভাৱ থাকিব লাগিব।
- বস্তুটোৰ মানুহৰ অভাৱ পূৰণ কৰিব পৰা ক্ষমতা থাকিব লাগিব।
- উপভোক্তাজনে বস্তুটোৰ অভাৱ পূৰ কৰিব পৰা সক্ষমতাত স্বীকৃতি দিব লাগিব।
- অভাৱৰ সন্তুষ্টিৰ বাবে বস্তুটো প্ৰয়োগ কৰিবলৈ উপভোক্তাজনৰ ক্ষমতা আৰু সামৰ্থ থাকিব লাগিব।

১৩.৯ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ অৰ্থনৈতিক চিন্তাত আত্মনিষ্ঠতা কি?

২ নং প্ৰশ্ন ঃ অষ্ট্ৰীয়ান ভাৱধাৰাৰ মূল্য বিশ্লেষণত প্ৰান্তীয় বিশ্লেষণৰ ধাৰণাটো ব্যাখ্যা কৰক।

৩ নং প্ৰশ্ন ঃ প্ৰিমিয়াম (Agio) সুদ তত্ত্বৰ প্ৰিমিয়াম (Agio) মানে কি?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ ব'ম-বাৱাৰেকৰ সুদৰ ধাৰণাটো বিশ্লেষণ কৰক।

২ নং প্ৰশ্ন ঃ উইজাৰৰ ব্যয় তত্ত্বটো প্ৰান্তীয় উপযোগিতাৰ পৰা উৎপন্ন তত্ত্ব কেনেকৈ হয় দেখুওৱাক।

৩ নং প্ৰশ্ন ঃ অষ্ট্ৰীয়ান ভাৱধাৰাৰ বিৰুদ্ধে কি কি সমালোচনা কৰা হৈছে?

*** ***** ***

অধ্যায় ১৪ ঃ নব্য - সংস্থাপিত ভাৱধাৰা - মার্শ্বাল

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ সংস্থাপিত আৰু নব্য-সংস্থাপিত ভাৱধাৰাৰ মাজত থকা প্ৰভেদ

১৪.৪ নব্য-সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্য

১৪.৫ নব্য-সংস্থাপিত ভাৱধাৰাৰ সমৰ্থক অগ্ৰণী অৰ্থনীতিবিদসকলৰ অৱদান

১৪.৬ এগৰাকী সংশ্লেষক ৰূপে মার্শ্বাল

১৪.৭ মার্শ্বালৰ অৰ্থনৈতিক চিন্তা

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৯ অধিক জানিবলৈ

১৪.১০ অগ্ৰগতিৰ খতিয়ান

১৪.১১ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নব্য-সংস্থাপিত চিন্তাধাৰা আৰু সংস্থাপিত চিন্তাধাৰাৰ মাজৰ পাৰ্থক্য জানিব পাৰিব
- নব্য-সংস্থাপিত চিন্তাধাৰাৰ বৈশিষ্ট্যবোৰ বৰ্ণনা কৰিব পাৰিব
- মার্শ্বালৰ অৰ্থনীতি বিষয়ক চিন্তা আৰু এগৰাকী সংশ্লেষক ৰূপে তেওঁৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ঊনবিংশ শতিকাৰশেষাৰ্দ্ধত প্ৰান্তিক বিপ্লৱ (Marginal Revolution) আৰম্ভ হৈছিল। বিশ্বৰ বিভিন্ন দেশত একে সময়তে এই বিপ্লৱে মূৰ দাঙি উঠিছিল। বিভিন্ন ক্ষেত্ৰত পৃথকে পৃথকে কাম কৰি থকা বিভিন্ন মানুহে এই বিপ্লৱত যোগদান কৰিছিল। ইংলেণ্ডৰ ষ্টেন্‌লী জেভ'নচ্, অষ্ট্ৰিয়াৰ কার্ল মেনজাৰ আৰু চুইজাৰলেণ্ডৰ লিয়'ন ৱালৰাচৰ দৰে প্ৰসিদ্ধ অৰ্থনীতিবিদসকলে প্ৰান্তিক ভাৱধাৰা (Marginal School of thought) টো গঢ় দিছিল বুলি ধৰা হয়। প্ৰান্তিকভাৱধাৰাৰে পোন প্ৰথমে চিন্তা-চৰ্চা আৰম্ভ কৰা অৰ্থনীতিবিদ গৰাকী আছিল জাৰ্মানীৰ হেইনৰিখ্ গোচেন। এই ভাৱধাৰাৰ সমৰ্থকসকলে অৰ্থনৈতিক সমস্যাবোৰক এক পৃথক দৃষ্টিভংগীৰে বিচাৰ কৰি চায়। তেওঁলোকে অৰ্থনৈতিক পৰিঘটনা ব্যাখ্যা তথা কেৱল এটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ আচৰণ, মাত্ৰ এবিধ সামগ্ৰীৰ বজাৰ আৰু স্বতন্ত্ৰ মূল্য (individual price) সৃষ্টিৰ কাৰকবোৰ

বিশ্লেষণ কৰিবলৈ প্ৰান্তিক (margin) ধাৰণাটোৰ ব্যৱহাৰত মনোনিৱেশ কৰিছিল।

প্ৰন্তিক বিপ্লৱৰ সূচনা হোৱাৰ কেইবছৰমানৰ পাছত ইংলেণ্ড, অষ্ট্ৰিয়া, চুইডেন আৰু আমেৰিকাৰ দৰে বিভিন্ন দেশত আন এক ভাৱধাৰাৰ উত্থান ঘটিছিল। নতুন ভাৱধাৰাটোৱে প্ৰান্তিক ভাৱধাৰা আৰু সংস্থাপিত ভাৱধাৰাৰ সৈতে জড়িত ধাৰণাবোৰ সংশ্লেষণৰ প্ৰয়াস কৰিছিল। পাছলৈ ই নব্য- সংস্থাপিত ভাৱধাৰা (Neo-Clasical School) নামেৰে জনাজাত হৈছিল। ইংলেণ্ডৰ মার্শ্বালক নব্য-সংস্থাপিত ভাৱধাৰাৰ প্ৰসাৰ ঘটোৱা অগ্ৰণী অৰ্থনীতিবিদ বুলি গণ্য কৰা হয়। মার্শ্বালীয়ান অৰ্থনীতিত বিস্তৃত ভাৱে প্ৰান্তিকতাবাদ (marginalism) ব্যৱহাৰ কৰা হয়। সিদ্ধান্ত গ্ৰহণৰ মার্শ্বালীয়ান পদ্ধতিত সীমাৰ উল্লেখ আছে। নব্য-সংস্থাপিত ভাৱধাৰাৰ সমৰ্থক আন কেইগৰাকীমান প্ৰখ্যাত অৰ্থনীতিবিদ হ'ল চুইডিশ্ব (অথবা স্কেণ্ডিনেভিয়ান) ভাৱধাৰাৰ পৃষ্ঠপোষক ক্নাট ৱিকচেল, জে.বি. ক্লাৰ্ক, এফ. ডব্লিউ ত'চিগ আৰু আমেৰিকাৰ ইৰ্ভিং ফিশ্বাৰ. নব্য- সংস্থাপিত ভাৱধাৰাৰ সমৰ্থক অৰ্থনীতিবিদ সকলে মুদ্ৰা, সুত আৰু লাভৰ তত্ত্ববোৰলৈ তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে।

১৪.৩ সংস্থাপিত আৰু নব্য-সংস্থাপিত ভাৱধাৰাৰ মাজত থকা প্ৰভেদ

অৰ্থনৈতিক সমস্যাৰ সমাধান বাহিৰ কৰাৰ সময়ত সমস্যা, বিশ্লেষণ আৰু সমাধান পন্থা আলোচনা কৰাৰ ক্ষেত্ৰত সংস্থাপিত (classical) আৰু নব্য-সংস্থাপিত ভাৱধাৰাৰ মাজত প্ৰভেদ আছে। সংস্থাপিত ভাৱধাৰাৰ সমৰ্থক অৰ্থনীতিবিদ সকলে মূলতঃ অৰ্থনৈতিক বিকাশৰ দীৰ্ঘম্যাদী সমস্যা তথা সীমিত মাটি আৰু শ্ৰমিকৰ অসীমিত যোগানৰ সহায়ত এখন ৰাষ্ট্ৰৰ সম্পদ কেনেদৰে বৃদ্ধি কৰিব পাৰি সেয়া আলোচনা কৰে। আনহাতে, নব্য- সংস্থাপিত ভাৱধাৰাৰ সমৰ্থক অৰ্থনীতিবিদে সম্পদ আবণ্টনৰ হ্ৰস্বম্যাদী সমস্যাবোৰ সমাধান কৰি ইয়াৰ পৰা কেনেদৰে সৰ্বাধিক লাভ আহৰণ কৰিব পাৰি সেয়া আলোচনা কৰে। নব্য-সংস্থাপিত চিন্তাধাৰাৰ বিশ্লেষণৰ আধাৰ গঢ়ি দিয়া প্ৰান্তিক বিশ্লেষণ যথেষ্ট জনপ্ৰিয়। ইয়াৰ কাৰণ হ'ল এই বিশ্লেষণৰ সৈতে জড়িত সৰল যুক্তি। এই যুক্তি অনুসৰি যি কার্য্য সম্পাদন কৰাৰ অন্তত প্ৰয়োগ কৰা শ্ৰমতকৈ অধিক লাভ হয় তেনে কার্য্য কৰা উচিত। ইয়াৰ উপৰি নব্য-সংস্থাপিত ভাৱধাৰাৰ অৰ্থনৈতিক বিশ্লেষণত এক আহিলা হিচাপে গণিতে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

সংস্থাপিত ভাৱধাৰাত বিতৰণ তত্ত্ব আৰু মূল্য তত্ত্ব পৃথক পৃথককৈ আলোচনা কৰা হৈছে। নব্য-সংস্থাপিত ভাৱধাৰাৰ সমৰ্থকসকলৰ মতে মূল্য আৰু বিতৰণৰ তত্ত্ব দুটা বেলেগে বেলেগে আলোচনা নকৰিলেও হয়। কাৰণ, বিতৰণ তত্ত্ব হ'ল মূল্য তত্ত্বৰ এক অবিচ্ছেদ্য অংশ।

১৪.৪ নব্য সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্য

তলত নব্য-সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্য কেইটামানৰ সংক্ষিপ্ত ৰূপ উল্লেখ কৰা হ'ল-

- এই ভাৱধাৰাই মূলতঃ সম্পদ আবণ্টনৰ হ্ৰস্বম্যাদী সমস্যাবোৰ আলোচনা কৰি ইয়াৰ পৰা সৰ্বাধিক লাভ আহৰণ উপায় বাহিৰ কৰাৰ চেষ্টা কৰিছিল। মানৰ আচৰণক যুক্তিযুক্ত গণনাৰ সংক্ষিপ্ত ৰূপলৈ সলনি কৰা আৰু উপযোগিতা সৰ্বাধিকীকৰণৰ লক্ষ্য আগত ৰখা উপযোগিতাবাদ দৰ্শন হ'ল নব্য-সংস্থাপিত ভাৱধাৰাৰ ভেটি।
- প্ৰান্তিক বিশ্লেষণৰ বাবেও নব্য সংস্থাপিত ভাৱধাৰাটোৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল। অৰ্থনৈতিক প্ৰতিনিধিৰ আচৰণ বিশ্লেষণ কৰিবলৈ ব্যৱহৃত অৰ্থনৈতিক পৰিঘটনাবোৰ ব্যখ্যা কৰিবলৈ প্ৰান্তীয় বিশ্লেষণ ব্যৱহাৰ কৰা হৈছিল। এই ভাৱধাৰা অনুসৰি এনে অৰ্থনৈতিক প্ৰতিনিধি (Economic agent)বোৰ ব্যক্তি অথবা পৰিয়াল অথবা কোম্পানী হ'ব পাৰে।
- নব্য-সংস্থাপিত ভাৱধাৰাৰ অৰ্থনৈতিক বিশ্লেষণত এক আহিলা ৰূপে গণিতৰ ব্যবহাৰে এটা গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল।
- এই ভাৱধাৰাই মূল্য বিষয়ক কোনো নতুন তত্ত্ব বিকশিত কৰা নাছিল। ই বিতৰণ তত্ত্বক মূল্য তত্ত্বৰ এক অবিচ্ছেদ্য অংশ বুলি গণ্য কৰিছিল। এই ভাৱধাৰাই মূল্যৰ বস্তুনিষ্ঠ তত্ত্বৰ স্থানত বিষয়নিষ্ঠ তত্ত্বৰ প্ৰয়োগত গুৰুত্ব দিছিল।
- এই ভাৱধাৰাই অৰ্থনীতি বিজ্ঞানক অন্য প্ৰাকৃতিক বিজ্ঞানৰ সৈতে সংলগ্ন কৰিছিল। সাধাৰণতে অৰ্থনৈতিক আইনে প্ৰাকৃতিক আইনৰ বৈশিষ্ট্যসমূহ পৰম আৰু বস্তুনিষ্ঠ বুলি ধৰি লয়।
- নব্য-সংস্থাপিত ভাৱধাৰাই 'ৰাজনৈতিক অৰ্থনীতি' (Political Economy) ৰ নাম সলনি কৰি 'অৰ্থবিজ্ঞান' (Economics) কৰিছিল। মার্শ্বালে ইয়াৰ এটা প্ৰকাশ্য আৰু এটা অন্তৰ্নিহিত কাৰণ দাঙি ধৰিছিল। প্ৰকাশ্য কাৰণটো আছিল ন্যস্ত স্বাৰ্থই সৃষ্টি কৰিব পৰা বিভ্ৰম আঁতৰাই ৰখা আৰু অন্তৰ্নিহিত কাৰণটো আছিল অৰ্থবিজ্ঞানক যিকোনো ৰাজনৈতিক শাখাৰ সৈতে জড়িত কৰাৰ পৰা আঁতৰাই ৰখা।
- অৱশ্যে নব্য-সংস্থাপিত ভাৱধাৰাই সংস্থাপিত ভাৱধাৰাই আগবঢ়োৱা অনাহস্তক্ষেপনীতি (Laissez-faire) ৰ মৌলিক দৰ্শনটো সংৰক্ষিত ৰাখিছিল। দুয়োটা ভাৱধাৰাৰ মাজত এই বিষয়ত থকা একমাত্ৰ পাৰ্থক্যটো হ'ল সংস্থাপিত ভাৱধাৰাই আহৰণ / সংগ্ৰহ সমস্যাটোৰ সৈতে অনাহস্তক্ষেপনীতিৰ দৰ্শন সংযুক্ত কৰিছিল আৰু নব্য-সংস্থাপিত ভাৱধাৰাই ইয়াক আবণ্টনকেন্দ্ৰিক দক্ষতাৰ দিশেৰে বিবেচনা কৰি চায়।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ নব্য-সংস্থাপিত ভাৱধাৰা কিয় জনপ্ৰিয়? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

২ নং প্ৰশ্ন ঃ নব্য-সংস্থাপিত ভাৱধাৰাৰে বিচাৰ কৰি চোৱা প্ৰধান সমস্যাটো কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৩ নং প্ৰশ্ন ঃ মার্শ্বালে 'ৰাজনৈতিক অর্থনীতি' ৰ নাম 'অর্থবিজ্ঞান' লৈ সলনি কৰাৰ আঁৰত থকা প্ৰকাশ্য আৰু অন্তর্নিহিত কাৰণ দুটা কি কি বুলি কৈছে? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৪ নং প্ৰশ্ন ঃ অর্থনৈতিক বিধিয়ে যে কিয় প্ৰাকৃতিক বিধিৰ বৈশিষ্ট্য কিয় মানি লয়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

১৪.৫ নব্য-সংস্থাপিত ভাৱধাৰাৰ সমর্থক অগ্রণী অর্থনীতিবিদসকলৰ অৱদান

নব্য-সংস্থাপিত ভাৱধাৰাৰ সমর্থক অর্থনীতিবিদসকলে ধন, সুত আৰু লাভ তত্ত্বলৈ তাৎপর্যপূর্ণ অৱদান আগবঢ়াই থৈ গৈছে। তলৰ উপ-শিতানবোৰত কেইগৰাকীমান অগ্রণী অর্থনীতিবিদৰ অৱদান চমুকৈ আলোচনা কৰা হ'ল-

- **কনাট ৱিকচেল (১৮৫১-১৯২৬)ঃ** অর্থনৈতিক চিন্তাৰ সৈতে জড়িত তত্ত্বৰ জগতখনত ক্নাট ৱিকচেলে এক গুৰুত্বপূর্ণ স্থান দখল কৰি আছে। মূলধন, সুত, বিত্তীয় তত্ত্ব আৰু মূল্য স্তৰৰ দৰে ক্ষেত্রবোৰত ৱিকচেলে আগবঢ়োৱা অৱদানৰ বাবে তেওঁক স্মৰণ কৰা হয়। ৱিকচেলৰ প্ৰধান অৱদানসমূহৰ অন্যতম হ'ল সুতৰ হাৰ (rate of interest) আৰু সাধাৰণ মূল্য স্তৰ (price level) ৰ মাজত সম্পর্ক স্থাপন। তেওঁ মুদ্রাস্ফিতীমূখী অথবা মুদ্রা সংকোচনমুখী গতি-বিধিবোৰৰ ভুমিকা বিশ্লেষণ কৰিছিল। তেওঁ বিত্তীয় পৰিঘটনাৰ সঞ্চয়- বিনিয়োগ পন্থাৰ আলোচনালৈও নিজৰ অৱদান আগবঢ়াই থৈ গৈছে। মূল সুস্থিৰতাৰে পোষকতা কৰাত চৰকাৰ আৰু কেন্দ্রীয় বেংকৰ ভূমিকা আলোচনা কৰাটো হ'ল ৱিকচেলৰ আন এক কৃতিত্ব। ৱিকচেলে

বিত্তীয় তত্ত্ব, ৰাজহুৱা বিত্ত, বাণিজ্য চক্ৰ তত্ত্ব আৰু মূল্য তত্ত্বৰ সংশ্লেষণ সাধন কৰি এইবোৰক এটা একক ধাৰণাৰ ৰূপ দিছিল।

- **জে.বি. ক্লার্ক (১৮৪৭-১৯৩৮)ঃ** জে.বি. ক্লার্কক 'আমেৰিকান প্ৰান্তিক বাদ'ৰ অগ্ৰণী পৃষ্ঠপোষক বুলি কোৱা হয়। তেওঁ উৎপাদন আৰু বিতৰণ ক্ষেত্ৰখনত প্ৰয়োগ কৰা প্ৰান্তিক উপযোগিতা (marginal utility) তত্ত্বটোৰ সম্প্ৰসাৰণ ঘটাইছিল। তেওঁ স্বতন্ত্ৰভাৱে উৎপাদনৰ প্ৰান্তিক তত্ত্ব বিকশিত কৰাৰ কৃতিত্ব অৰ্জন কৰিছে। ইয়াৰ উপৰি তেওঁ বিশ্লেষণৰ আগমন পদ্ধতি ব্যৱহাৰ কৰি স্থিতিবিদ্যা আৰু গতিবিদ্যাৰ স্পষ্ট প্ৰভেদ নিৰূপণ কৰিছিল। ক্লার্কে লাভৰ তত্ত্বটোলৈও তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। ইয়াৰ উপৰি তেওঁ স্থৈতিক আৰু গতিশীল অৰ্থনীতিৰ মাজৰ পাৰ্থক্যও বাহিৰ কৰিছিল।
- **ই�ৰভিং ফিশ্বাৰ (১৮৬৭-১৯৪৭)ঃ** অংকশাস্ত্ৰবিদৰ পৰা অৰ্থনীতিবিদ হিচাপে সুখ্যাতি লাভ কৰা ইৰাভিং ফিশ্বাৰক পৰিসংখ্যা তত্ত্বৰ সূচ্যাংক (Index number) নিৰূপণ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ ভিত্তিত আমেৰিকাৰ সবাতোকৈ মহান বিজ্ঞানসন্মত অৰ্থনীতিবিদ বুলি কোৱা হয়। 'ইকোনোমেত্ৰিক্স' (Econometrics) ৰ ক্ষেত্ৰখনক ফিশ্বাৰৰ অৱদানে এক নতুন মাত্ৰা প্ৰদান কৰিছে। ফিশ্বাৰৰ চিন্তা-চৰ্চাৰ বাবেই ইকোনোমেত্ৰিক তত্ত্বত পৰিসাংখ্যিক পদ্ধতিৰ ব্যৱহাৰে এক এৰাব নোৱাৰা অংশৰ ৰূপ লৈছে। মুদ্ৰা তত্ত্বলৈও ফিশ্বাৰে তাৎপৰ্যপূৰ্ণ আৱদান আগবঢ়াইছে। তেওঁ মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ জনক। ফিশ্বাৰৰ মতে বাণিজ্য চক্ৰবোৰ অৰ্থনীতিৰ অন্তৰ্নিহিত বিষয় নহয়, ই সম্পূৰ্ণৰূপে এটা বিত্তীয় পৰিঘটনা। মূল্য স্তৰ সুস্থিৰ কৰি এই পৰিঘটনা নিয়ন্ত্ৰণ কৰিব পৰা যায়।
- **ত'চিগ (১৮৫৯-১৯৪০)ঃ** আমেৰিকান অৰ্থনীতিবিদ ত'চিগে সংস্থাপিত অৰ্থনৈতিক তত্ত্বটোৰ আধুনিক তত্ত্বৰ সৈতে সংশ্লেষণ ঘটাইছে। মজুৰি আৰু লাভৰ তত্ত্বত তেওঁৰ স্পষ্ট অৱদান আছে। ইয়াৰ উপৰি ত'চিগে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্বলৈও নিজ অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ মজুৰিৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্বৰ সংশোধিত সংস্কৰণটো বাহিৰ কৰিছিল। ত'চিগৰমতে লাভ হ'ল মজুৰিৰেই আন এটা ৰূপ।



অগ্ৰগতি নিৰীক্ষণ

৫ নং প্ৰশ্ন ঃ ৰিকচেলৰ প্ৰধান অৱদানসমূহ কি কি? (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

৬ নং প্ৰশ্ন ঃ জে.বি ক্লাৰ্কক কি কৃতিত্বৰ গৰাকী বুলি কোৱা হয়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৭ নং প্ৰশ্ন ঃ ক্লাৰ্কৰ অন্য তাৎপৰ্যপূৰ্ণ অৱদানবোৰ কি? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

৮ নং প্ৰশ্ন ঃ ইৰভিং ফিশ্বাৰক কিয় আমেৰিকাৰ সবাতোকৈ মহান বিজ্ঞানসন্মত অৰ্থনীতিবিদ বুলি অভিহিত কৰা হয়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৯ নং প্ৰশ্ন ঃ অৰ্থনৈতিক তত্ত্বৰ কোনটো দিশত ত'চিগৰ অৱদানে বিশিষ্ট স্থান দখল কৰিছে। (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

১৪.৬ এগৰাকী সংশ্লেষক ৰূপে মার্শ্বাল

আলফ্ৰেড মার্শ্বাল (১৮৪২-১৯২৪) ক তেওঁৰ সময়ৰ সবাতোকৈ প্ৰভাৱশালী অৰ্থনীতিবিদসকলৰ মাজৰ এজন বুলি ধৰা হয়। তেওঁক নব্য-সংস্থাপিত ভাৱধাৰাৰ প্ৰকৃত প্ৰতিষ্ঠাপকৰ আসন দিয়া হৈছে। মার্শ্বালৰ সবাতোকৈ জনপ্ৰিয় অৰ্থনীতি বিজ্ঞানৰ সংজ্ঞাটো হ'ল জীৱনৰ নিচেই সাধাৰণ কার্য্যকলাপৰ ভেটিত কৰা মানৱ জাতিৰ এক অধ্যয়ন।" মার্শ্বালে ইতিবাচক অৰ্থনীতিৰ নির্ভৰযোগ্যতা অধ্যয়নত আগ্ৰহী আছিল। তেওঁ জনসাধাৰণৰ অৱস্থা উন্নততৰ কৰি তোলাত জোৰ দিছিল। মার্শ্বালৰ মতে অৰ্থনীতি বিজ্ঞানে বিভিন্ন দিশ উন্মোচিত কৰাই নহয় বিভিন্ন ক্ষেত্ৰত সুফলো প্ৰদান কৰে। তেওঁ নিজৰ বিশ্লেষণত বহুত মানৱীয় উপাদান সংযুক্ত কৰিছিল। তেওঁৰ ধাৰণাবোৰে কল্যাণকামী অৰ্থনীতিৰ ভেটিটো গঢ়ি দিছিল।

মার্শ্বালে অৰ্থনীতি বিজ্ঞানত গণিতৰ ব্যৱহাৰ পদ্ধতি উন্নত তথা সংলগ্ন কৰিব খুজিছিল। ইয়াৰ উদ্দেশ্য আছিল অৰ্থনীতিৰ অধ্যয়ন অধিক বিজ্ঞানসন্মত কৰি তোলা। মার্শ্বালে তেওঁৰ লেখনীবোৰত গণিত ব্যৱহাৰ কৰিছিল। কিন্তু মার্শ্বালৰ লেখনীবোৰ সাধাৰণ পাঠকেও বুজি পাইছিল। কাৰণ, তেওঁ গাণিতিক মাত্ৰাবোৰ সহজ-সৰলকৈ বুজাবলৈ লেখনীবোৰত টোকা আৰু পৰিশিষ্ট সন্নিবিষ্ট কৰিছিল। কিন্তু গণিতে কেতিয়াও অৰ্থনীতি বিজ্ঞানক আচ্ছাদিত কৰা নাছিল। মার্শ্বালে

স্বতন্ত্রভাৱে প্রান্তিক নীতি বিকশাই তুলিছিল আৰু যথেষ্ট দক্ষতা সহকাৰে সেয়া নিজৰ অধ্যয়ন প্রণালীত প্রয়োগ কৰিছিল। ১৮৯০ চনত তেওঁ 'Principles of Economics' নামৰ গ্রন্থখন প্রকাশ কৰিছিল। মাশ্বালে, স্মিথ আৰু ৰিকাড'ৰ ধাৰণাবোৰৰ পৰিপুৰক হিচাপে ব্যবহাৰ কৰাৰ উপৰি সংস্থাপিত ভাৱধাৰাৰ উৎপাদন ব্যয় তত্ত্ব আৰু অষ্টিয়ান ভাৱধাৰাৰ উপযোগিতা তত্ত্বৰ সংশ্লেষণ ঘটোৱাৰ চেষ্টা কৰিছিল।

'Principles of Economics' -ত মার্শ্বালে স্থিতিস্থাপকতা, উপভোক্তাৰ উদ্ধৃত্ত, ক্রমবর্দ্ধনশীল আৰু ক্রম হ্রাসমান প্রতিদান বিধি তথা প্রান্তিক উপযোগিতাৰ ধাৰণাবোৰ বিশ্লেষণ কৰিছিল। প্রান্তিক ধাৰণাটোক এক আহিলাৰূপে বিকশাই তোলাৰ শ্রেয় মার্শ্বালৰ প্রাপ্য। তেওঁ অধ্যয়নত বহুল আৰু ফলপ্রসূভাৱে ৰেখাচিত্র ব্যৱহাৰ কৰিছিল। বিশ্বৰ সকলো প্রান্তত অর্থনীতি বিজ্ঞানৰ অধ্যয়নত তেওঁৰ এই আর্হিটো অনুসৰণ কৰা হয়। মার্শ্বালৰ এটা উল্লেখনীয় আৱদান হ'ল চাহিদাআৰু যোগান লেখ চিত্রৰ ব্যৱহাৰ কৰি পৰিমাণ আৰু মূল্য, বজাৰ ভাৰসাম্য, স্থিতিস্থাপকতা, উপভোক্তা ৰাহি, ক্রমবর্দ্ধনশীল তথা ক্রমহ্রাসমান প্রতিদানৰ মাজৰ সম্পর্ক প্রদর্শন। মার্শ্বালে বিকশাই তোলা আর্হিবোৰ ব্যৱহাৰ কৰি আজিও বিভিন্ন অর্থনীতিবিদে ভিন ভিন চলক প্রয়োগৰ সহায়ত আন বিভিন্ন ধৰণৰ অর্থনৈতিক সমস্যা উপস্থাপন কৰে।

আন সকলে সাধাৰণ ভাৰসাম্য পন্থা ব্যৱহাৰ কৰি অধ্যয়ন, চলাই থকা সময়ত মার্শ্বালে তেওঁৰ অধ্যয়নত আংশিক ভাৰসাম্য পন্থা ব্যৱহাৰ কৰিছিল। তেওঁ সর্বমুঠ (Totality) ৰ ৰূপৰেখাৰ ভিতৰত ব্যক্তিগত কার্য পৰীক্ষা কৰি চোৱাত আগ্রহী আছিল। কিন্তু সমগ্রতাৰ ৰূপৰেখাত আংশিক ভাৰসাম্যৰ ব্যক্তিগত পন্থা সংহত কৰাৰ নিয়ম স্পষ্টকৈ নিৰূপণ কৰাত মার্শ্বাল ব্যর্থ হৈছিল। কিন্তু তেওঁ প্রকৃত অর্থনীতি আৰু অর্থনৈতিক এককবোৰৰ মাজত থকা আন্তঃনির্ভৰশীলতাৰ জটিলতা সম্পর্কে সজাগ আছিল। ইয়াৰ উপৰি মার্শ্বেলে এক গুৰুত্বপূর্ণ স্থান দখল কৰা আন এক বিষয় আছিল সময়ৰ উপাদান (element of time)। কাৰণ, মার্শ্বালৰ মতে, অর্থনৈতিক চলকবোৰে কালক্রমত নিজৰ শক্তি আৰু দিশ সলনি কৰে আৰু সেয়েহে বিভিন্ন সময় মণ্ডলত বাহিৰ কৰা সমাধান ভিন ভিন হ'ব পাৰে।

হেনীৰ মতে, "আমি কোৱা মার্শ্বালৰ সংশ্লেষণটো সম্পূর্ণ নির্ভুল নহয় যদিও ই তেওঁৰ এক অনবদ্য অৱদান। সামগ্রিকভাৱে ই অর্থনৈতিক জীৱনৰ এক ব্যাখ্যাতকৈ অধিক আন একো নহয়।" মার্শ্বালে বিশ্বাস কৰিছিল যে অর্থনৈতিক চিন্তা কোনো বিপ্লৱ নহয়, ই এক ক্রমবিকাশ। তেওঁ নিজেই 'Principles o Economics'ক প্রাচীন তত্ত্ববোৰৰ আধুনিক সংস্কৰণ উপস্থাপনৰ এক প্রয়াস বুলি অভিহিত কৰিছিল। কেৱল নতুন অধ্যয়নৰ সহায়ত আৰু নতুন যুগৰ অর্থনৈতিক সমস্যাৰ উল্লেখেৰে তত্ত্ববোৰ পুনৰ উপস্থাপন কৰা হৈছে। তেওঁ মূলতঃ অন্যৰ অৱদানৰ সহায়ত সংস্থাপিত চিন্তাধাৰাৰ পুনৰ নির্মাণ কৰিছিল আৰু সময়ত ইয়েই নব্য-সংস্থাপিত চিন্তাধাৰাৰ বিকাশৰ পথ প্রশস্ত কৰি তুলিছিল।

মার্শ্বালৰ পদ্ধতি আছিল বিস্তৃত। কিন্তু ই সংস্থাপিত চিন্তাধাৰা বর্তি থকাৰ প্রয়োজনীয় পটভূমি গঢ়াত সহায় কৰাৰ উপৰি অর্থনৈতিক চিন্তা জগতৰ পৰৱর্তী চিন্তা-ধাৰণাৰ উন্মেষত

সহায় কৰিছিল। গণিতৰ প্ৰতি থকা মার্শ্বালৰ আগ্ৰহ আৰু মানৱ জ্ঞানৰ অন্য বহুতো দিশ সম্পৰ্কে থকা তেওঁৰ উপলব্ধিয়ে চিন্তা-চৰ্চাবোৰক পৰিপক্কতা প্ৰদান কৰিছিল আৰু অৰ্থনীতিবিদ ৰূপে মার্শালৰ দৃষ্টিভংগী বিশাল কৰি তুলিছিল। মার্শ্বালক আমি এগৰাকী প্ৰকৃত সংশ্লেষক বুলি ক'ব পাৰোঁ। কাৰণ, তেওঁ প্ৰতিযোগিতামূলক একত্ৰিকৃত অৰ্থনৈতিক তত্ত্ব (Competitive Unified Economic Theory) এটা গঢ়ি তুলিছিল। নিউমেনৰ মতে, "অৰ্থনীতি বিজ্ঞানলৈ মার্শ্বালৰ ডাঙৰ অৱদান হ'ল জনমানসত অৰ্থনৈতিক তত্ত্ববোৰৰ পুনৰ সংস্থাপন কৰাটো। মার্শ্বালে বিশেষকৈ অৰ্থনৈতিক বিধি আৰু নৈতিক ধাৰণাবোৰৰ সংশ্লেষণ কৰিছিল।" From Marshall to Modernity নামৰ গ্ৰন্থখনত ইংগ্ৰিডে লিখিছে, "মার্শ্বালে অৰ্থনীতি বিজ্ঞানৰ নীতিবোৰ লিখি উলিওৱাৰ উদ্দেশ্য আছিল ৰিকার্ডৰ Mill's Exposition ধাৰণাটোক শেহতীয়া আৰু সাধাৰণীকৃত ৰূপ দিয়া। কিন্তু তেওঁৰ প্ৰয়াসে এই সৰল লক্ষ্য অতিক্ৰম কৰি বহুদূৰ আগুৱাই গৈছে। সম্পূৰ্ণ চিন্তা প্ৰণালীটোত এনে কিছুমান গুৰুত্বপূৰ্ণ উদ্ভাৱনৰ সংযোজন ঘটিছে যিবোৰে মার্শ্বালক সংস্থাপিত ভাৱধাৰাৰ অগ্ৰজ সমৰ্থকসকলৰ পৰা পৃথক কৰিছে।' মার্শ্বালৰ তত্ত্ব আৰু বিশ্লেষণ তথ্যৰ বিশুদ্ধ বিমূৰ্ত্তকৰণো নহয় আৰু তথ্য বিচাৰৰ ঐতিহাসিক পন্থাও নহয়। ই হ'ল তথ্য সম্বলিত মূৰ্ত তত্ত্ব। তেওঁৰ তত্ত্ব আৰু বিশ্লেষণৰ লক্ষ্য আছিল সম্পদ তথা সমলৰ সৰ্বাধিক ফলপ্ৰসূ আবণ্টন। ইয়াৰ দ্বাৰা সামাজিক কল্যাণৰ মাত্ৰাৰ সৰ্বাধিক কৰিব পৰা যায়।



জানি থোৱা ভাল

আলেফ্ৰেড মার্শ্বালৰ কেইখনমান প্ৰসিদ্ধ গ্ৰন্থ হ'ল-

- The Economics of Industry (১৮৭৯)
  সহঃ লেখিকা- মেৰী পালে
- Principles of Economics (১৮৯০)
- Industry and Trade (১৯১৯)
- Money, Credit and Commerce (১৯২৪)

১৪.৭ মার্শ্বালৰ অৰ্থনৈতিক চিন্তা

মার্শ্বালৰ অৰ্থনৈতিক চিন্তা-চৰ্চাবোৰক তলৰ শিতানবোৰৰ অধীনত আলোচনা কৰিব পাৰি- অৰ্থনীতি বিজ্ঞানৰ প্ৰকৃতি আৰু পৰিসৰ, অৰ্থনীতিৰ আইন, বিশ্লেষণৰ প্ৰণালীবিদ্যা আৰু আহিলা, অৰ্থনৈতিক বিধি তথা মূল্য আৰু বিতৰণ।

- **মার্শ্বালৰ মতে অৰ্থনীতি বিজ্ঞানৰ প্ৰকৃত আৰু পৰিসৰঃ** Principles of Economics শীৰ্ষক গ্ৰন্থত মার্শ্বালে অৰ্থনীতি বিজ্ঞানৰ বিষয়বস্তু আৰু পৰিসৰ এনে ধৰণে ব্যাখ্যা কৰিছে "ৰাজনৈতিক অৰ্থনীতি নাইবা অৰ্থনীতি বিজ্ঞান হ'ল জীৱনৰ সাধাৰণ কাৰ্য-কলাপৰ আধাৰত কৰা মানৱ-জাতিৰ অধ্যায়ন; ই ব্যক্তি আৰু সামাজিক কাৰ্যৰ সেই অংশটো পৰীক্ষা কৰি চায় যিটো অংশ অৰ্জন (attainment) আৰু কল্যাণৰ পাৰ্থিৱ প্ৰয়োজনীয়তাৰ প্ৰয়োগৰ সৈতে

সবাতোকৈ ঘনিষ্ঠভাৱে সংলগ্ন হৈ থাকে"।

মার্শ্বালৰ এই দৃষ্টিভংগীৰ আদাম স্মিথৰ দৃষ্টিভংগীৰ সৈতে সাদৃশ্য আছে। স্মিথে বিশ্বাস কৰিছিল যে অর্থনীতি বিজ্ঞান হ'ল সম্পদৰ বিষয়ে কৰা অধ্যয়ন। কিন্তু এয়া আছিল তেওঁৰ অধ্যয়নৰ মাত্ৰ এটা অংশ। তেওঁৰ ভাষাত, "অর্থাৎ, ই হ'ল সম্পদৰ বিষয়ে কৰা অধ্যায়নৰ এটা ফাল; আনটো ফাল হ'ল সবাতোকৈ গুৰুত্বপূর্ণ, সেই ফালটোৱে মানুহৰ বিষয়ে অধ্যয়ন কৰে।" মানুহৰ জীৱনত এনে বহুতো কথা থাকে যিবোৰৰ অর্থনৈতিক দিশটো মাত্ৰ এটা অংশহে। সেয়েহে, মার্শ্বালে এক একত্রিকৃত সামাজিক বিজ্ঞানৰ আৱশ্যকতা অনুভৱ কৰিছিল। এই বিজ্ঞানে মানুহৰ সামাজিক জীৱনৰ অখণ্ড ৰূপটোৰ সকলো দিশ সামৰি ল'ব। কিন্তু অর্থনীতিত মুদ্ৰাৰ দিশেৰে কার্যবোৰ জুখি বানচ দিয়া হয় অথবা তেনে কার্য আগবঢ়াই নিয়াত বাধা দিয়া হয়। এই কথাটোলৈ মন কৰিলে গম পোৱা যাব যে অর্থনীতি বিজ্ঞান অন্য সামাজিক বিজ্ঞানতকৈ পৃথক। মার্শ্বালে নিৰীক্ষণ কৰা আন এটা প্ৰধান দিশ হ'ল পূর্বানুমানৰ যথার্থতা। অর্থনৈতিক বিধি আৰু মানৱীয় কার্যৰ সৈতে ইয়াৰ সম্পর্ক আছে। কিন্তু মানৱ প্ৰকৃতি সদা-পৰিৱর্তনশীল আৰু মানুহৰ চিন্তা তথা কার্য্যত সদায়েই পূর্বানুমান কৰিব নোৱাৰা বিধৰ বাবে এই ক্ষেত্রত জটিলতাৰ সৃষ্টি হয়।

- **অর্থনৈতিক বিধি সম্পর্কে মার্শ্বালৰ চিন্তাঃ** মার্শ্বালৰ মতে, "অর্থবিজ্ঞানৰ বিধিসমূহক মাধ্যাকর্ষণ শক্তিৰ দ্বাৰা সৃষ্ট সৰল আৰু প্ৰকৃত বিধিৰ সৈতে তুলনা কৰাতকৈ জোৱাৰ-ভাটাৰ বিধিৰ সৈতে তুলনা কৰিব পাৰি।" তেওঁৰ মতে অর্থনৈতিক বিধি হ'ল প্ৰৱণতাৰ ব্যাখ্যা। ই মূর্ত সত্য গঠনকাৰী তথ্য নহয়। মার্শ্বালে তেওঁৰ বিশ্লেষণত আগমন আৰু নিগমন দুয়োটা পদ্ধতিয়েই ব্যৱহাৰ কৰিছিল। মার্শ্বালে প্রান্তীক ধাৰণাটোও জনপ্রিয় কৰি তুলিছিল। তেওঁক আংশিক ভাৰসাম্য পন্থা প্রয়োগকাৰী হিচাপেও জনা যায়।

আন সকলে সাধাৰণ ভাৰসাম্য পন্থা ব্যৱহাৰ কৰি অধ্যয়ন, চলাই থকা সময়ত মার্শ্বালে তেওঁৰ অধ্যয়নত আংশিক ভাৰসাম্য পন্থা ব্যৱহাৰ কৰিছিল। তেওঁ সর্বমুঠ (Totality) ৰ ৰূপৰেখাৰ ভিতৰত ব্যক্তিগত কার্য পৰীক্ষা কৰি চোৱাত আগ্রহী আছিল। কিন্তু সর্বমুঠ ৰূপৰেখাত আংশিক ভাৰসাম্যৰ ব্যক্তিগত পন্থা সংহত কৰাৰ নিয়ম স্পষ্টকৈ নিৰূপণ কৰাত মার্শ্বাল ব্যর্থ হৈছিল। কিন্তু তেওঁ প্রকৃত অর্থনীতি আৰু অর্থনৈতিক এককবোৰৰ মাজত থকা আন্তঃনির্ভৰশীলতাৰ জটিলতা সম্পর্কে সজাগ আছিল। ইয়াৰ উপৰি মার্শ্বালিৰ প্রণালীবিদ্যাত এক গুৰুত্বপূর্ণ স্থান দখল কৰা আন এক বিষয় আছিল সময়ৰ উপাদান (element of time)। কাৰণ, মার্শ্বালৰ মতে, অর্থনৈতিক চলকবোৰে কালক্রমত নিজৰ শক্তি আৰু দিশ সলনি কৰে আৰু সেয়েহে বিভিন্ন সময় মণ্ডলত বাহিৰ কৰা সমাধান ভিন ভিন হ'ব পাৰে। মার্শ্বাল অর্থনীতি বিজ্ঞানৰ ব্যৱহাৰিক দিশটো সম্পর্কে চিন্তিত আছিল। ইয়াক উন্নত কৰি তুলিবলৈ আগ্রহী মার্শ্বালে বিষয়টোত গণিত যোগ দি অধিক বিজ্ঞানসন্মত কৰি তুলিছিল। তেওঁৰ লেখনীবোৰ একেৰাহে তাত্ত্বিক আৰু গাণিতিক প্রয়োগৰে ভৰা। তত্ত্বব্যাখ্যা কৰিবলৈ তেওঁ ৰেখাচিত্র ব্যৱহাৰ কৰিছিল।

তেওঁ মিল আৰু ৰিকার্ডৰ বহুতো উপপাদ্য ৰেখাচিত্ৰ ভিত্তিক জার্গনলৈ সলনি কৰিছিল। কেইন্‌চৰ মতে মার্শ্বাল হ'ল 'আধুনিক ৰেখাচিত্ৰ ভিত্তিক অর্থবিজ্ঞানৰ জনক।'

- **উপযোগিতা আৰু চাহিদা সম্পর্কে মার্শ্বালৰ দৃষ্টিভংগীঃ** মার্শ্বালে চাহিদা বিষয়ক মিলৰ মৌখিক উপস্থাপনটোক এক উন্নততৰ ৰূপ দিছিল, চাহিদা আৰু উপযোগিতাৰ মাজত যোগসূত্ৰ স্থাপন কৰিছিল আৰু কালক্ৰমত উপভোক্তাৰ চাহিদাৰ বিকাশ পৰীক্ষা কৰি চাইছিল। মার্শ্বালৰ মতে চাহিদা হ'ল উপযোগিতা নির্ভৰ বিষয়। তেওঁ সম্পূর্ণ আৰু প্ৰান্তিক উপযোগিতাৰ মাজত থকা পার্থক্য স্পষ্টকৈ নিৰূপণ কৰি দেখুৱাইছিল আৰু প্ৰান্তিক উপযোগিতাৰ ক্ৰমহ্ৰাসমান বিধি ব্যাখ্যা কৰিছিল। মার্শালৰ ভাষাত চাহিদাৰ বিধি হ'ল- "সামগ্ৰী যিমানে অধিক বিক্ৰী কৰা হ'ব, সামগ্ৰীৰ দাম সিমানে কম হ'ব। এনে দামত সামগ্ৰী এবিধ আগবঢ়াই ক্ৰেতা বিচৰা হয়; অথবা, অন্য অর্থত, দাম কমি যোৱাৰ লগে লগে চাহিদাৰ পৰিমাণ বাঢ়ে আৰু দাম বঢ়াৰ লগে লগে চাহিদাৰ পৰিমাণ কমে।"

  মার্শ্বালে সম-প্ৰান্তিক উপযোগিতা (equi-marginal utility)ৰ বিধি উলিয়াইছিল। ক্ৰমহ্ৰাসমান উপযোগিতা (diminishing utility) হ'ল ইয়াৰ আধাৰ। এই নিয়ম অনুসৰি উপভোক্তাৰ চাহিদা নাইবা উপভোক্তাই আদায় দিয়া দাম কেৱল উপযোগিতাৰ প্ৰান্তিক ক্ৰমহ্ৰাসমান বিধিৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। কথাটোৰ সৈতে স্থিৰ বুলি ধৰি লোৱা মুদ্ৰাৰ প্ৰান্তিক উপযোগিতাৰ দিশটো জড়িত হৈ থাকে।

  মার্শ্বালে ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতাৰ নিয়মৰ পৰা ভোক্তাৰ উদ্বৃত্ত (Consumer's Surplus) ৰ ধাৰণাটো বাহিৰ কৰিছিল। ধাৰণাটোৰ ব্যাখ্যা আগবঢ়াই তেওঁ কৈছে, "উপভোক্তাৰ ৰাঢ়ি হ'ল কোনো সামগ্ৰীৰ দামৰ মাত্ৰাধিক্যতা, যিটো দাম ক্ৰেতাই সামগ্ৰীবিধ কিনাৰ পৰা বিৰত থকাতকৈ আদায় দিবলৈ সাজু হয়। এনে কৰোঁতে ক্ৰেতাই সঁচাকৈয়ে যিমান ধন আদায় দিয়ে সেয়াই এই ৰাহি সন্তুষ্টিৰ অর্থনৈতিক জোখ। ইয়াকে উপভোক্তাৰ ৰাহি বুলি ক'ব পাৰি।" এই ধাৰণাটো স্থিতিস্থাপক আৰু অস্থিতিস্থাপক চাহিদা থকা পণ্যদ্ৰব্যত আৰোপ কৰা শুল্কৰ প্ৰভাৱ ব্যাখ্যা কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। পাছত উপভোক্তাৰ ৰাহিৰ ধাৰণাটো কল্যাণকামী অর্থনীতিৰ আধাৰত পৰিণত হৈছিল।

  মার্শ্বালে চাহিদা বিশ্লেষণত গাণিতিক আৰু জ্যামিতিক দুয়োটা পদ্ধতিৰে চাহিদাৰ স্থিতিস্থাপকতাৰ ধাৰণাটো ব্যাখ্যা কৰিছিল। ইয়াৰ লগতে তেওঁ চাহিদাক প্ৰভাৱিত কৰা কাৰক আৰু চাহিদা ৰেখাত স্থানান্তৰ (shift) সৃষ্টিকাৰী কাৰকবোৰ চিনাক্ত কৰি উলিয়াইছিল। এইবোৰৰ উপৰি তেওঁ ব্যক্তিগত চাহিদা ৰেখাৰ পৰা বজাৰ চাহিদা ৰেখা বাহিৰ কৰিছিল।

- **যোগান, উৎপাদন আৰু ব্যয় সম্পর্কে মার্শ্বালৰ দৃষ্টিভংগীঃ** মার্শ্বালে তেওঁৰ চাহিদা বিশ্লেষণ তত্ত্বটোৰ সৈতে মিলাকৈ যোগান তত্ত্বটো উলিয়াইছিল। তেওঁ যোগান মূল্য (supply price) আৰু যোগান সূচী (supply schedule) ৰ ধাৰণা দুটাৰো প্ৰচলন ঘটাইছিল। এই ধাৰণা দুটাৰ মতে ভিন ভিন দামত ভিন ভিন পৰিমাণৰ সামগ্ৰীৰ প্ৰয়োজন হয়। মার্শ্বালৰ মতে যোগান হ'ল উৎপাদন ব্যয় নির্ভৰশীল। আৰু এই ব্যয় টকাৰেজোখা হয়. অর্থাৎ, মার্শ্বালে উৎপাদনৰ

প্ৰকৃত আৰু মুদ্ৰাভিত্তিক ব্যয়ৰ মাজত থকা পাৰ্থক্য বাহিৰ কৰিছিল। যোগানৰ ধাৰণাটো উৎপাদনৰ কাৰকবোৰৰ সহজলভ্যতা আৰু দক্ষতাত নিহিত থাকে। মার্শ্বালে উৎপাদনৰ উপাদান (agent), যেনে- মাটি, শ্ৰমিক, মূলধন আৰু সংগঠনৰ বৈশিষ্ট্যবোৰ বহলাই আলোচনা কৰাৰ লগতে প্ৰতিদান বিধিৰ দৰে উৎপাদনৰ সৈতে জড়িত আন সমস্যাবোৰ পৰীক্ষা কৰি চাইছিল।

মার্শ্বালে ব্যয়ক দুটা ভাগত ভগাইছিল। ইয়াৰে এটা হ'ল প্ৰধান ব্যয় (prime cost)। অৰ্থনৈতিক জাৰ্গন (বহুল ব্যৱহৃত সংজ্ঞা) অনুসৰি ইয়াক পৰিবৰ্তনশীল ব্যয় (variable cost) বুলিও জনা যায়। আনবিধ ব্যয় হ'ল পৰিপূৰক ব্যয় (supplementary cost)। অৰ্থনৈতিক জাৰ্গনত ইয়াক স্থিৰ ব্যয় (fixed cost) বুলি কোৱা হয়। মার্শ্বালে ইয়াৰ সহায়ত মূল্যৰ হ্ৰস্বম্যাদী সমস্যাবোৰ বিশ্লেষণ কৰিছিল। ইয়াৰ উপৰি মার্শ্বলে উৎপাদনৰ মাত্ৰাৰ শ্ৰেণীবিভাজন কৰাৰ সময়ত আভ্যন্তৰীণ আৰু বাহ্যিক অৰ্থনীতিৰ মাজত থকা পাৰ্থক্য বাহিৰ কৰিছিল। কোনো এবিধ পণ্যদ্ৰব্যৰযোগান মূল্য নিয়ন্ত্ৰণকাৰী কাৰণসমূহ ব্যাখ্যা কৰিবলৈ যাওতে মার্শ্বালে প্ৰতিনিধিত্বমূলক ব্যৱসায়িক প্ৰতিষ্ঠান (representative firm)ৰ ধাৰণাটো বিকশিত কৰিছিল। মার্শ্বালৰ ভাষাত, "এটা প্ৰতিনিধিত্বমূলক ব্যৱসায়িক প্ৰতিষ্ঠান দৰাচলতে এটা সাধাৰণ ব্যৱসায়িক প্ৰতিষ্ঠান.....আৰু এই প্ৰতিনিধিত্বমূলক ব্যৱসায়িক প্ৰতিষ্ঠানটোৰেই হ'ল ঠিক সেইধৰণৰ নিৰ্দিষ্ট সাধাৰণ ব্যৱসায়িক প্ৰতিষ্ঠান যিটো নিৰীক্ষণ কৰি আমি উদ্যোগ জগত আৰু এখন নিৰ্দিষ্ট দেশত সাধাৰণভাৱে কোনো এক বৃহৎ মাত্ৰাৰ উৎপাদন কাৰ্যই আভ্যন্তৰীণ তথা বাহ্যিক অৰ্থনীতিক কিমান ব্যাপক কৰি তুলিছে তাৰ উমান পাব পাৰোঁ।"

প্ৰতিদানৰ বিভিন্ন বিধিক মার্শ্বালে ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি, ক্ৰমৱৰ্দ্ধমান প্ৰতিদান বিধি আৰু সমোৎপন্ন প্ৰতিদান বিধি ৰূপে সংজ্ঞাৱদ্ধ কৰিছে। মার্শ্বালে বিশ্বাস কৰিছিল যে দীৰ্ঘম্যাদী ৰূপত কৃষিৰ ক্ষেত্ৰত ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি আৰু সামগ্ৰী নিৰ্মাণ কাৰ্যৰ ক্ষেত্ৰত ক্ৰমৱৰ্দ্ধমান প্ৰতিদান বিধি প্ৰযোজ্য হ'ব। তেওঁ সুনিৰ্দিষ্ট নীতিৰ ফলাফল নিৰ্ধাৰণৰ সময়ত প্ৰতিদান বিধি প্ৰয়োগ কৰিছিল।

- **মার্শ্বালৰ লেখনীত মূল্যতত্ত্ব আৰু সময়ৰ উপাদানৰ উল্লেখঃ** কোনো এবিধ পণ্য সামগ্ৰীৰ মূল্য সম্পৰ্কে অৰ্থনীতিবিদ সকলে ভিন্ন মত পোষণ কৰিছিল। সংস্থাপিত ভাৱধাৰাৰ সমৰ্থক অৰ্থনীতিবিদসকলৰ মতে যোগান অথবা উৎপাদন ব্যয়ে কোনো এবিধ পণ্যদ্ৰব্যৰ মূল্য নিৰ্ধাৰণ কৰে। প্ৰান্তিক ভাৱধাৰাৰ সমৰ্থকসকলে বিশ্বাস কৰিছিল যে কোনো এবিধ পণ্যদ্ৰব্যৰ মূল্য দ্ৰব্যবিধৰ চাহিদাই নিৰ্ধাৰণ কৰি দিয়ে। কিন্তু মার্শ্বালৰ মতে কোনো এবিধ পণ্যদ্ৰব্যৰ মূল্য চাহিদা আৰু যোগান দুয়োটাই নিৰ্ধাৰণ কৰে। সেয়েহে, মূল্যৰ মার্শ্বালীয়ান তত্ত্বটোক 'মূল্যৰ দ্বৈত তত্ত্ব' (The Dual Theory of Value) বুলিও কোৱা হয়। তত্ত্বটোত 'প্ৰান্তিক একক'ৰ ভূমিকাত জোৰ দিয়া হৈছে আৰু ই প্ৰান্তিক উপযোগিতাক উৎপাদনৰ প্ৰান্তিক ব্যয়ৰ সৈতে সংযুক্ত কৰিছে।

মার্শ্বালৰ বিশ্লেষণৰ এক প্ৰধান বৈশিষ্ট্য হ'ল সময়ৰ উপাদান। ই হ'ল অৰ্থনৈতিক চিন্তা জগতলৈ মার্শ্বালৰ এক তাৎপৰ্যপূৰ্ণ অৱদান। সময় উপাদানৰ আধাৰত মার্শ্বালে মূল্যক বিভিন্ন শিতানত শ্ৰেণীবিভক্ত কৰিছে, যেনে- বজাৰ মূল্য, হ্ৰসম্যাদী মূল্য, দীৰ্ঘম্যাদী মূল্য আৰু নিৰপেক্ষ মূল্য। দীৰ্ঘ আৰু হ্ৰস্ব সময়ৰ মাজত থকা পাৰ্থক্য বাহিৰ কৰি সাধাৰণ মূল্য (হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী মূলৰ মিশ্ৰিত ৰূপ)ৰ অৰ্থ স্পষ্ট কৰা হয়।

মার্শ্বালে চাহিদা, যোগান আৰু মূল্যৰ পাৰস্পৰিক আন্তঃনিৰ্ভৰশীলতা সম্পৰ্কে আলোচনা কৰিছিল। ইয়াৰ উপৰি তেওঁ বজাৰত কেনেদৰে ভাৰসাম্য স্থাপন কৰিব পাৰি সেয়াও ব্যাখ্যা কৰিছিল। অৱশ্যে তেওঁ নিজৰ আলোচনা প্ৰতিযোগিতামূলক বজাৰৰ ক্ষেত্ৰতে সীমাৱদ্ধ ৰাখিছিল। অৱশ্যে প্ৰতিযোগিতামূলক বজাৰ বোলোতে তেওঁ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখনৰ কথা কোৱা নাছিল। মার্শ্বালে উল্লেখ কৰা বজাৰখন আছিল তেওঁ উপস্থাপন কৰিব খোজা প্ৰৱণতাবোৰ প্ৰদৰ্শন কৰি প্ৰত্যাশিত ফলাফল লাভৰ চেষ্টা কৰা পৰ্যাপ্তভাৱে প্ৰতিযোগিতামূলক বজাৰ।

- **বিতৰণ সম্পৰ্কে মার্শ্বালৰ দৃষ্টিভংগীঃ** মার্শ্বালে তেওঁৰ Principles of Economics গ্ৰন্থত ৰাষ্ট্ৰীয় আয় বিতৰণৰ বিষয়টো আলোচনা কৰিছে। মার্ক্সৰ দৰে মার্শ্বালেও ভাবিছিল যে মানুহ নিজক লগাতকৈ যথেষ্ট অধিক সামগ্ৰী উৎপাদন কৰিবলৈ সমৰ্থ। ইয়াৰ ফলতেই বিতৰণৰ প্ৰশ্নটোৱে মূৰ দাঙি উঠে। ইয়াৰ লগতে সমাজৰ বিভিন্ন সদস্যৰ মাজত উদ্ধৃত্ত অংশৰ বিতৰণ নিয়ন্ত্ৰণ কৰা নীতিবোৰ নিৰ্ধাৰণ কৰাৰ প্ৰয়োজনীয়তাৰো সৃষ্টি হয়। এই বিষয়ত নিজ মত পোষণ কৰি মার্শ্বালে কৈছে যে মাটি, শ্ৰমিক, মূলধন আৰু সংস্থাৰ দৰে উৎপাদনৰ সকলোবোৰ উপাদানক যেতিয়া প্ৰাপ্য ধন পৰিশোধ কৰা হয়, তেতিয়া শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন (Net National Product) সম্পূৰ্ণ খালী হৈ পৰিব। প্ৰতিটো উপাদানে ইয়াৰ প্ৰান্তিক উৎপাদনশীলতাৰ হাৰ অনুসৰি ধন পৰিশোধ কৰে। উৎপাদনৰ উৎপাদকৰ আয় নিৰ্ধাৰকবোৰ ব্যাখ্যা কৰিবলৈ মার্শ্বালে সময়ৰ উপাদান ব্যৱহাৰ কৰিছিল।

মার্শ্বালে অৰ্থনৈতিক সাহিত্যত সদৃশ খাজনা (Quasi rent)ৰ ধাৰণাটো সংযোজিত কৰিছিল। কাৰণ, তেওঁ ভাবিছিল যে অন্য উৎপাদনৰ উৎপাদক মূল্যত ভাৰাৰ বিষয়টো ধৰা পৰে। মার্শ্বালৰ মতে " মানুহৰ দ্বাৰা সৃষ্ট যন্ত্ৰ-পাতি আৰু উৎপাদনৰ অন্য আহিলাবোৰৰ পৰা আহৰণ কৰা আয়েই হ'ল সদৃশ খাজনা।" মার্শ্বালৰ সদৃশ খাজনা তত্ত্বটোৱে দুষ্প্ৰাপ্যতাৰ খাজনা (scarcity rent) আৰু পাৰ্থক্যজনিত খাজনা (differential rent)ৰ মাজত থকা দোমোজা আঁতৰ কৰি আঙুলিয়াই দেখুৱাইছিল যে দুয়োটা একে পৰিঘটনাৰে ভিন্ন দিশ মাত্ৰ।

মার্শ্বালে মজুৰিৰ সাধাৰণ হাৰ (general rate of wages) ৰ ধাৰণাটো অগ্ৰাহ্য কৰিছিল। ইয়াৰ পৰিৱৰ্তে তেওঁ মজুৰিৰ বিষয়ে আলোচনা কৰাৰ সময়ত আন কিছুমান নতুন উপাদান উপস্থাপণ কৰিছিল। তেওঁৰ মতে, "উৎপাদনৰ আন যিকোনো কাৰকৰ দৰে মজুৰি বিষয়টোও চাহিদ্য আৰু যোগান নিৰ্ভৰশীল। দীৰ্ঘম্যাদী (অথবা সাধাৰণ) মজুৰি হাৰ শ্ৰমিক যোগান

ধৰোতে হোৱা ব্যয় আৰু শ্ৰমিকৰ প্ৰান্তিক উৎপাদনশীলতাই নিৰ্ণয় কৰে। হ্ৰস্বম্যাদী মজুৰিক আন বহুতো কাৰকে প্ৰভাৱিত কৰে।

মার্শ্বালে সৰ্বমুঠ (gross) আৰু শুদ্ধ (net) সুতৰ মাজৰ পার্থক্য নিৰূপণ কৰিছিল। তেওঁ নাচাউ চিনিয়ৰৰ 'সুতৰ পৰিমিতাচাৰ তত্ত্ব' (Abstinence Theory of Interest)ক নিজ তত্ত্বৰ আধাৰ কৰি লৈছিল। কিন্তু মার্শ্বালে নিজৰ তত্ত্বত 'পৰিমিতাচাৰ' (Abstinence) শব্দটোৰ সলনি 'অপেক্ষা' (Waiting) শব্দটো ব্যৱহাৰ কৰিছিল। কাৰণ, তেওঁৰ মতে 'পৰিমিতাচাৰ'শব্দটোৰ প্ৰায়েই ভুল ব্যাখ্যা আগবঢ়োৱা হয়। ধনাঢ্য লোকসকল হ'ল সৰ্বাধিক সম্পদ আহৰণ কৰোঁতা, তেওঁলোকে বিলাসী জীৱন যাপন কৰে আৰু 'পৰিমিতাচাৰ' শব্দটো তেওঁলোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। সেয়েহে শব্দটো পৰিহাৰ কৰাই শ্ৰেয়। ইয়াৰ পৰিৱৰ্তে 'অপেক্ষা' শব্দটোৰ ব্যৱহাৰ কৰাৰ সপক্ষে যুক্তি আগবঢ়াই মার্শ্বালে কৈছে যে মানুহে উপভোগ প্ৰক্ৰিয়াটো পিছুৱাই থৈ অথবা উপভোগৰ বাবে অপেক্ষা কৰি সম্পত্তি আহৰণ কৰে।

এই কথা মার্শ্বালে দৃঢ়ভাৱে কৈছিল যে লাভৰ হাৰে সমতা স্থাপনৰ দিশে আগবাঢ়ি যোৱাৰ প্ৰৱণতা দেখুৱায়। তেওঁ লাভৰ বার্ষিক হাৰ আৰু লাভৰ সমুচ্চয় হাৰৰ মাজত থকা পার্থক্য বাহিৰ কৰিছিল। তেওঁৰ মতে লাভ হ'ল সাধাৰণ যোগান মূল্যৰ এক প্ৰয়োজনীয় উপাদান। তেওঁ লাভৰ ক্ষতিশংকা তত্ত্ব (risk theory)টো অগ্ৰাহ্য কৰিছিল। কিন্তু একে সময়তে লাভ অৰ্জনৰ ক্ষেত্ৰত ধৰা পৰা তাৰতম্যৰ কাৰণ আলোচনা কৰিছিল। মার্শ্বালৰ মতে, "সাধাৰণ লাভত সুত, ব্যৱস্থাপনাৰ উপাৰ্জন আৰু সংগঠনৰ বাবে পাৰিতোষিক আদি অন্তৰ্ভুক্ত হৈ থাকে।" কিন্তু লাভ সম্পৰ্কীয় মার্শ্বালৰ ধাৰণাটে সুস্থিৰ ভেটিত প্ৰতিষ্ঠিত নাছিল বাবে এই দিশত তেওঁৰ অৱদান অস্পষ্ট হৈয়েই ৰ'ল।

- **মার্শ্বালৰ অন্য অৱদানসমূহঃ** মার্শ্বালে চাহিদাৰ স্থিতিস্থাপকতাৰ ধাৰণাটোত জোৰ দিছিল। তেওঁ চাহিদাৰ পৰিমাণৰ আনুপাতিক পৰিৱৰ্তনৰ কাৰণ পণ্যদ্ৰব্যৰ মূল্যত হোৱা আনুপাতিক পৰিৱৰ্তন বুলি সিদ্ধ কৰি দেখুৱাইছিল। বিত্তীয় অৰ্থনীতিৰ ক্ষেত্ৰখনলৈও মার্শ্বালে কিছু মৌলিক অৱদান আগবঢ়াইছে। তেওঁ মুদ্ৰাৰ পৰিমাণগত তত্ত্বক মূল্যৰ সাধাৰণ তত্ত্বৰ এক অংশৰূপে বিশ্লেষণ কৰি দেখুৱাইছে। লগতে তেওঁ সুতৰ প্ৰকৃত হাৰ আৰু সুতৰ আৰ্থিক হাৰৰ মাজত থকা পার্থক্যও নিৰূপণ কৰিছে। পাৰস্পৰিকভাৱে সাল- সলনি কৰি ল'ব পৰা মুদ্ৰাৰ প্ৰচলন থকা দেশবোৰৰ মাজৰ বিনিময় হাৰ ব্যাখ্যা কৰিবলৈ মার্শ্বালে 'ক্ৰয় ক্ষমতা সমমূল্যতা তত্ত্ব' (Purchasing Power Parity Theory) টো বিকশিত কৰিছিল লগতে তেওঁ সামগ্ৰীৰ মূল বৃদ্ধিয়ে কেনেদৰে মুদ্ৰাৰ যোগান বৃদ্ধিক প্ৰতিফলিত কৰে সেয়াও ব্যাখ্যা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

১০ নং প্ৰশ্ন ঃ মার্শ্বালে কিয় অৰ্থনৈতিক বিশ্লেষণৰ সময়ত আগমন আৰু নিগমন উভয় প্ৰকাৰৰ পদ্ধতি ব্যৱহাৰ কৰিছিল? (২০ টা শব্দৰ ভিতৰত

উত্তৰ দিয়ক)

.....

.....

১১ নং প্ৰশ্ন ঃ মার্শ্বালে কোনটো কথাৰ বাবে সর্বাধিক খ্যাতি লাভ কৰিছিল? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

১২ নং প্ৰশ্ন ঃ মার্শ্বালেৰ অর্থনীতিৰ কর্ম পদ্ধতিত সময়ৰ উপাদানে কিয় এক গুৰুত্বপূর্ণ স্থান লাভ কৰিবলৈ সক্ষম হৈছে? (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

১৩ নং প্ৰশ্ন ঃ মার্শ্বালৰ মতে যোগান কিহে নিয়ন্ত্রণ কৰে? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

১৪ নং প্ৰশ্ন ঃ কৃষি আৰু সামগ্রী নির্মাণ খণ্ডত মার্শ্বালৰ মতে প্রতিদান বিধি কেনে ধৰণৰ আছিল? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

১৫ নং প্ৰশ্ন ঃ মার্শ্বালৰ মূল্য তত্ত্বক কিয় 'মূল্যৰ দ্বৈত তত্ত্ব' বুলিও কোৱা হয়? (৬০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মার্শ্বালে সফলতাৰে এটা প্রতিযোগিতামূলক একত্রিকৃত অর্থনৈতিক তত্ত্ব গঢ়ি তুলিছিল। তেওঁ অথবিজ্ঞানক জনপ্রিয় কৰি তোলাৰ লগতে বিষয়টোক এটা বিশুদ্ধ অধ্যয়ন শাখাৰ মর্যাদা লাভত সহায় কৰিছিল।
- অর্থবিজ্ঞানলৈ মার্শ্বালে আগবঢ়োৱা আৱদানবোৰে পৰৱর্তী যুগৰ অর্থনীতিবিদসকলক যথেষ্ট প্রভাৱিত কৰিছিল। আৰু নানা নতুন চিন্তাৰ পথ মুকলি কৰিছিল। তেওঁলোকে নিজাববীয়াকৈ বহুতো তত্ত্ব বিকশিত কৰি খ্যাতি লাভ কৰিছিল।
- মার্শ্বালে নব্য-সংস্থাপিত ভাৱধাৰালৈ আগবঢ়োৱা বৰঙণিৰ ভেটিত অর্থবিজ্ঞানৰ প্রায় সকলো দিশতে অর্থনৈতিক তত্ত্বৰ এটা বিস্তৃত পদ্ধতি গঢ়লৈ উঠিছিল।
- অন্য সমসাময়িক অর্থনীতিবিদৰ তুলনাত মার্শ্বালৰ অধ্যায়ন প্রণালীত আভ্যন্তৰীণ সামঞ্জস্যৰ অভাৱ আছিল। তেওঁৰ অধ্যয়ণ ব্যৱস্থাত থকা সূক্ষ্ম বৈশিষ্ট্যবোৰৰ বাবেই এনে হৈছিল।
- মার্শ্বালৰ কর্মৰাজি কেৱল পূর্ব্ববর্ত্তী ভাৱধাৰাত বিকশিত হোৱা ধাৰণাবোৰৰ সংশ্লেষণেই নাছিল। ইয়াৰ পৰিসৰ আছিল ব্যাপক। হেনীৰ মতে অর্থনৈতিক চিন্তাৰ ইতিহাসত মার্শ্বালৰ নাম সোণালী আখৰেৰে লিখা ৰ'ব। কাৰণ, তেওঁ মূল্য আৰু বিতৰণৰ এটা একত্রিকৃত তথা সুস্থিৰ তত্ত্ব গঢ়ি তোলাৰ কামত অগ্রৱর্তী অর্থনীতিবিদসকলকৈ যথেষ্ট আগবাঢ়ি গৈছিল।
- মার্শ্বালে বিশ্বাস কৰিছিলযে অর্থবিজ্ঞান বৈপ্লৱিক নহয় ক্রমবিৱর্তনশীল প্রক্রিয়া। সেয়েহে তেওঁৰ তত্ত্ববোৰো অন্য তত্ত্বৰ দৰে উন্নত হৈ গৈ থাকিব। তেওঁৰ এই বিশ্বাস পৰৱর্তী সময়ত সত্যত পৰিণত হৈছিল।



১৪.৯ অধিক জানিবলৈ

1) V, Lokanathan. (2018). *A History of Economic Thought.* Delhi: S. Chand.
2) Ghosh and Ghosh. (2017). *Concise History of Economics Thought.* New Delhi: Himalaya Publishing House.
3) R,R, Paul. (2018). *History of Economic Thought.* New Delhi: Kalyani Publishers.



১৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ নব্য-সংস্থাপিত ভাৱধাৰা ইয়াৰ প্রান্তিক বিশ্লেষণৰ বাবে জনপ্রিয়। প্রান্তিক বিশ্লেষণৰ সহায়ত অর্থনৈতিক পৰিঘটনাবোৰ ব্যাখ্যা কৰা হৈছিল। ইয়াৰ জৰিয়তে অর্থনৈতিক প্রতিনিধিসকলৰ আচৰণ বিশ্লেষণ কৰা হয়।

২ নং প্রশ্ন উত্তৰ ঃ এই ভাৱধাৰাই মূলতঃ সম্পদ আবণ্টনৰ হ্রস্বম্যাদী সমস্যাবোৰ আলোচনা কৰি ইয়াৰ পৰা সর্বাধিক লাভ আহৰণ উপায় বাহিৰ কৰাৰ চেষ্টা কৰিছিল।

৩ নং প্রশ্ন উত্তৰ ঃ নব্য-সংস্থাপিত ভাৱধাৰাই 'ৰাজনৈতিক অর্থনীতি' (Political Economy) ৰ নাম সলনি কৰি 'অর্থবিজ্ঞান' (Economics) কৰিছিল। মার্শ্বালে ইয়াৰ এটা প্রকাশ্য আৰু এটা অন্তর্নিহিত কাৰণ দাঙি ধৰিছিল। প্রকাশ্য কাৰণটো আছিল ন্যস্ত স্বার্থই সৃষ্টি কৰিব পৰা বিভ্রম আঁতৰাই ৰখা আৰু অন্তর্নিহিত কাৰণটো আছিল অর্থনীতি বিজ্ঞানক যিকোনো ৰাজনৈতিক শাখাৰ সৈতে জড়িত কৰাৰ পৰা আঁতৰাই ৰখা।

৪ নং প্রশ্ন উত্তৰ ঃ এই ভাৱধাৰাই অর্থবিজ্ঞানক অন্য প্রাকৃতিক বিজ্ঞানৰ সৈতে সংলগ্ন কৰিছিল। সাধাৰণতে অর্থনৈতিক আইনে প্রাকৃতিক আইনৰ বৈশিষ্ট্যসমূহ পৰম আৰু বস্তুনিষ্ঠ বুলি ধৰি লয়।

৫ নং প্রশ্ন উত্তৰ ঃ ৰিকচেলৰ প্রধান অৱদানসমূহৰ অন্যতম হ'ল সুতৰ হাৰ (rate of interest) আৰু সাধাৰণ মূল্য স্তৰ (price level) ৰ মাজত সম্পর্ক স্থাপন। তেওঁ মুদ্রাস্ফিতীমূখী অথবা মুদ্রা সংকোচনমুখী গতি-বিধিবোৰৰ ভুমিকা বিশ্লেষণ কৰিছিল। তেওঁ বিত্তীয় পৰিঘটনাৰ সঞ্চয়- বিনিয়োগ পন্থাৰ আলোচনালৈও নিজৰ অৱদান আগবঢ়াই থৈ গৈছে। মূল্য সুস্থিৰতাৰে পোষকতা কৰাত চৰকাৰ আৰু কেন্দ্রীয় বেংকৰ ভূমিকা আলোচনা কৰাটো হ'ল ৰিকচেলৰ আন এক কৃতিত্ব।

৬ নং প্রশ্ন উত্তৰ ঃ জে.বি. ক্লার্কক 'আমেৰিকান প্রান্তিকতাবাদ'ৰ অগ্রণী পৃষ্ঠপোষক বুলি কোৱা হয়। তেওঁ উৎপাদন আৰু বিতৰণ ক্ষেত্রখনত প্রয়োগ কৰা প্রান্তিক উপযোগিতা (marginal utility) তত্ত্বটোৰ সম্প্রসাৰণ ঘটাইছিল। তেওঁ স্বতন্ত্রভাৱে উৎপাদনৰ প্রান্তিক তত্ত্ব বিকশিত কৰাৰ কৃতিত্ব অর্জন কৰিছে। ইয়াৰ উপৰি তেওঁ বিশ্লেষণৰ নিগমন পদ্ধতি ব্যৱহাৰ কৰি স্থিতিবিদ্যা আৰু গতিবিদ্যাৰ স্পষ্ট প্রভেদ নিৰূপণ কৰিছিল।

৭ নং প্রশ্ন উত্তৰ ঃ ক্লার্কে লাভৰ তত্ত্বটোলৈও তাৎপর্যপূর্ণ অৱদান আগবঢ়াই থৈ গৈছে। ইয়াৰ উপৰি তেওঁ স্থৈতিক আৰু গতিশীল অর্থনীতিৰ মাজৰ পার্থক্যও বাহিৰ কৰিছিল।

৮ নং প্রশ্ন উত্তৰ ঃ অংকশাস্ত্রবিদৰ পৰা অর্থনীতিবিদ হিচাপে সুখ্যাতি লাভ কৰা ইৰাভিং ফিশ্বাৰক পৰিসংখ্যা তত্ত্বৰ সূচ্যাংক (Index number) নিৰূপণ ক্ষেত্রখনলৈ আগবঢ়োৱা অৱদানৰ ভিত্তিত আমেৰিকাৰ সবাতোকৈ মহান বিজ্ঞানসন্মত অর্থনীতিবিদ বুলি কোৱা হয়। 'ইকোনোমেত্রিক্স'ৰ ক্ষেত্রখনক ফিশ্বাৰৰ অৱদানে এক নতুন মাত্রা প্রদান কৰিছে। ফিশ্বাৰৰ চিন্তা-চর্চাৰ বাবেই ইকোনোমেত্রিক তত্ত্বত পৰিসাংখ্যিক পদ্ধতিৰ ব্যৱহাৰে এক এৰাব নোৱাৰা অংশৰ ৰূপ লৈছে।

৯ নং প্রশ্ন উত্তৰ ঃ আমেৰিকান অর্থনীতিবিদ ত'চিগে সংস্থাপিত অর্থনৈতিক তত্ত্বটোৰ আধুনিক তত্ত্বৰ সৈতে সংশ্লেষণ ঘটাইছে। মজুৰি আৰু লাভৰ তত্ত্বত তেওঁৰ স্পষ্ট অৱদান আছে। ইয়াৰ উপৰি ত'চিগে আন্তঃৰাষ্ট্রীয় বাণিজ্য তত্ত্বলৈও নিজ অৱদান আগবঢ়াই থৈ গৈছে।

১০ নং প্ৰশ্ন উত্তৰ ঃ তেওঁৰ মতে অৰ্থনৈতিক বিধিসমূহ হ'ল প্ৰৱণতাৰ ব্যাখ্যা। ই মূৰ্ত সত্য গঠনকাৰী তথ্য নহয়। মার্শ্বালে তেওঁৰ বিশ্লেষণত আগমন আৰু নিগমন দুয়োটা পদ্ধতিয়েই ব্যৱহাৰ কৰিছিল।

১১ নং প্ৰশ্ন উত্তৰ ঃ প্ৰান্তিক ধাৰণাটোক এক আহিলাৰূপে গঢ়ি তোলাৰ শ্ৰেষ্ঠতা মার্শ্বালৰ প্ৰাপ্য। আন সকলে সাধাৰণ ভাৰসাম্য পন্থা ব্যৱহাৰ কৰি অধ্যয়ন, চলাই থকা সময়ত মার্শ্বালে তেওঁৰ অধ্যয়নত আংশিক ভাৰসাম্য পন্থা ব্যৱহাৰ কৰিছিল। তেওঁ সৰ্বমুঠ ধাৰণাৰ (Totality) ৰ ৰূপৰেখাৰ ভিতৰত ব্যক্তিগত কাৰ্য পৰীক্ষা কৰি চোৱাত আগ্ৰহী আছিল। কিন্তু সমগ্ৰতাৰ ৰূপৰেখাত আংশিক ভাৰসাম্যৰ ব্যক্তিগত পন্থা সংহত কৰাৰ নিয়ম স্পষ্টকৈ নিৰূপণ কৰাত মার্শ্বাল ব্যৰ্থ হৈছিল। কিন্তু তেওঁ প্ৰকৃত অৰ্থনীতি আৰু অৰ্থনৈতিক এককবোৰৰ মাজত থকা আন্তঃনিৰ্ভৰশীলতাৰ জটিলতা সম্পৰ্কে সজাগ আছিল।

১২ নং প্ৰশ্ন উত্তৰ ঃ মার্শ্বালৰ বিশ্লেষণৰ এক প্ৰধান বৈশিষ্ট্য হ'ল সময়ৰ উপাদান। ই হ'ল অৰ্থনৈতিক চিন্তা জগতলৈ মার্শ্বালৰ এক তাৎপৰ্যপূৰ্ণ অৱদান। সময় উপাদানৰ আধাৰত মার্শ্বালে মূল্যক বিভিন্ন শিতানত শ্ৰেণীবিভক্ত কৰিছে, যেনে- বজাৰ মূল্য, হ্ৰস্বম্যাদী মূল্য, দীৰ্ঘম্যাদী মূল্য আৰু নিৰপেক্ষ মূল্য। দীৰ্ঘ আৰু হ্ৰস্ব সময়ৰ মাজত থকা পাৰ্থক্য বাহিৰ কৰি সাধাৰণ মূল্য (হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী মূলৰ মিশ্ৰিত ৰূপ)ৰ অৰ্থ স্পষ্ট কৰা হয়।

১৩ নং প্ৰশ্ন উত্তৰ ঃ মার্শ্বালৰ মতে যোগান হ'ল উৎপাদন ব্যয় নিৰ্ভৰশীল। আৰু এই ব্যয় টকাৰেজোখা হয়. অৰ্থাৎ, মার্শ্বালে উৎপাদনৰ প্ৰকৃত আৰু মুদ্ৰাভিত্তিক ব্যয়ৰ মাজত থকা পাৰ্থক্য বাহিৰ কৰিছিল।

১৪ নং প্ৰশ্ন উত্তৰ ঃ মার্শ্বালে বিশ্বাস কৰিছিল যে দীৰ্ঘম্যাদী ৰূপত কৃষিৰ ক্ষেত্ৰত ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি আৰু সামগ্ৰী নিৰ্মাণ কাৰ্যৰ ক্ষেত্ৰত ক্ৰমৱৰ্দ্ধমান প্ৰতিদান বিধি প্ৰযোজ্য হ'ব।

১৫ নং প্ৰশ্ন উত্তৰ ঃ কোনো এবিধ পণ্য সামগ্ৰীৰ মূল্য সম্পৰ্কে অৰ্থনীতিবিদ সকলে ভিন্ন মত পোষণ কৰিছিল। সংস্থাপিত চিন্তাধাৰাৰ সমৰ্থক অৰ্থনীতিবিদসকলৰ মতে যোগান অথবা উৎপাদন ব্যয়ে কোনো এবিধ পণ্যদ্ৰব্যৰ মূল্য নিৰ্ধাৰণ কৰে। প্ৰান্তিক চিন্তাধাৰাৰ সমৰ্থকসকলে বিশ্বাস কৰিছিল যে কোনো এবিধ পণ্যদ্ৰব্যৰ মূল্য দ্ৰব্যবিধৰ চাহিদাই নিৰ্ধাৰণ কৰি দিয়ে। কিন্তু মার্শ্বালৰ মতে কোনো এবিধ পণ্যদ্ৰব্যৰ মূল্য চাহিদা আৰু যোগান দুয়োটাই নিৰ্ধাৰণ কৰে। সেয়েহে, মূল্যৰ মার্শ্বালীয়ান তত্ত্বটোক 'মূল্যৰ দ্বৈত তত্ত্ব' (The Dual Theory of Value) বুলিও কোৱা হয়।

১৪.১১ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ নব্য-সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ এগৰাকী অৰ্থনীতিবিদ হিচাপে ইৰভিং ফিশ্বাৰৰ অৱদান আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ মার্শ্বালে অর্থনৈতিক চিন্তাৰ জগতখনলৈ আগবঢ়োৱা অন্য অৱদানবোৰ আলোচনা কৰক।

ৰচনাধর্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ অর্থনৈতিক তত্ত্বৰ সংশ্লেষণৰূপে মার্শ্বালৰ ভূমিকা আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ উপযোগিতা আৰু চাহিদা সম্পর্কে মার্শ্বালৰ দৃষ্টিভংগী কি আছিল? আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ বিতৰণ তত্ত্বলৈ মার্শ্বালে আগবঢ়োৱা বৰঙণি আলোচনা কৰক।

*** ***** ***

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ সংস্থাপিত ভাৱধাৰাৰ পৰা প্ৰস্থান
১৫.৪ অৰ্থবিজ্ঞানলৈ কেইন্‌চৰ মূখ্য অৱদানসমূহ
১৫.৫ আঁচনি বিষয়ক পৰামৰ্শ
১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৭ অধিক জানিবলৈ
১৫.৮ অগ্ৰগতিৰ খতিয়ান
১৫.৯ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সংস্থাপিত আৰু কেইন্‌চিয়ান ভাৱধাৰাৰ মাজৰ পাৰ্থক্য জানিব পাৰিব
- অৰ্থবিজ্ঞানলৈ কেইন্‌চৰ মূখ্য অৱদানসমূহ জানিব পাৰিব
- কেইন্‌চিয়ান অৰ্থবিজ্ঞানৰ আঁচনিবিষয়ক পৰামৰ্শসমূহ জানিব পাৰিব।

১৫.২ পৰিচয়

পূৰ্বৰ অধ্যায়সমূহত সংস্থাপিত অৰ্থনীতিবিদ সকলৰ পৰা আৰম্ভ কৰি বিভিন্ন অৰ্থনীতিবিদে আগবঢ়োৱা নানাধৰণৰ অৰ্থনৈতিক ভাৱধাৰাৰ বিষয়ে আমি জানিব পাৰিলো। এই অধ্যায়ত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ গৌৰব জে. এম. কেইন্‌চৰ অৰ্থবিজ্ঞানৰ বিভিন্ন ধাৰণাৰ বিষয়ে চমু আভাস দাঙি ধৰা হৈছে। কেইন্‌চৰ পূৰ্বে বিশ্বৰ প্ৰায়বোৰ অৰ্থনীতি সংস্থাপিত তত্ত্বৰ দ্বাৰা পৰিচালিত আছিল। ত্ৰিশৰ দশকত (১৯৩০) বিশ্বজুৰি হোৱা অৰ্থনৈতিক মন্দৱস্থাই প্ৰচলিত ধ্যান-ধাৰণাত থকা আঁসোৱাহসমূহ প্ৰকট কৰিলে আৰু ইয়াৰ বিষয়ে পুনৰ চিন্তা কৰাৰ পৰিস্থিতি এটা উদ্ভৱ কৰিলে। কেইন্‌চে তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ "The General Theory of Employment, Interest and Money" (১৯৩৬)ৰ জৰিয়তে সংস্থাপিত অৰ্থনীতিৰ ধ্যানধাৰণা সমূহৰ এক বৈপ্লৱিক পৰিৱৰ্তন আনে। এই অধ্যায়ৰ প্ৰথম খণ্ডটোৱে সংস্থাপিত আৰু কেইনচীয়ান স্কুলৰ মাজত থকা পাৰ্থক্যসমূহ দাঙি ধৰিছে। দ্বিতীয় খণ্ডটোৱে কেইন্‌চৰ অৰ্থবিজ্ঞান বিষয়ক ধাৰণাসমূহৰ ব্যাখ্যা আগবঢ়াইছে। তৃতীয় তথা শেষ খণ্ডটোৱে কেইনচৰ আচনি-বিষয়ক পৰামৰ্শসমূহৰ এক বিৱৰণ দাঙি ধৰিছে।

১৫.৩ সংস্থাপিত ভাৱধাৰাৰ পৰা প্ৰস্থান

কেইন্‌চৰ অৰ্থবিজ্ঞান বিষয়ক ধাৰণাসমূহ সংস্থাপিত অৰ্থনীতিৰ ধ্যান-ধাৰণা সমূহতকৈ পৃথক। এক অৰ্থত বিপৰীতমূখী। ডি. ৰিকাড', জে.এচ. মিল, মাৰ্চেল, পিগু আদি অৰ্থনীতিবিদ সকলে সমূহীয়াভাবে সংস্থাপিত অৰ্থনীতিৰ ধাৰণাসমূহ আগবঢ়াইছিল। কেইন্‌চ নিজেও মাৰ্চেলৰ শিষ্য আৰু পথ অনুকৰণ কৰোতা আছিল। তেওঁ সংস্থাপিত তত্ত্বসমূহ বহুবছৰ ধৰি অধ্যয়ন আৰু শিক্ষাদান কৰিছিল। এইসমূহত পাৰ্গত হৈ উঠাৰ পিছত কেইনচে পৰৱৰ্ত্তী সময়ছোৱাত সংস্থাপিত অৰ্থনৈতিক তত্ত্বসমূহ তীব্রভাবে সমালোচনা কৰে। প্ৰকৃততে অন্তৰ্দৃষ্টি আৰু মূল্যবোধৰ দ্বাৰা পৰিচালিত হৈ কেইন্‌চে সংস্থাপিত অৰ্থনৈতিক ধাৰণাসমূহৰ বিপৰীতে এক বৈপ্লৱিক পৰিবৰ্ত্তনৰ সূচনা কৰে। সংস্থাপিত আৰু কেইন্‌চৰ অৰ্থনীতিবিষয়ক ধাৰণাসমূহৰ পাৰ্থক্যসমূহ তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰি।

- **পূৰ্ণ নিয়োগ আৰু অপূৰ্ণ নিয়োগঃ** সংস্থাপিত অৰ্থনীতিবিদসকলে ধাৰণা কৰিছিল যে পূৰ্ণ নিয়োগ অৱস্থাত সুস্থিৰ (stable) ভাৰসাম্যতা এক সাধাৰণ পৰিঘটনা। অস্থায়ীভাবে ইচ্ছাকৃত (voluntary) আৰু ঘৰ্ষণকাৰী (frictional) নিবনুৱাৰ সৃষ্টি হ'ব পাৰে। প্ৰচলিত মজুৰিৰ হাৰত যদি কোনো শ্ৰমিকে কাম কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে, তেনেক্ষেত্ৰত ইচ্ছাকৃত নিবনুৱাৰ সৃষ্টি হয়। আনহাতে ঘৰ্ষণকাৰী নিৱনুৱাৰ সৃষ্টি হয় শ্ৰম বজাৰৰ অসম্পূৰ্ণতা (labour market imperfection) যেনে বজাৰ অথবা জীৱিকা সম্পৰ্কীয় তথ্যপাতিৰ অভাৱ, চলনশীলহীনতা (immobility), ঋতুজনিত জীৱিকা, কেঁচা সামগ্ৰীৰ অভাৱ আদি কাৰকৰ ফলস্বৰূপে। নিৱনুৱা সমস্যা উদ্ভাৱ হোৱাৰ কাৰণ যিয়েই নহওক, দীৰ্ঘকালত এই দুই প্ৰকাৰ নিবনুৱাৰ স্বয়ংক্ৰীয়ভাবে বিলোপ ঘটে।

  এই ধাৰণাৰ বিপৰীতে কেইন্‌চে যুক্তি দৰ্শাইছিল যে এখন মুক্ত বজাৰ অৰ্থনীতিত এনে কোনো স্বয়ংক্ৰিয় প্ৰক্ৰিয়া বিৰাজ নকৰে যি অৰ্থব্যৱস্থাটোত পূৰ্ণ নিয়োগ নিশ্চিত কৰিব পাৰে। তদুপৰি মজুৰিৰ লগতে আন উৎপাদকৰ দৰসমূহ যেনে সুদৰ হাৰ, খাজানা, ৰাজহ আদি সংস্থাপিত অৰ্থনীতিবিদ সকলে ধৰি লোৱাৰ দৰে দ্রুতগতিত খাপ খাই নপৰে। সেই বাবে আয় আৰু নিয়োগৰ অপূৰ্ণ ভাৰসাম্যতা সৃষ্টি হোৱাৰ সম্ভাৱনীয়তা থাকে। এনে অৱস্থাত আয় আৰু নিয়োগৰ ভাৰসাম্যতা সামগ্ৰিক চাহিদা (aggregate demand) আৰু সামগ্ৰীক যোগান (aggregate supply) ৰ সমতাৰ (equality) দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয়। (পৰৱৰ্ত্তী দফাত ইয়াক আলোচনা কৰা হৈছে)।

- **মুক্ত অৰ্থনীতি বনাম চৰকাৰী হস্তক্ষেপঃ** সংস্থাপিতঅৰ্থনীতিবিদ সকলে বিশ্বাস কৰিছিল যে অৰ্থব্যৱস্থাটো কোনো চৰকাৰী হস্তক্ষেপ অবিহনে সুন্দৰকৈ চলি যাব পাৰে। প্ৰতিযোগিতা ব্যৱস্থাৰ মুক্ত কাৰ্য্যপ্ৰণালীৰ জৰিয়তে যিকোনো ধৰণৰ নিৱনুৱা সমস্যাৰ সমাধান কৰিব পাৰি বুলি তেওঁলোকে বিশ্বাস কৰিছিল।

  আনহাতে, প্ৰতিযোগিতামূলক মুক্ত অৰ্থ-নৈতিক স্বয়ংক্ৰিয়াৰ ওপৰত কেইন্‌চৰ আস্থা

নাছিল। তেওঁ বিশ্বাস কৰিছিল যে পূৰ্ণ নিয়োগ অৱস্থা বাহাল থাকিবৰ বাবে সক্ৰিয় চৰকাৰী হস্তক্ষেপৰ প্ৰয়োজন। নিবনুৱা অৱস্থাৰ লগত যুঁজিবলৈ আৰু অৰ্থনীতিখনক ব্যক্তিগত বিনিয়োগ কাৰীৰ অনিশ্চয়তাৰ পৰা ৰক্ষা কৰিবলৈ কেইন্‌চে কেইবাটাও সংস্কাৰৰ বিষয়ে অৱগত কৰিছে।

- **জে.বি.চে (J.B.Say) ৰ বজাৰ নীতি আৰু ইয়াৰ প্ৰত্যাখান ঃ** সংস্থাপিত অৰ্থনীতিবিদ জে.বি. চেৰ মতে অতিৰিক্ত যোগানে অতিৰিক্ত চাহিদাৰ সৃষ্টি কৰে। যেতিয়া উৎপাদনৰ উপাদানৰ এটা গোট নিয়োগ কৰা হয় (ধৰাহ'ল শ্ৰমিকৰ এটা গোট), সামগ্ৰীৰ উৎপাদন আৰু উৎপাদনৰ উপাদানৰ আয়— দুয়োটাৰে সৃষ্টি হয়। আয়খিনি উৎপাদিত সামগ্ৰী ক্ৰয় কৰোতে ব্যয় হয়। এইদৰে উৎপাদনৰ উপাদান সমূহে নিজৰ আয়ৰ সৃষ্টি নিজেই কৰি লয়। সেইবাবে অৰ্থনীতি খনত অতিৰিক্ত উৎপাদন আৰু অতিৰিক্ত নিয়োগৰ সম্ভাৱনীয়তা নাথাকে।

  অন্যহাতে কেইন্‌চৰ মতে অতিৰিক্ত নিয়োগৰ ফলস্বৰূপে বৃদ্ধি পোৱা অতিৰিক্ত আয়ৰ সমগ্ৰ অংশ উপভোগ দ্ৰব্য (consumer goods) ক্ৰয় কৰোতেই ব্যয় কৰা নহয়; ইয়াৰ এটা অংশ সঞ্চয় কৰা হয়। তদুপৰি তেওঁৰ মতে ইয়াৰো কোনো নিশ্চয়তা নাই যে অতিৰিক্ত আয়ৰ সঞ্চিত অংশ মূলধনী দ্ৰব্য ক্ৰয় কৰোতেই ব্যয় কৰা হ'ব। যদি এয়ে হয়, চাহিদাৰ নাটনিয়ে (deficincy of demand) দেখা দিব। এই কথাটোৱে ইয়াকে প্ৰমাণ কৰে যে যোগানে নিজৰ চাহিদা নিজে সৃষ্টি কৰিব নোৱাৰে।
- **সঞ্চয় আৰু বিনিয়োগৰ সমতা ঃ** অতিৰিক্ত উৎপাদনৰ সম্ভাৱনীয়তা নোহোৱা কৰিবলৈ আৰু পূৰ্ণ নিয়োগৰ স্তৰ বৰ্তাই ৰাখিবৰ বাবে সংস্থাপিত অৰ্থনীতিবিদসকলে ধাৰণা কৰিছিল যে বৰ্ধিত আয়ৰ সঞ্চিত অংশ তাৎক্ষনিক ভাবে বিনিয়োগ কৰা হয়। সেইবাবে সঞ্চয় বিনিয়োগৰ সমান হয়। সংস্থাপিত অৰ্থনীতিবিদ সকলৰ মতে এই পৰিঘটনা সন্দেহৰ উৰ্দ্ধত। এই সমতা সুদৰ হাৰৰ হ্ৰাস -বৃদ্ধিৰ দ্বাৰা বৰ্তাই ৰখা হয়।

  কিন্তু কেইন্‌চে যুক্তি দৰ্শাইছিল যে সঞ্চয়-বিনিয়োগৰ সমতা সংস্থাপিত অৰ্থনীতিবিদ সকলে ভবাৰ দৰে সিমান সৰল নহয়। এই সমতা কেবল আয়ৰ স্তৰেহে নিৰ্দ্ধাৰণ কৰে। যেতিয়া সঞ্চয় বিনিয়োগতকৈ অধিক হয় তেতিয়া সামগ্ৰিক চাহিদা হ্ৰাস পায়, আয়ৰ স্তৰো হ্ৰাস পায়। ফলস্বৰূপে সঞ্চয়ৰ পৰিমাণ হ্ৰাস পায় অৱশেষত বিনিয়োগৰ সমান হয়। একেদৰে, যদি বিনিয়োগৰ পৰিমাণ সঞ্চয়তকৈ অধিক হয় তেতিয়া আয়ৰ স্তৰ বৃদ্ধি পায়। ফলস্বৰূপে সঞ্চয়ৰ পৰিমান বৃদ্ধি পায় আৰু বিনিয়োগৰ সৈতে সমান হৈ পৰে। সঞ্চয় আৰু বিনিয়োগৰ সমতাই এইটো নুবুজাই যে দুয়োটা ভাৰসাম্য অৱস্থাত থাকে। কাৰণ ব্যয় আৰু উৎপাদন, এই দুটা সুন্দৰকৈ খাপ খাবলৈ সময়ৰ দৰকাৰ হয়।
- **শ্ৰম আৰু নিয়োগৰ সম্পৰ্ক ঃ** সংস্থাপিত অৰ্থনীতিবিদসকলে বিশ্বাস কৰিছিল যে পূৰ্ণ নিয়োগ প্ৰক্ৰিয়াই শ্ৰম বজাৰত পূৰ্ণ নিয়োগ ভাৰসাম্যতা সৃষ্টি কৰে। প্ৰদত্ত চাহিদাত পৰিশ্ৰমিকৰ পৰিমাণ হ্ৰাস কৰি নিয়োগৰ পৰিমাণ বৃদ্ধি কৰিব পৰা যায়। নিম্ন মজুৰিয়ে উৎপাদন ব্যয়ৰ পৰিমান হ্ৰাস কৰে। ইয়াৰ ফলস্বৰূপে সামগ্ৰীৰ দৰ হ্ৰাস পাবলৈ দৰে। পূৰ্বতকৈ কম দৰ হোৱাৰ

বাবে সামগ্ৰীৰ চাহিদা বৃদ্ধি পাবলৈ ধৰে। অধিক উৎপাদনৰ বাবে শ্ৰমিকৰ চাহিদা বৃদ্ধি পাবলৈ ধৰে। অৰ্থাৎ, মজুৰিৰ পৰিমাণ হ্ৰাস কৰি শ্ৰমিকৰ নিয়োগ বৃদ্ধি কৰিব পাৰি।

ইয়াৰ বিপৰীতে কেইন্‌চে যুক্তি দৰ্শাইছিল যে শ্ৰম-নিয়োগৰ এই সম্পৰ্কটো বিশেষ কোনো প্ৰতিস্থান বা উদ্যোগৰ ক্ষেত্ৰতহে প্ৰযোজ্য হয়; সমগ্ৰ অৰ্থনীতিৰ বাবে নহয়। মজুৰি কেবল উৎপাদনকাৰীৰ ব্যয়েই নহয়, ই শ্ৰমিকৰ আয়ৰ কথাও সুচিত কৰে। যদি পাৰিশ্ৰমিকৰ পৰিমাণ হ্ৰাস পায়, সামগ্ৰী আৰু সেৱাৰ চাহিদাৰ পৰিমাণো হ্ৰাস পাৱ।

- **মুদ্ৰাৰ তত্ত্ব আৰু ইয়াৰ পুনৰসংস্কৰণ (reformulation) ঃ** সংস্থাপিত অৰ্থনীতিবিদ সকলে মুদ্ৰাৰ পৰিমাণগত তত্ত্বৰ ওপৰত বিশ্বাস কৰিছিল। অৰ্থাৎ মূদ্ৰাৰ পৰিমাণৰ পৰিৱৰ্ত্তনে পোনপটীয়াভাৱে আৰু আনুপাতিক হাৰত দৰস্তৰৰ পৰিৱৰ্তন আনিব। মূদ্ৰাৰ পৰিমাণ বৃদ্ধিয়ে প্ৰকৃত বস্তুনিষ্ঠ চলক উপাদান যেনে মুঠ উৎপাদন আৰু নিয়োগ স্তৰৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰে। অৰ্থাৎ মূদ্ৰা নিৰ্বিকাৰ (neutral)

  কেইন্‌চে মূদ্ৰাৰ সংস্থাপিত তত্ত্বটোৰ পুনৰ সংস্কৰণ কৰিছিল। তেওঁ মতবাদ আগবঢ়াইছিল যে মূদ্ৰাৰ কাৰ্য্য কেবল বিনিময়ৰ মাধ্যমতে সীমাবদ্ধ নহয়। মূল্যৰ ভড়াঁল হিচাপেও মূদ্ৰাৰ গুৰুত্ব আছে। সুদৰ হাৰৰ জৰিয়তে বৰ্তমান আৰু ভৱিষ্যৎৰ মাজত যোগসূত্ৰ স্থাপনৰ বাবে মুদ্ৰা হ'ল এক অন্যতম আহিলা। মানুহৰ মাজত নগদ মুদ্ৰা ৰখাৰ যি প্ৰৱণতা, তাক "তাৰল্য প্ৰতি" বুলি জনা যায়। তাৰল্য প্ৰতি তিনিটা অভিপ্ৰায়ৰ ওপৰত নিৰ্ভৰ শীল- লেনদেনৰ অভিপ্ৰায়, সতৰ্কমূলক অভিপ্ৰায় আৰু লাভৰ চিন্তাপ্ৰসূত অভিপ্ৰায়। যদি মানুহে অনুভৱ কৰে যে বৰ্তমানৰ সুতৰ হাৰ কম (অথবা ব'স্তুৰ দাম বেছি) আৰু ভৱিষ্যতে অধিক হ'ব বুলি আশা কৰা যায় (অথবা ভৱিষ্যতে বস্তু দাম কমিব), তেতিয়া তেওঁলোকে কম সুতত মুদ্ৰা ঋণ হিচাপে ল'ব (অথবা ইতিমধ্যে ক্ৰয় কৰা বস্তুবোৰ বিক্ৰি কৰিব), আৰু ভৱিষ্যতে বেছি সূতৰ হাৰত ঋণ দিয়াৰ মানসেৰে হাতত নগদ মুদ্ৰা ৰাখিব (অথবা ভৱিষতে কমদৰত বস্তু ক্ৰয় কৰিব)। চিন্তাপ্ৰসূত অভিপ্ৰায়ৰ বাবে মুদ্ৰাৰ চাহিদা বৃদ্ধি পাব। অৰ্থাৎ আধুনিক অৰ্থনীতি এখনত ভৱিষ্যৎ প্ৰত্যাশাই মূখ্য ভূমিকা পালন কৰে।

- **সংস্থাপিত পৃথকীকৰণ—দ্ৰব্য আৰু মূদ্ৰাৰ বজাৰ ঃ** সংস্থাপিত অৰ্থনীতিবিদ সকলে বিশ্বাস কৰিছিল যে দ্ৰব্য আৰু মুদ্ৰাৰ বজাৰ সম্পূৰ্ণৰূপে পৃথক। সামগ্ৰীৰ বজাৰত সঞ্চয় আৰু বিনিয়োগ সদায় সুতৰ হাৰৰ দ্বাৰা সমান হৈ থাকে। যিমান সঞ্চয় হয়, সিমানখিনিয়েই অৰ্থনীতিখনত বিনিয়োগ হয়— কোনোধৰণৰ বিৰতি নোহোৱাকৈ। একেদৰে, মুদ্ৰাৰ বজাৰত, মুদ্ৰাৰ চাহিদা, আৰু যোগানৰ দ্বাৰা সুতৰ হাৰ নিৰ্দ্ধাৰণ কৰা হয়। মুদ্ৰাৰ যোগানৰ পৰিৱৰ্তনে পোনপটীয়া আৰু আনুপাতিক হাৰত দৰস্তৰ বৃদ্ধি কৰে। অৰ্থাৎ ভৌতিক দ্ৰব্যৰ বজাৰখন মুদ্ৰাৰ যোগানৰ পৰিৱৰ্তনৰ প্ৰভাৱৰ পৰা মুক্ত।


  কিন্তু কেইন্‌চৰ মতে ভৌতিক আৰু মৌদ্ৰিক খণ্ড দুটা পৰস্পৰ সংলগ্ন আৰু প্ৰভাৱ সৃষ্টিকাৰী। মুদ্ৰা নিজেই হ'ল সুদৰ হাৰৰ দ্বাৰা বৰ্তমান আৰু ভৱিষ্যৎক সংলগ্ন কৰিব পৰা এক সাঁকো। গতিশীল অৰ্থনীতি এখনত ভৱিষ্যৎৰ প্ৰত্যাশাই বৰ্তমানৰ সুদৰ হাৰ তথা বিনিয়োগৰ

পৰিমাণ নির্ধাৰণ কৰে। অর্থাৎ সংস্থাপিত অর্থনীতিবিদ সকলে কোৱাৰ দৰে দ্রব্য আৰু মুদ্রা খণ্ড দুটা সম্পূর্ণৰূপে পৃথক নহয়।

১৫.৪ অর্থবিজ্ঞানলৈ কেইন্‌চৰ মূখ্য অৱদানসমূহ

জে. এম. কেইন্‌চ এজন তাত্ত্বিক আৰু ব্যৱহাৰিক অর্থনীতিবিদ আছিল। তেওঁ বাস্তৱবাদিতা আৰু বিমূর্ততাক উপহাৰ হিচাবে পাইছিল। তেওঁ উল্লেখনীয় গ্রন্থ সমূহ আছিল- Indian Currency and Finance (ভাৰতীয় মুদ্রা আৰু বিত্ত) (১৯১২), The Economic Consequences of Peace (শান্তিৰ অর্থনৈতিক পৰিণতি) (১৯১৯), How to Pay for the War (যুদ্ধৰ মূল্য কেনেদৰে দিয়া হয়) (১৯৪০), A Treatise on Money (মুদ্রাৰ বিষয়ে বন্দনা) (১৯৩০), The General Theory of Employment, Interest and Money (নিয়োগ, সুত আৰু মুদ্রাৰ সাধাৰণ তত্ত্ব) (১৯৩৬)

নিয়োগ তত্ত্ব অর্থনীতিবিদ কেইন্‌চৰ মূখ্য অৱদান। এই তত্ত্বৰ এক বৈজ্ঞানিক তথা শৃংখলাবদ্ধ ব্যাখ্যা তেখেতৰ বৈপ্লৱিক গ্রন্থ The General Theory of Employment, Interest and Money (নিয়োগ, সুত আৰু মুদ্রাৰ সাধাৰণ তত্ত্ব) ত আগবঢ়োৱা হৈছে। কেইন্‌চৰ অর্থনৈতিক ধাৰণাসমূহ সামগ্রিক ভাৱে তেখেতৰ সাধাৰণ তত্ত্বতে সন্নিবিস্ত কৰা আছে। সেইবাবে, অর্থনীতিবিজ্ঞানলৈ তেওঁৰ অৱদান সমূহ এই তত্ত্বৰ পৰাই বোধগম্য হয়। তলত তালিকা ১৫.১ ৰ জৰিয়তে এই বিষয়ে এটি চমু আভাস দিয়া হৈছে-



- ওপৰৰ তালিকাত- নিয়োগ=উৎপাদন= আয়। নিয়োগ বৃদ্ধিৰ লগে লগে উৎপাদন আৰু আয়ৰ পৰিমাণো সমানুপাতিকভাবে বৃদ্ধি পায়। সেইবাবে, আয় আৰু উৎপাদন হৈছে নিয়োগৰ ফলন। কেইন্‌চে অনুমান কৰিছিল হ্রস্বকালত এই তিনিওটা উপাদান একে দিশতে গতি কৰে বাবে তিনিওটা সদৃশ।

- নিয়োগৰ পৰিমাণ সক্রিয় চাহিদাৰ ওপৰত নির্ভৰ কৰে। সক্রিয় চাহিদাৰ অর্থ হৈছে কোনো সামগ্রী ক্রয় কৰাৰ বাবে উদ্ভৱ হোৱা হাবিয়াস, সক্ষমতা আৰু ইচ্ছাপ্রকাশ- অর্থাৎ প্রকৃততে কৰা ব্যয় (actual expenditure)। সামগ্রিক যোগান ফলন আৰু সামগ্রিক চাহিদা ফলনৰ দ্বাৰা সক্রিয় চাহিদা নির্ণয় কৰা হয়। অর্থাৎ উপযোগী চাহিদাৰ বিন্দুত এখন অর্থনীতিৰ মুঠ আয় আৰু মুঠ ব্যয়ৰ পৰিমাণ সমান হয়।
- সামগ্রিক যোগান ফলনে মুদ্রাৰ বিভিন্ন পৰিমাণক নির্দেশ কৰে, যি উদ্যোক্তাসকলে উৎপাদনৰ বিভিন্ন স্তৰত তেওঁৰ উৎপাদিত সামগ্রীসমূহ বিক্রি কৰি লাভ কৰে। কেইন্‌চে হ্রস্বকালত সামগ্রিক যোগান স্থিৰে থাকে বুলি অভিধাৰণা কৰিছিল।
- সামগ্রিক চাহিদা ফলনে মুদ্রাৰ বিভিন্ন পৰিমাণক নির্দেশ কৰে যি উদ্যোক্তাসকলে সামগ্রী আৰু সেৱা বিক্রিৰ জৰিয়তে লাভ কৰিব বুলি আশা কৰে। সামগ্রিক চাহিদা উপভোগ ব্যয় আৰু বিনিয়োগ ব্যয়ৰ দ্বাৰা পৰিচালিত হয়।
- উপভোগ ফলন "উপভোগৰ মনস্তাত্তিক বিধিৰ"ৰ ওপৰত প্রতিস্থিত। এই বিধি অনুসৰি উপভোগ ব্যয় কেতিয়াও শূণ্য হব নোৱাৰে। শূণ্য আয়ৰ স্তৰতো এজন উপভোক্তাই ভোগ কৰিব পাৰে - যাক কোৱা হয় 'স্বতন্ত্র উপভোগ"। ক্রমান্বয়ে আয় বৃদ্ধিৰ লগে লগে উপভোগৰ পৰিমাণো বৃদ্ধি পায়। কিন্তু এই বৃদ্ধিৰ পৰিমাণ অনুপাত হিচাপত আয় বৃদ্ধিৰ অনুপাতকৈ কম। কাৰণ বর্ধিত আয়ৰ এটা অংশ সঞ্চয় কৰা হয়। আয়ৰ স্তৰৰ উপৰিও উপভোগ ব্যয় উপভোগ প্রৱনতা (propensity to consume) ৰ ওপৰত নির্ভৰ কৰে। সমাজত ধনীক শ্রেণীৰ তুলনাত দুখীয়া শ্রেণীৰ উপভোগ প্রৱণতা বেছি। হ্রস্বকালত উপভোগ ফলন সাধাৰণতে স্থিৰ হয়। বিনিয়োগ গুণকৰ বাবে চৰকাৰী ব্যয়ৰ বহুগুণে আয় আৰু নিয়োগ বৃদ্ধি পায়।
- ব্যক্তিগত বিনিয়োগ, বিনিয়োগৰ প্রান্তিক দক্ষতা আৰু যোগান দৰৰ ওপৰত নির্ভৰ কৰে। বিনিয়োগৰ প্রান্তিক দক্ষতাই বিনিয়োগ কৰা মূলধনৰ পৰা লাভ কৰা প্রতিদানক সূচিত কৰে। যোগান দৰ হৈছে বিনিয়োগ কৰা মূলধনৰ দৰ। বিনিয়োগ ফলন বা বিনিয়োগ প্রৱণতা পূৰামাত্রাই অস্থিৰ।
- বিনিয়োগৰ প্রান্তিক দক্ষতাৰ দুই প্রকাৰৰ নির্ণায়ক হৈছে প্রত্যাশিত প্রতিদান (prospective yield) আৰু মূলধনী সম্পদৰ যোগান দৰ (supply price)
- এটা মূলধনী সম্পদৰ পৰা ইয়াৰ জীৱনকালত আহৰণ কৰিব পৰা যাব বুলি প্রত্যাশা কৰা শুদ্ধ/নিগুট প্রতিদানক প্রত্যাশিত প্রতিদান বুলি কোৱা হয়। প্রত্যাশিত প্রতিদানে মূলধনী সম্পদটি ক্রয় কৰোতে কৰা বজাৰ দৰক সূচিত নকৰে। আনহাতে যোগান দৰ হৈছে নতুন মূলধনী সম্পদ এটা প্রস্তুত কৰোতে কৰা ব্যয়ৰ পৰিমাণ।
- সুদৰ হাৰে বিনিয়োগৰ বিত্তীয় চাহিদা পূৰণৰ বাবে কৰা ঋণ গ্রহণৰ ব্যয়ক নির্দেশ কৰে। ই এটা মূদ্রা জনিত বিষয়। সুদৰ হাৰ মুদ্রাৰ চাহিদা আৰু যোগানৰ দ্বাৰা নির্দ্ধাৰণ কৰা হয়। মুদ্রাৰ চাহিদা হৈছে তাৰল্যপ্রতি আৰু এই তাৰল্যপ্রতি তিনিটা অভিপ্রায়ৰ ওপৰত নির্ভৰ কৰেঃ লেনদেনৰ অভিপ্রায়, সতর্কতামূলক অভিপ্রায় আৰু লাভৰ কল্পনাপ্রসূত অভিপ্রায়। হ্রস্বকালত

মৌদ্রিক কর্ত্তৃপক্ষৰ দ্বাৰা মুদ্রাৰ যোগান স্থিৰে থাকে। গতিকে সূদৰ হাৰ নির্ধাৰণৰ ক্ষেত্রত লাভৰ কল্পনাপ্রসূত অভিপ্রায়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। লাভৰ কল্পনাপ্রসূত অভিপ্রায়ৰ বাবে মুদ্রাৰ চাহিদা সূদৰ হাৰৰ বিপৰীতধর্মী, আৰু অতিনিম্নহাৰৰ সূদৰ ক্ষেত্রত ইয়াৰ চাহিদা পূর্ণ স্থিতিস্থাপক হয়। ইয়াকেই তাৰল্য ফান্দ (Liquidity trap) বোলা হয়। তাৰল্য ফান্দৰ উপস্থিতিয়ে মৌদ্রিক নীতিৰ গুৰুত্ব সম্পূর্ণভাৱে নোহোৱা কৰে।

হ্রস্বকালত মুদ্রাৰ যোগানৰ পৰিমাণ দেশৰ মৌদ্রিক নীতি অনুসৰি কেন্দ্রীয় বেংকে স্থিৰ কৰে। নিয়োগৰ ওপৰোক্ত দুই নির্ণায়ক (ভোগ আৰু বিনিয়োগ)ৰ ভিতৰত অভিপ্রেত বিনিয়োগকে নিয়োগৰ আয়ৰ উত্থানপতনৰ বাবে জগৰীয়া কৰিব পাৰি। কাৰণ ভোগ ফলন হ্রস্বকালত স্থিৰে থাকে। অভিপ্রেত বিনিয়োগ বিনিয়োগৰ প্রান্তিক দক্ষতা (MEC) আৰু সুতৰ হাৰৰ ওপৰত নির্ভৰ কৰে। যিহেতু সুদৰ হাৰ আপেক্ষিক ভাবে স্থিৰ হৈ থাকে, অভিপ্রেত বিনিয়োগৰ পৰিবর্তন মূলধনৰ প্রান্তিক দক্ষতা (MEC)ৰ পৰিবর্ত্তনৰ বাবে সংঘটিত হয়। আকৌ, (MEC)ৰ দুই নির্ণায়ক প্রত্যাশিত প্রতিদান আৰু যোগান দৰৰ ভিতৰত যোগান দৰ হ্রস্বকালত তুলনামূলক ভাবে স্থিৰ হৈ থাকে। সেইবাবে MEC প্রধানকৈ প্রত্যাশিত প্রতিদানৰ দ্বাৰাই প্রভাৱিত হয়। প্রত্যাশিত প্রতিদান ভৱিষ্যত প্রত্যাশাৰ ওপৰত নির্ভৰ কৰে যি অনিশ্চিত আৰু যাৰ ভৱিষ্যতৰ বিষয়ে সঠিকক কৈ ক'ব পৰা নাযায়। সেইবাবে ক'ব পাৰি যে এখন পূজিবাদী অর্থনীতিৰ অস্থিৰতাৰ সর্বশেষ মূখ্য কাৰণ হৈছে মূলধনী সম্পদৰ অস্থিৰ আচৰণ।

- MECৰ অনিশ্চিয়তা আৰু অস্থিৰতাৰ বাবে পূঁজিবাদী অর্থনীতিত ব্যক্তিগত বিনিয়োগৰ দ্বাৰা অর্থনীতিখনে পূর্ণ নিয়োগ অৱস্থা পাৱ আৰু তাক বর্তাই ৰাখিৱ পাৰিব বুলি বিশ্বাসত ল'ব পৰা নাযায়। এইটো কাৰণতে চৰকাৰী হস্তক্ষেপৰ প্রয়োজন হয় ৰাজকোষীয় নীতিৰ মাধ্যমেৰে যাতে অর্থনীতিত থকা চাহিদাৰ অভাৱ পূৰণ কৰিব পাৰি।

জানি থোৱা ভাল



- উপভোগ ফলনে আয় (Y) আৰু উপভোগৰ (C)ৰ মাজত সম্পর্ক সূচিত কৰে আৰু ইয়াক C=f(Y) ফলনৰ দ্বাৰা প্রকাশ কৰা হয়। ইয়াত C আৰু Y একেটা দিশতে গতি কৰে। C বৃদ্ধি হ'লে Y বৃদ্ধি হয়, কিন্তু সমানুপাতিকভাবে নহয়। উপভোগ ফলনৰ তিনিটা কার্য্যকৰী নির্ণায়ক আছে-
  - উপভোগৰ প্রান্তিক প্রৱণতা (MPC)
  - সঞ্চয়ৰ প্রান্তিক প্রৱণতা (MPS)
  - উপভোগৰ গড় প্রৱণতা (APC)
- MPC হৈছে উপভোগৰ সামান্য পৰিবর্তন (ΔC) আৰু আয়ৰ সামান্য পৰিৱর্তনৰ (ΔY) মাজৰ এক অনুপাত $\left(\frac{\Delta C}{\Delta Y}\right)$। MPC ৰ মান সদায় O আৰু 1ৰ মাজত থাকে। ই

উপভোগ ৰেখাৰ ঢালক (slope) ক সূচিত কৰে।

- উপভোগৰ মনস্তত্ত্বিক বিধি অনুসৰি, আয় বৃদ্ধি পালে উপভোগো বৃদ্ধি পায়; কিন্তু উপভোগ বৃদ্ধিৰ হাৰ, আয় বৃদ্ধিৰ হাৰতকৈ কম হয়। সেইবাবে ভোগ আৰু আয় একে দিশত গতি কৰে কিন্তু সমানুপাতিক ভাবে নহয়, ইয়াতকৈ কম হাৰত।
- MPC ৰ মান দিয়া থাকিলে, বিনিয়োগ গুণকে সামগ্রিক আয় অথবা নিয়োগ আৰু বিনিয়োগৰ মাজত পৰিমাণগত সম্পর্ক স্থাপন কৰে। বিনিয়োগ গুণক হৈছে স্বতন্ত্র বিনিয়োগৰ পৰিবর্ত্তন (ΔI) আৰু আয়ৰ পৰিৱর্তনৰ (ΔY)ৰ এক অনুপাত $\left(\frac{\Delta Y}{\Delta I}\right)$
- MPS হৈছে সঞ্চয়ৰ পৰিৱর্ত্তন (ΔS) আৰু আয়ৰ পৰিবর্ত্তন (ΔY) ৰ এক অনুপাত $\left(\frac{\Delta S}{\Delta Y}\right)$। MPS, MPC (প্রান্তিক ভোগ প্রৱনতা)ৰ পৰিপূৰক। সেয়েহে MPC+MPS=1
- APC হৈছে নির্দিষ্ট পৰিমাণৰ (Absolute) উপভোগ (C) আৰু নির্দিষ্ট পৰিমাণৰ আয় (Y) ৰ এক অনুপাত $\left(\frac{C}{Y}\right)$। APC য়ে প্রদত্ত আয়ৰ স্তৰত উপভোগৰ পৰিমাণক নির্দেশ কৰে।

১৫.৫ আঁচনি বিষয়ক পৰামর্শ

চৰকাৰৰ ৰাজকোষীয় নীতি (fiscal policy) ৰ জৰিয়তে কৰা ৰাজহুৱা বিনিয়োগৰ ওপৰত কেইন্‌চৰ সম্পূর্ণ বিশ্বাস আছিল। অর্থনৈতিক মন্দাৱস্থা বা মুদ্রাস্ফিতিৰ দৰে পৰিস্থিতিৰ লগত মোকাবিলা কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্রহণ কৰাটোৱেই আছিল কেইন্‌চৰ ব্যাখ্যাৰ ব্যৱহাৰিক উদ্দেশ্য। সাধাৰণ তত্ত্বত তেওঁ হ্রস্বকালিন অর্থনৈতিক উত্থান-পতনৰ ব্যাখ্যা আগবঢ়োৱাৰ কাৰণে সামগ্রিক চাহিদাৰ ওপৰত গুৰুত্ব দিছিল। মন্দাৱস্থাৰ সময়ত পূর্ণ নিয়োগ স্তৰত উৎপাদন কার্য্য বাহাল ৰাখিবলৈ সামগ্রিক চাহিদা পর্যাপ্ত নহয়। এনে পৰিস্থিতিত যিহেতু ব্যক্তিগত বিনিয়োগ অস্থিৰ আৰু অনিশ্চিত হৈ থাকে, বিস্তৃত ৰাজকোষীয় নীতিৰ (expansionary fiscal policy) ৰ জৰিয়তে ৰাজহুৱা কাম-কাজ আৰম্ভ কৰিব পাৰে আৰু তেনেদৰে সামগ্রিক চাহিদা বৃদ্ধি কৰিব পাৰে। ঠিক একেদৰে, মুদ্রাস্ফিতিৰ ঋণাত্মক প্রভাৱ নোহোৱা কৰিবলৈ সীমিত ৰাজকোষীয় নীতিক (contractionary fiscal policy) সঠিক ৰূপে বিবেচনা কৰিব পাৰিব। এই বিষয়বস্তুৰ ওপৰত এক বিস্তৃত আলোকপাত কৰা যাওঁক।

- **ৰাজকোষীয় নীতি-চৰকাৰী ব্যয়ৰ পৰিবর্ত্তনঃ** ৰাজকোষীয় নীতি হৈছে চৰকাৰী ব্যয়ৰ স্তৰ আৰু কৰ নীতি নির্দ্ধাৰণ কৰা এটা নীতি। প্রকৃততে কেইন্‌চৰ মতে, প্রতিষ্ঠান আৰু পৰিয়াল গোটৰ বিভিন্ন অর্থনৈতিক সিদ্ধান্তৰ ওপৰত চৰকাৰৰ মৌদ্রিক নীতিৰ যথেষ্ট প্রভাৱ আছে। সামগ্রিক চাহিদাৰ ওপৰত এই সিদ্ধান্ত সমূহৰো পৰোক্ষ প্রভাৱ আছে। আনহাতে, চৰকাৰে

যেতিয়া নিজৰ সামগ্ৰী আৰু সেৱা ক্ৰয়ৰ পৰিৱৰ্তন ঘটায়, ই সামগ্ৰিক চাহিদাৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়। গোটেই পৰিঘটনাই সামগ্ৰিক চাহিদা ৰেখাডালৰ স্থানান্তৰ ঘটায়। দুই ধৰণৰ প্ৰভাৱৰ বাবে চাহিদা ৰেখাডাল (সামগ্ৰিক) স্থানান্তৰ হয় বুলি মূলতঃ ধৰি লোৱা হয়ঃ গুণকীয় প্ৰভাৱ (multiplier effect) আৰু ক্ৰাউডিং আউট ইফেক্ট (Crowding out effect)।

গুণকীয় প্ৰভাৱৰ বিষয়ে আলোচনা কৰিবলৈ উদাহৰণ স্বৰূপে ধৰা হ'ল চৰকাৰে এটা বিখ্যাত কোম্পানীক যুদ্ধ বিমানৰ বাবে বৃহৎ পৰিমাণৰ (ধৰা- হঁওক ২০ ডলাৰৰ) নিৰ্দেশনা এটা দিলে। চৰকাৰে সৃষ্টি কৰা এই বৃহৎ চাহিদাৰ তাৎক্ষণিক প্ৰভাৱৰ ফলস্বৰূপে সেই বিশেষ কোম্পানীটোৰ নিয়োগ আৰু লাভৰ পৰিমাণ বৃদ্ধি পাব। কোম্পানীটোৰ লাভ আৰু আয়ৰ পৰিমাণ বৃদ্ধিৰ কৰিব। উচ্চ হাৰৰ আয় আৰু লাভৰ মাত্ৰাই উপভোগ ব্যয় পুনৰ বৃদ্ধি কৰিব। এইদৰে, দ্ৰব্য আৰু চাহিদাৰ ওপৰত মুঠ প্ৰভাৱ চৰকাৰে কৰা প্ৰাৰম্ভিক ব্যয়তকৈ যথেষ্ট অধিকতৰ হ'ব। তদুপৰি, উপভোগ ব্যয় বৃদ্ধি কৰা এই গুনকীয় প্ৰভাৱে মূলধনী দ্ৰব্যৰ চাহিদাও বৃদ্ধি কৰে। চাহিদা সৃষ্টিৰ পৰা বিনিয়োগলৈ— এই ধণাত্মক প্ৰভাৱক কেতিয়াবা বিনিয়োগ ত্বৰক বুলি কোৱা হয়।

ক্ৰাউডিং আউট ইফেক্ট (Crowding out effect) য়ে সুদৰ হাৰৰ মাধ্যমত সামগ্ৰিক চাহিদাৰ ওপৰত প্ৰাথমিক স্তৰত চৰকাৰী ব্যয় বৃদ্ধিৰ প্ৰভাৱ আংশিকভাবে মষিমূৰ কৰে। যেতিয়া গুণকীয় ফলস্বৰূপে আয়ৰ পৰিমাণ বৃদ্ধি পায়, পৰিয়ালসমূহে দ্ৰব্য আৰু সেৱা অধিক পৰিমাণে ক্ৰয় কৰিবলৈ পৰিকল্পনা কৰে। ফলস্বৰূপে তেওঁলোকে নিজৰ সম্পদসমূহ তৰল হিচাবে (নগদ) অধিক পৰিমাণে মজুত কৰি ৰাখিবলৈ বিচাৰে। সেইবাবে মুদ্ৰাৰ চাহিদা বৃদ্ধি পায়। মুদ্ৰাৰ যোগন সীমিত থকা অৱস্থাত মুদ্ৰাৰ চাহিদা বৃদ্ধিয়ে সুদৰ হাৰৰ মাত্ৰা বৃদ্ধি কৰে। সুদৰ হাৰ বৃদ্ধিয়ে উপভোগ আৰু মূলধনী দ্ৰব্যৰ চাহিদা হ্ৰাস কৰে। এইদৰে, ক্ৰাউডিং আউট ইফেক্ট (Crowding out effect) য়ে সামগ্ৰিক চাহিদাৰ ওপৰত চৰকাৰী ব্যয়ৰ প্ৰভাৱ আংশিকভাৱে নিৰ্মূল কৰে। যদি ইয়াৰ প্ৰভাৱ অত্যাধিক হয়, সামগ্ৰিক চাহিদাৰ বৃদ্ধি চৰকাৰী ব্যয়ৰ প্ৰাৰম্ভিক বৃদ্ধিতকৈ নিম্নহাৰত হয়।

- **ৰাজকোষীয় নীতি -কৰৰ পৰিৱৰ্ত্তনঃ** কৰ নীতি হৈছে ৰাজকোষীয় নীতিৰ আন এক গুৰুত্বপূৰ্ণ আহিলা। ব্যক্তিগত আয় কৰ হ্ৰাসে পৰিয়ালসমূহৰ হাতত ব্যয়যোগ্য আয় বৃদ্ধি কৰে। সেইবাবে, পৰিয়ালসমূহে বৃদ্ধিহোৱা আয়ৰ এটা অংশ সঞ্চয় কৰে। ফলস্বৰূপে, সামগ্ৰিক চাহিদা ৰেখাডাল সোঁফাললৈ স্থানান্তৰ হয়। ঠিক একেদৰে, কৰৰ পৰিমাণ বৃদ্ধিয়ে উপভোগ ব্যয় হ্ৰাস কৰে আৰু সামগ্ৰিক চাহিদা ৰেখাডাল বাওঁফাললৈ স্থানান্তৰ কৰায়।

  কৰ পৰিৱৰ্ত্তনৰ ফলস্বৰূপে হোৱা সামগ্ৰিক চাহিদাৰ স্থানান্তৰৰ মাত্ৰা গুণক আৰু ক্ৰাউডিং আউট ইফেক্ট (Crowding out effect) ৰ দ্বাৰাও প্ৰভৱিত হয়। যেতিয়া চৰকাৰে কৰৰ পৰিমাণ কৰ্তন কৰে, পৰিয়ালসমূহৰ উপভোগ ব্যয় বৃদ্ধি পায়। ফলস্বৰূপে নিয়োগ, উৎপাদন, ব্যৱসায়খণ্ডত আয় আৰু লাভ বৃদ্ধি পায়। এয়ে হৈছে কৰ হ্ৰাসৰ ক্ৰাউডিং আউট ইফেক্ট (Crowding out effect) চৰকাৰৰ কৰৰ হাৰ বৃদ্ধিৰ সিদ্ধান্তৰ বাবে, গুণক আৰু ক্ৰাউডিং

আউট ইফেক্ট (Crowding out effect) ৰ প্ৰভাৱ দেখা যায়, যিয়ে নিয়োগ, উৎপাদন, লাভ আৰু আয়ৰ পৰিমাণ হ্ৰাস কৰে। সৰ্বশেষ সামগ্ৰিক চাহিদা ৰেখাডাল বাওঁফাললৈ স্থানান্তৰ হয়।



চিন্তা চৰ্চা কৰক

কেইন্‌চিয়ান ভাৱধাৰাৰ বৈশিষ্টসমূহ বিচাৰি উলিয়াওক।

.....

.....



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ শুদ্ধ / অশুদ্ধ বিচাৰ কৰক-

(ক) সংস্থাপিত অৰ্থনীতিবিদ সকলে ভাবিছিল যে পূৰ্ণ নিয়োগ এটা অস্বাভাবিক অৱস্থা (শুদ্ধ /অশুদ্ধ)

(খ) সক্ৰিয় চাহিদা সামগ্ৰিক যোগান আৰু সামগ্ৰিক চাহিদাৰ সহায়ত নিৰ্ণয় কৰা হয়। (শুদ্ধ /অশুদ্ধ)

(গ) মূলধনৰ প্ৰান্তিক দক্ষতা অতি কম হ'লে সুদ কম কৰিও বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰিব নোৱাৰি। (শুদ্ধ /অশুদ্ধ)

২ নং প্ৰশ্ন ঃকেইন্‌চৰ মতে "মজুৰি কৰ্তনৰ নীতিয়ে" কেনেকৈ নিয়োগ বৃদ্ধি কৰিব নোৱাৰে? ব্যাখ্যা কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

৩ নং প্ৰশ্ন ঃ সামগ্ৰিক চাহিদাৰ অংশ কেইটা কি কি? (৬০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

.....



১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এখন মুক্ত অর্থনীতিত পূর্ণ নিয়োগ সুনিশ্চিত কৰিব পৰা কোনো স্বয়ংক্রিয় প্রক্রিয়া নাই।
- সঞ্চয় আৰু বিনিয়োগৰ মাজত সমতা কেৱল আয়ৰ স্তৰেহে নির্দ্ধাৰণ কৰে (সুদৰ হাৰৰ দ্বাৰা নহয়)।
- যোগানে নিজৰ চাহিদা নিজে সৃষ্টি কৰিব নোৱাৰে।
- যদি পাৰিশ্রমিক/মজুৰি হ্রাস পায়, দ্রব্য আৰু সামগ্রীৰ চাহিদাও হ্রাস পায়। ইয়াৰ ফলত নিয়োগৰ পৰিমাণ আৰু বেছি হ্রাস পায়।
- কেৱল পূর্ণ নিয়োগ স্তৰ লাভ কৰাৰ পিছতহে মুদ্রাৰ পৰিমাণ বৃদ্ধিয়ে প্রত্যক্ষ আৰু আনুপাতিক হাৰত দৰ স্তৰ বৃদ্ধি কৰে।
- আয় বৃদ্ধিৰ লগে লগে উপভোগৰ পৰিমাণো বৃদ্ধি পায়। কিন্তু ই সমান অনুপাতত নহয়, তাতকৈ কম অনুপাতত হয়।
- বিনিয়োগ গুণকৰ কার্য্যকাৰীতাৰ ফলস্বৰূপে ৰাজহুৱা বিনিয়োগে আয়ৰ পৰিমান বহুগুণে বৃদ্ধি কৰে।
- ব্যক্তিগত বিনিয়োগ মূলধনৰ প্রান্তিক দক্ষতাৰ দ্বাৰা পৰিচালিত হয়।
- প্রত্যাশিত প্রতিদান ভৱিষ্যৎ প্রত্যাশাৰ ওপৰত নির্ভৰ কৰে।



১৫.৭ অধিক জানিবলৈ

1. Paul, R. R. (2015). *History of Economic thought.* New Delhi: Kalyani Publication.
2. Brue, S.L. and Grant, R.R. (2012).*The Evolution of Economic thought.* South-Western: Cengage Learning.
3. Vaggi, G. And Groenewegen P. (2014). *A concise History of Economic thought.* Palgrave Macmillan.
4. Mankiw, G. N. (2019). *Principles of Economics.* Cengage learning India Pvt. Ltd.



১৫.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰঃ (ক) অশুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ

২নং প্রশ্ন উত্তৰঃ কেইন্‌চে যুক্তি দর্শাইছিল যে নিয়োগৰ মাত্রা বৃদ্ধি কৰিবলৈ গ্রহণ কৰা "মজুৰি কর্তন নীতি" এটা বিশেষ উদ্যোগ প্রতিস্থানৰ ক্ষেত্রতহে সফল হয়; সমগ্র অর্থনীতিৰ বাবে এই আঁচনি ফলপ্রসূ নহয়। মজুৰিয়ে কেবল উৎপাদন ব্যয়ৰ কথাই সূচিত নকৰে, ই শ্রমিকৰ

আয়ো নির্দেশ কৰে। যদি সকলো প্রতিষ্ঠানতে মজুৰি কর্তন কৰা হয়, অর্থনীতিখনত সামগ্রিকভাবে দ্রব্য আৰু সেৱাৰ চাহিদা হ্রাস পাব। ই নিয়োগৰ মাত্রা পুনৰ হ্রাস কৰিব। সেইবাবে সংস্থাপিত অর্থনীতিবিদ সকলে ভবাৰ দৰে মজুৰি কর্তনৰ জৰিয়তে নিয়োগৰ পৰিমাণ বৃদ্ধি কৰিব নোৱাৰি।

৩নং প্রশ্ন উত্তৰঃ সামগ্রিক চাহিদা ফলনৰ প্রধান অংশ হৈছে উপভোগ ব্যয় (C) আৰু বিনিয়োগ ব্যয় (I)। উপভোগ ফলন, উপভোগৰ মনস্তাত্বিক বিধিৰ ওপৰত নির্ভৰ কৰে। এই বিধি অনুসৰি অর্থনীতিখনৰ বর্ধিত আয়ৰ এটা অংশ সঞ্চয় কৰা হয়। অর্থাৎ আয় বৃদ্ধিৰ লগে লগে উপভোগৰ পৰিমাণো বৃদ্ধি পায়। কিন্তু এই বৃদ্ধি সমানুপাতিক হাৰত নহয়। তদুপৰি হ্রাস্বকালত উপভোগ প্রৱণতা প্রায় স্থিৰ হৈ থাকে। উপভোগ ব্যয় উপভোগ প্রৱণতাৰ ওপৰত নির্ভৰ কৰে। সেইবাবে উপভোগ ফলন তুলনামূলক ভাবে স্থিৰ হৈ থাকে।

বিনিয়োগ গুণকৰ কার্য্যকাৰিতাৰ ফলস্বৰূপে ৰাজহুৱা খণ্ডৰ বিনিয়োগে আয়ৰ পৰিমান বহুগুণে বৃদ্ধি কৰে। ব্যক্তিগত খণ্ডৰ বিনিয়োগ, বিনিয়োগৰ প্রান্তিক দক্ষতা (MEC) আৰু সুতৰ হাৰৰ দ্বাৰা পৰিচালিত হয়। MEC য়ে বিনিয়োগ কৰা মূলধনৰ পৰা হোৱা লাভৰ কথা সূচিত কৰে আৰু সুদৰ হাৰে বিনিয়োগ কৰা মূলধনৰ দৰ সূচিত কৰে।

১৫.৯ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)-

১নং প্রশ্ন ঃ বিনিয়োগ আৰু সঞ্চয়ৰ সমতা কি দৰে হয়? সংস্থাপিত তত্ত্ব আৰু কেইন্‌চৰ ধাৰণাৰ সহায়ত ব্যাখ্যা কৰক।

২নং প্রশ্ন ঃ কেইন্‌চে আগবঢ়োৱা বিনিয়োগ ফলনৰ কার্য্যকাৰিতাৰ বিষয়ে লিখক।

৩নং প্রশ্ন ঃ কেইন্‌চৰ নিয়োগ তত্ত্বটো চমুকৈ ব্যাখ্যা কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১নং প্রশ্ন ঃ কেইন্‌চৰ প্রধান অর্থনৈতিক ধাৰণাসমূহ ব্যাখ্যা কৰক ।

২নং প্রশ্ন ঃ কেইন্‌চিয়ান ধাৰণাসমূহক সংস্থাপিত অর্থনৈতিক ধাৰণাৰ পৰা কেনেদৰে পৃথক কৰিব পাৰি?

৩নং প্রশ্ন ঃ কেইন্‌চে কি কি ধৰণৰ আঁচনি বিষয়ক পৰামর্শ আগবঢ়াইছিল?

*** ****** ***



প্ৰসঙ্গ পুথি (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে প্ৰযোজ্য)

ইংৰাজী গ্ৰন্থঃ

1) Arrow, K.J. (1979).'The Division of Labor in the Economy, the Polity, and Society'. In Adam Smith and Modern Political Economy: Bicentennial Essays on the Wealth of Nations. Gerald P. O'Driscoll (ed.). Ames: The Iowa State University Press.
2) Bhatia, H.L. (2007). History of Economic Thought. New Delhi : Vikash Publishing House.
3) Bhende A. A. and Kanitkar, T.(1978). Principles of Population Studies. New Delhi: Himalaya Publication House.
4) Rangarajan, L.N. (1987). The Arthashastra (Introduction). New Delhi: Penguin Books.
5) V, Lokanathan. (2018). A History of Economic Thought. Delhi: S. Chand.
6) Brue, S.L.and Grant, R.R.(2012).The Evolution of Economic thought. South-Western: Cengage Learning.
7) Hajela, T.N. (1999). History of Economic Thought. Delhi: Konark Publishers Pvt. Ltd.
8) Haney, L.H. (1977). History of Economic Thought. Delhi: Surjeet Publications.
9) Paul, R. R. (2015). History of Economic thought. New Delhi: Kalyani Publication.
10) Jhingan, M.L., Girija, M. Manimekalai.& A. Sasikala. L. (2010). History of Economic Thought. Delhi: Vrinda Publications (P) Ltd.
11) Blecker, R.A. (1997.). The 'Unnatural and Retrograde Order': Adam Smith's Theories of Trade and Development Reconsidered. Economica.
12) Ghosh and Ghosh. (2017). Concise History of Economics Thought. New Delhi: Himalaya Publishing House.
13) Kumarappa, J.C. (2010). Gandhian Economic Thought. New Delhi: SSS Prakashan.

14) Lokanathan, V. (2010). A History of Economic Thought. New Delhi : S Chand & Company Ltd.
15) Sen, R.K. and Basu, R.L. (2006). Economics in Arthashastra. New Delhi: Deep & Deep Publications.
16) Cairnes, J.E. (1874). Some Leading Principles of Political Economy. Newly Expounded. London: Macmillan.
17) Thomas, T.(2012). Arthashastra: The Science of Wealth. Penguin.
18) Vaggi, G. And Groenewegen P. (2014). A concise History of Economic thought. Palgrave Macmillan.
19) Darity, W.A.J. and Davis, L.S. (2005). 'Growth, Trade and Uneven Development'. Cambridge Journal of Economics
20) Meier, G. and Baldwin, R. (1973). Development: Theory, History,Policy. Bombay: Asia Publishing House.
21) Mankiw, G. N. (2019). Principles of Economics. Cengage learning India Pvt. Ltd.
22) Robinson, Joan (1949). An Essay on Marxian Economics. London: Macmillan and Co.
23) Haberler, G. (1950) [1930].The Theory of International Trade with its Applications to Commercial Policy. New York: Macmillan.
24) Schumpeter, Joseph (1947): Capitalism, Socialism and Democracy. Second Edition. New York: Harper and Brothers.
25) Harrod, R.F. (1933). International Economics. New York: Harcourt, Brace and Company.
26) Maneschi, A. (1998). Comparative Advantage in International Trade: A Historical Perspective. Cheltenham: Edward Elgar.

সাময়িক পত্রিকাঃ

1) Nicholson, J.S. (1909). A Project of Empire: A Critical Study of the Economics of Imperialism, With Special Reference to the Ideas of Adam Smith. London: Macmillan.
2) Ricardo, D. (2004) (1817). 'On the Principles of Political Economy and Taxation'. In The Works and Correspondence of David Ricardo. Vol. I. Piero Sraffa (ed.). Indianapolis: Liberty Fund.

3) Elmslie, B. and James, A.M. (1993).'The Renaissance of Adam Smith in Modern Theories of International Trade'. In Perspectives on the History of Economic Thought: Volume IX: Themes on Economic Discourse, Method, Money and Trade. Robert F. Hébert (ed.). 63-76. Aldershot: Elgar.

4) Hume, D. (1987). Essays Moral, Political, and Literary. Eugene F. Miller (ed.), Indianapolis: Liberty Fund.

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেড কমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে? ☐

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।